www.asombarta.in
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
স্বাধীনতা ভাল পোৱা মানে আনক ভাল পোৱা, ক্ষমতাক ভাল পোৱা মানে নিজক ভাল পোৱ। – উইলিয়াম হেজলিট
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361
ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -
প্ৰথম বছৰ | সংখ্যা- ৩৩০ | বৃহস্পতিবাৰ | ০৮ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 330 | Thursday | 08th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত প্ৰতিবাদ ■

# ইণ্ডিয়া ব্লকৰ বৃহৎ প্ৰতিবাদ; আটক ৰাহুল-প্ৰিয়ংকা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** নিৰ্বাচনী তালিকাৰ বিশেষ বিস্তৃত সংশোধনী (SIR) সম্পৰ্কে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱাৰ সময়ত বুধবাৰে নতুন দিল্লীৰ যন্তৰ মন্তৰৰ সমীপত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ৱাড্ৰা আৰু ইণ্ডিয়া ব্লকৰ কেবাজনো সাংসদক আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ইণ্ডিয়া ব্লকৰ নেতাসকলে বুধবাৰে বাছত উঠি দিল্লীৰ যন্তৰ মন্তৰলৈ যাত্ৰা কৰিছিল। কিন্তু নিৰাপত্তাৰক্ষীয়ে তেওঁলোকক যন্তৰ মন্তৰৰ ওচৰলৈ যোৱাত বাধা দিয়ে। ফলত তেওঁলোকে যন্তৰ মন্তৰৰ সমীপত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হয়। ইয়াৰ পূৰ্বে মঙলবাৰে আকাশবাণীৰ সমীপত প্ৰতিবাদ কৰি থকাৰ সময়তো ৰাহুল গান্ধী, কে চি বেণুগোপাল আৰু পৱন খেড়াসহ কংগ্ৰেছৰ একাংশ নেতাক আৰক্ষীয়ে আটক কৰিছিল। পিছত তেওঁলোকক মুকলি কৰি দিয়া হয়। সূত্ৰ অনুসৰি, জনপথৰ সাগৰৰত্নত কংগ্ৰেছৰ ❏ ৬ পৃষ্ঠাত



## কৃষক পঞ্জীয়নত অৱহেলা সহ্য কৰা নহ'ব ঃ মন্ত্ৰী পীযুষ হাজৰিকা

### জিলা কৃষি বিষয়াসকলৰ পৰ্যালোচনা বৈঠকত কঠোৰ নিৰ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ অক্টোবৰ ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি ৰাজ্যৰ জিলা কৃষি বিষয়াসকলৰ সৈতে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ কৃষিখণ্ডত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ, চলি থকা কাম-কাজৰ অগ্ৰগতি আৰু ক্ষেত্ৰপৰ্যায়ৰ সমস্যাসমূহৰ বিস্তৃত পৰ্যালোচনা কৰা হয়। বৈঠকত মন্ত্ৰী হাজৰিকাই ❏ ৬ পৃষ্ঠাত

"আমি কৰি দেখুৱাম... **We Will Do It**"

## ২০৪৭ৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ সংকল্প প্ৰধানমন্ত্ৰী মোদীৰ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** চৰকাৰৰ মুৰব্বী হিচাপে একেৰাহে ২৫ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ সন্মুখত এক বৃহৎ সংকল্প পুনৰ দোহাৰিলে। তেওঁ কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ়ি তুলিব লাগিব আৰু আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্য পূৰণ কৰিব লাগিব। এই বিশ্বাসেৰে প্ৰধানমন্ত্ৰী মোদীয়ে শ্লোগান দিয়ে-"আমি কৰি দেখুৱাম... We Will Do It." অৰ্থাৎ আগন্তুক বছৰবোৰত দেশৰ বৃহৎ লক্ষ্যসমূহ সফলভাৱে পূৰণ ❏ ৬ পৃষ্ঠাত

বেলজিয়াম, ডমিনিকা, নাইজেৰিয়া, ভূটান আৰু জাপানৰ প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰপতিৰ শুভেচ্ছা

## চৰকাৰৰ মূৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ নৰেন্দ্ৰ মোদীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** গুজৰাটৰ পৰা নতুন দিল্লীলৈকে চৰকাৰৰ মুৰব্বী হিচাপে একেৰাহে ২৫ বছৰৰ নিৰৱচ্ছিন্ন নেতৃত্বৰ যাত্ৰা সম্পূৰ্ণ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলে উষ্ণ অভিনন্দন জ্ঞাপন কৰিছে। বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰে এক্স (X) যোগে অভিনন্দন জনাই তেওঁৰ শেহতীয়া ভাৰত ভ্ৰমণৰ কথা সুঁৱৰি দুয়োখন দেশৰ অংশীদাৰিত্ব অধিক গভীৰ কৰাৰ আশা প্ৰকাশ কৰে। তেওঁ লিখিছে, "গুজৰাটৰ পৰা নতুন দিল্লীলৈ চৰকাৰত একেৰাহে ২৫ বছৰ নেতৃত্ব প্ৰদান কৰা প্ৰধানমন্ত্ৰী মোদীক মই আন্তৰিক অভিনন্দন জনাইছো। যোৱা মাহত ❏ ৬ পৃষ্ঠাত

বেনিনৰ বিৰুদ্ধে শেষ মেচত গল আৰু দুটা এছিষ্ট

## ২১ বছৰীয়া যাত্ৰাৰ অন্ত ! লিয়নেল মেছিৰ আন্তঃৰাষ্ট্ৰীয় অৱসৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** মহান ফুটবলাৰ লিয়নেল মেছিয়ে আৰ্জেণ্টিনাৰ হৈ ২১ বছৰীয়া আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ সামৰণি মাৰিলে। মঙলবাৰে নিশা (৬ অক্টোবৰ) বুয়েনছ আয়াৰ্ছত বেনিনৰ বিৰুদ্ধে অনুষ্ঠিত মেচখনত আৰ্জেণ্টিনাই৷৷ৢ ৩-০ গ'লত জয় লাভ কৰে। নিজৰ শেষখন আন্তঃৰাষ্ট্ৰীয় মেচতো মেছিয়ে গল আৰু দুটা এছিষ্টৰে সেই মেচ স্মৰণীয় কৰি তুলিলে। মেচখনৰ ৭১ মিনিটত পেনাল্টিৰ পৰা গল কৰে মেছিয়ে। ইয়াৰ লগতে তেওঁ দুটা গলৰ বাবে সতীৰ্থক সুযোগ সৃষ্টি কৰি দিয়ে। অৰ্থাৎ আৰ্জেণ্টিনাৰ জাৰ্ছিত শেষখন মেচতো মেছিক তেওঁৰ চিনাকি ৰূপত দেখা গ'ল। মেচখনত মেছি কেইবাবাৰো আৱেগিক হৈ পৰে। আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰীয় সংগীত বজোৱাৰ সময়ত তেওঁৰ চকুত চকুলো দেখা যায়। ষ্টেডিয়ামলৈ যোৱাৰ সময়তো মেছিয়ে ❏ ৬ পৃষ্ঠাত

■ ক্ৰীড়া বিভাগৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান ■

## এছিয়ান গেমছত স্বৰ্ণজয়ী লাভলীনা বৰগোহাঁইক গুৱাহাটীত সম্বৰ্ধনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ অক্টোবৰ ঃ** জাপানৰ আইচি-নাগ'য়াত অনুষ্ঠিত ২০২৬ এছিয়ান গেমছৰ মহিলাৰ ৭৫ কেজি বক্সিং শাখাত সোণৰ পদক অৰ্জন কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা অসমকন্যা লাভলীনা বৰগোহাঁইক আজি গুৱাহাটীত এক বিশেষ অভিনন্দন অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম ক্ৰীড়া বিভাগৰ উদ্যোগত তথা অসম এম এছ আৰ বক্সিং সন্থা আৰু অসম অলিম্পিক সন্থাৰ ❏ ৬ পৃষ্ঠাত

## মোদীৰ ২৫ বছৰীয়া ৰাজহুৱা সেৱাৰ স্মৃতিত ৰাজ্যজুৰি সেৱা জ্যোতি কলহ যাত্ৰা

খানাপাৰাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি ৰূপায়িত সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যজুৰি সেৱা জ্যোতি কলহ যাত্ৰা অনুষ্ঠিত হৈছে। এই যাত্ৰাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদীয় ৰাজনৈতিক জীৱনৰ এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিক স্মৰণ কৰা হৈছে। এই যাত্ৰাত জ্যেষ্ঠ মহিলা কৰ্মী আৰু ❏ ৬ পৃষ্ঠাত

ক্ষতিগ্ৰস্ত ভোটকেন্দ্ৰত তৎকালীন পুনৰ ভোটগ্ৰহণৰ দাবী

## চামগুৰিত ব্যাপক ৰিগিং আৰু অনিয়মৰ অভিযোগ ৰকিবুল হুছেইনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** নগাঁৱৰ ৰাজীৱ ভৱনত আজি সংবাদমেল সম্বোধন কৰি জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা সাংসদ ৰকিবুল হুছেইনে শাসকীয় বিজেপি দলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। সাংসদগৰাকীয়ে অভিযোগ কৰে যে চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ব্যাপক ৰিগিং আৰু অনিয়ম সংঘটিত হৈছে। শাসকীয় পক্ষই একাধিক ভোটকেন্দ্ৰত বলপূৰ্বকভাৱে ৰিগিং চলাইছে বুলি তেওঁ দাবী কৰে। তেওঁৰ মতে, বিজেপিয়ে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো চুৰ কৰাৰ চেষ্টা ❏ ৬ পৃষ্ঠাত

ছ'ৱাই বিক্ৰিয়া আৰু অ-ৰৈখিক প্ৰভাৱ আৱিষ্কাৰত গুৰুত্বপূৰ্ণ ভূমিকা

## হেনৰি কাগান আৰু কেনছ' ছ'ৱাইলৈ ২০২৬ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নোবেল



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** ২০২৬ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নোবেল বঁটাৰ ঘোষণা কৰা হৈছে। এই বৰ্ষৰ বঁটা লাভ কৰিছে ফ্ৰান্সৰ হেনৰি কাগান আৰু জাপানৰ বিজ্ঞানী কেনছ' ছ'ৱাইয়ে। কাগান ফ্ৰান্সৰ উত্তৰ পেৰিছ বিশ্ববিদ্যালয়ৰ অধ্যাপক। আনহাতে ছ'ৱাই জাপানৰ টকিঅ' ইউনিভাৰ্চিটি অৱ চায়েন্সৰ অধ্যাপক। কেনছ' ছ'ৱাইহে ৰাসায়নিক বিক্ৰিয়াৰ ❏ ৬ পৃষ্ঠাত

বাৰাণসীত ৰাহুল গান্ধীলৈ হিমন্ত বিশ্ব শৰ্মাৰ সকীয়নি

## 'সনাতনৰ শক্তি থকালৈকে মোদীৰ কোনো ক্ষতি কৰিব নোৱাৰে'



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া জনসেৱা যাত্ৰাৰ উপলক্ষে বাৰাণসীত অনুষ্ঠিত 'সেৱা সংকল্প অভিযান' তথা 'সেৱা জ্যোতি' অনুষ্ঠানৰ সামৰণি অনুষ্ঠানত মঞ্চৰ পৰাই কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীক তীক্ষ্ণ াৱে সকীয়নি দিয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত ❏ ৬ পৃষ্ঠাত

## উচ্চন্যায়ালয়ত অমৃতপ্ৰভা মহন্তৰ জামিনৰ শুনানি সম্পূৰ্ণ

সম্পূৰ্ণ নহ'ল সন্দীপন গাৰ্গৰ জামিনৰ শুনানি



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ অক্টোবৰ ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ শুনানি সম্পূৰ্ণ হৈছে। শুনানি শেষ হোৱাৰ পিছত উচ্চন্যায়ালয়ে ৰায় সংৰক্ষিত ৰাখিছে। সূত্ৰ অনুসৰি, উচ্চ ন্যায়ালয়ত এসপ্তাহ ধৰি অমৃতপ্ৰভা মহন্তৰ জামিনৰ শুনানি চলিছিল। ইপিনে, সন্দীপন গাৰ্গৰ জামিন আবেদনৰ শুনানিও গুৱাহাটী উচ্চ ন্যায়ালয়ত এসপ্তাহ ধৰি চলি আহিছে। কিন্তু আজি সন্দীপন গাৰ্গৰ জামিনৰ শুনানি সম্পূৰ্ণ হোৱা নাই। সেয়ে ❏ ৬ পৃষ্ঠাত

## জলসিঞ্চন বিভাগৰ কাৰ্যালয়ত মন্ত্ৰী পীযুষ হাজৰিকাৰ আকস্মিক পৰিদৰ্শন

অনুপস্থিত কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ সকীয়নি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** দিছপুৰস্থিত জলসিঞ্চন বিভাগৰ কাৰ্যালয়ত আজি পুৱা আকস্মিক পৰিদৰ্শন চলায় মন্ত্ৰী পীযুষ হাজৰিকাই। কাৰ্যালয়ৰ কৰ্মসময় আৰম্ভ হোৱাৰ সময়তে তেওঁ কাৰ্যালয়ত উপস্থিত হৈ দেখে যে কেইবাগৰাকী বিষয়া-কৰ্মচাৰীয়ে নিৰ্ধাৰিত সময়ত কাৰ্যালয়ত উপস্থিত হোৱা নাই। এই ঘটনাত মন্ত্ৰীগৰাকী তীব্ৰ ক্ষুব্ধ হৈ পৰে। কাৰ্যালয়ত উপস্থিত থকা বাকী কৰ্মচাৰীসকলক ❏ ৬ পৃষ্ঠাত

দুই লাখ বন্যাৰ্ত পৰিয়ালক পূৰ্ণ ক্ষতিপূৰণ দিয়া বুলি ক'লে আন্দোলনৰ পৰা আঁতৰি যাম: অখিল

## বানাক্ৰান্তৰ ক্ষতিপূৰণৰ দাবীত অখিল গগৈৰ সত্যাগ্ৰহ অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** উজনি অসমৰ বানাক্ৰান্ত ৰাইজে এতিয়ালৈকে ক্ষতিপূৰণ লাভ কৰা নাই। এই ক্ষতিপূৰণ তথা আন কেইবাটাও সমস্যাৰ সমাধানৰ ❏ ৬ পৃষ্ঠাত



অসম আৰক্ষীত ব্যাপক ৰদ-বদল

## মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগ, সীমান্ত শাখা, কামাণ্ডো বেটেলিয়ন আৰু জিলা আৰক্ষীৰ একাধিক বিষয়াৰ বদলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** অসম আৰক্ষীত ব্যাপক ৰদ-বদল কৰা হৈছে। এইৰদ-বদলত গুৱাহাটী, কাৰ্বি আংলং, শদিয়া, বৰপেটা, শ্ৰীভূমি, কোকৰাঝাৰ, শিৱসাগৰ, কাছাৰ, গোৱালপাৰা আদি ঠাইৰ একাধিক আৰক্ষী বিষয়াক নতুন দায়িত্বত নিযুক্তি দিয়া হৈছে। আৰক্ষী ❏ ৬ পৃষ্ঠাত

## মণিপুৰত আৰক্ষী-সুৰক্ষা বাহিনীৰ অভিযানত বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক সামগ্ৰী জব্দ

ইনাম থিংগেল নদীৰ পাৰত জব্দ ৮, ৩২০ বটল কফ চিৰাপ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** মণিপুৰত আৰক্ষী আৰু সুৰক্ষা বাহিনীৰ যৌথ অভিযানত বৃহৎ পৰিমাণৰ অবৈধ অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আৰু ❏ ৬পৃষ্ঠাত

১৬ৰ পৰা ২৮ অক্টোবৰলৈ ৰায়পুৰ আৰু বদোদৰাত শৃংখলা

## ভাৰতীয় মহিলা ক্ৰিকেট দলত স্থান লাভ জিণ্টিমণি কলিতাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** অসমৰ জিণ্টিমণি কলিতাই ভাৰতীয় মহিলা ক্ৰিকেট দলত প্ৰৱেশ কৰিছে। জিম্বাব'ৱেৰ বিৰুদ্ধে ঘৰুৱা মাটিত অনুষ্ঠিত হ'বলগীয়া টি-২০ শৃংখলাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত তেওঁ স্থান লাভ কৰিছে। এই খবৰে ৰাজ্যবাসীক উৎফুল্ল কৰি তুলিছে। স্মৃতি মান্ধানাৰ নেতৃত্বত ভাৰতে এই শৃংখলাত তিনিখন টি-২০ আৰু তিনিখন এদিনীয়া খেল অংশগ্ৰহণ কৰিব। অহা ১৬ অক্টোবৰৰ পৰা ২৮ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া এই শৃংখলাৰ টি-২০ মেচসমূহ ৰায়পুৰত আৰু এদিনীয়া মেচসমূহ বদোদৰাত অনুষ্ঠিত হ'ব। জিণ্টিমণিৰ দলত অন্তৰ্ভুক্তিয়ে বিশেষ চৰ্চা লাভ কৰিছে। শেহতীয়াকৈ ইংলেণ্ডত অনুষ্ঠিত 'এ' দলৰ ভ্ৰমণত আৰু ঘৰুৱা মাটিত অষ্ট্ৰেলিয়া 'এ'-ৰ বিৰুদ্ধে খেলা মেচসমূহত তেওঁ বিশেষ সফলতা লাভ কৰা নাছিল। তথাপি নিৰ্বাচকসকলে জিণ্টিমণিৰ ওপৰত আস্থা ৰাখি টি-২০ আই দলত সুযোগ দিছে। ১৫ জনীয়া টি-২০ ❏ ৬ পৃষ্ঠাত

# ১১ অক্টোবৰৰ পৰা ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পূজাৰ কুকুৰমাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গাপূজাৰ সোণালী জয়ন্তী

## দশমীৰ দিনা কলহী নদীৰ বুকুত অনুষ্ঠিত হ'ব ঐতিহাসিক নাওখেল প্ৰতিযোগিতা-প্ৰথম পুৰস্কাৰ ৩১ হাজাৰ টকা

**অসম বাৰ্তা, ছয়গাঁও, ৭ অক্টোবৰ** ঃ অসমৰ ভিতৰত অন্যতম আগশাৰীৰ দুৰ্গাপূজা কুকুৰমাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গাপূজাৰ এইবেলি সোণালী জয়ন্তী বৰ্ষ। ৰাজহুৱা সিদ্ধান্ত অনুসৰি পূজাখনি পৰিচালনা কৰাৰ বাবে ৰাতুল বৰাক সভাপতি, ৰিংকু কলিতাক সাধাৰণ সম্পাদক, প্ৰবীণ মেধি, বানেশ্বৰ মেধি, বিনোদ দাস, মণিৰাম দাস, জোন কুমাৰ দাসক কাৰ্যকৰী সভাপতি হিচাপে লৈ এখন শক্তিশালী কমিটি গঠন কৰা হয়। ১১ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ ১১ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা কুকুৰমাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গাপূজাৰ কাৰ্যসূচী অনুসৰি ১১ অক্টোবৰৰ পুৱা দুৰ্গাদেৱীৰ প্ৰতিপদাদি কল্পাৰম্ভ আৰু দেৱীৰ নৱৰাত্ৰিক ব্ৰতাৰম্ভ, শৈল পুত্ৰীৰ পূজা আৰু চণ্ডিপাঠ, তাৰ পিছতে আয়তীৰ নাম, মহিলাৰ টোকাৰী নাম, সন্ধিয়া ৫০গছি বন্তি প্ৰজ্বলনৰ শুভাৰম্ভণ কৰিব উদ্বোধক সভাপতি ৰাতুল বৰাই, মঞ্চ মুকলিৰ পিছত সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হব। ১২ অক্টোবৰত আয়তীৰ নাম, ছোৱালীৰ থিয়নাম, বৰগীত, আমত'লা সত্ৰ সংকীৰ্তন দলৰ নাম পৰিৱেশন, নিমন্ত্ৰিত দলৰ নাগাৰা নাম পৰিৱেশন কৰা হ'ব। ১৩ অক্টোবৰত আয়তীৰ নাম, আবেলি জুবিন গাৰ্গৰ গীতৰ আধাৰত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ৭,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৬,০০০ টকা। সন্ধিয়া নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। ১৪ অক্টোবৰৰ পুৱাৰ ভাগত আয়তীৰ নাম-প্ৰসংগৰ পিছতে নিমন্ত্ৰিত চৈতালী নাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। চৈতালী নামৰ প্ৰথম পুৰস্কাৰ ৭,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৬, ০০০ টকা আৰু শ্ৰেষ্ঠ পাঠকৰ পুৰস্কাৰ ২, ০০০ টকা প্ৰদান কৰা হ'ব। ১৫ অক্টোবৰত আয়তীৰ নাম-প্ৰসংগৰ পিছত আবেলিৰ পৰা চৈতালী নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৬ অক্টোবৰৰ পুৱা আয়তীৰ নাম-প্ৰসংগৰ পিছত কুকুৰমাৰা সৰ্বজনীন দুৰ্গাপূজাৰ সোণালী জয়ন্তী উপলক্ষে বিশাল সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰা হ'ব। শোভাযাত্ৰা উদ্বোধন কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যই। সন্ধিয়াৰ পৰা আৰম্ভ হ'ব পূজাভাগৰ কাৰ্যসূচী। ১৭ অক্টোবৰৰ পুৱা ঘট বুৰণ, দুণৰি আনয়নৰ পিছত নামঘৰীয়া দলৰ নাম পৰিৱেশন, চিত্ৰাংকন প্ৰতিযোগিতা, বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। তাৰ পিছতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হব। আবেলি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি মৃণালিনী দেৱীয়ে, তাৰ পিছত বৰগীতৰ অনুষ্ঠান, আৰতি, সত্ৰীয়া নৃত্যানুষ্ঠান, পৰস্কাৰপ্ৰাপ্ত চৈতালী নামঘৰীয়া দলৰ নাম পৰিৱেশন কৰা হব। ১৮ অক্টোবৰত পুৱা আইনাম, পুষ্পাঞ্জলি প্ৰদান, চৈতালী নাম পৰিৱেশন, বিয়লি আবৃত্তি প্ৰতিযোগিতা, জেজাৰা পাৰ্টীৰ অনুষ্ঠান পৰিৱেশন, আৰতি, নিশা দৰঙৰ জনপ্ৰিয় মৰমী শইকীয়াৰ নাগাৰা নাম পৰিৱেশন কৰা হ'ব। ১৯ অক্টোবৰত পুৱা আয়তীৰ নাম-প্ৰসংগৰ পিছত সন্ধি পূজা, বলিদান, পূজা সমাপন, পুষ্পাঞ্জলি প্ৰদান, সাতপখলী মিলিজুলি মহিলা নামঘৰীয়া দলৰ নাম পৰিৱেশন, সন্ধিয়া বন্তি প্ৰজ্বলন, আৰতি, মেঘনা দাসৰ নৃত্য পৰিৱেশন, জংকী দাসৰ নাগাৰা নাম পৰিৱেশনৰ পিছতে নিশা সাংস্কৃতিক কাৰ্যসূচী আৰম্ভ হ'ব। ২০ অক্টোবৰত আয়তীৰ নাম-প্ৰসংগ, হোমপৰ্ব, পুষ্পাঞ্জলি প্ৰদান, ৩ বজাৰ পৰা লোকগীতৰ অনুষ্ঠান, বাঁহীবাদন, নাগাৰা নাম, আৰতি, নৱ দুৰ্গা শীৰ্ষক নৃত্য, পূজা সমিতিৰ দ্বাৰা একাংকিকা নাট পৰিৱেশন, তাৰ পিছতে নিশা কল্পজ্যোতি নাট্য পৰিষদৰ নাট পৰিৱেশন কৰা হ'ব। ২১ অক্টোবৰৰ দশমীৰ দিনা পুৱাৰ ভাগত পুষ্পাঞ্জলি আৰু প্ৰসাদ বিতৰণ, দিনৰ ১২ বজাত কুকুৰমাৰা কলহী নদীত ঐতিহাসিক নাওখেল প্ৰতিযোগিতা আৰম্ভ হ'ব। নাওখেল প্ৰতিযোগিতাত লখিমী পৰিয়ালৰ তৰফৰ পৰা লোহিত দাসে প্ৰথম পুৰস্কাৰ হিচাপে ৩১,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ২১,০০১ টকা, তৃতীয় পুৰস্কাৰ ৭,০০১ টকা, শ্ৰেষ্ঠ গুৰিয়াল ১,০০১ টকা প্ৰদান কৰিব। সন্ধিয়া দেৱী বন্দনা নৃত্য, ৰাভা নৃত্য, আধুনিক নৃত্যৰ পিছত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব সাংসদ বিজুলী কলিতা মেধি, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বকো ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচ। ইয়াৰ উপৰিও সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন বিধায়ক হেমাংগ ঠাকুৰীয়া, প্ৰাক্তন মন্ত্ৰী ডাঃ কমালাকান্ত কলিতা, প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা আৰু ছমৰীয়া সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে। নিশা ৮ বজাৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব।

## চান্দা নিবিচৰাকে পূঁজিত জমা ১৩,৯০,৮১৪.১৬ টকা, ব্যয় ৭,১৮,৪৪১ টকা

# মানৱতাবাদী সংগঠন 'আশাৰ আলোক'ৰ সভাপতি পদত হৰিচন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত




**অসম বাৰ্তা, মঙলদৈ, ৭ অক্টোবৰ** ঃ 'আশাৰ আলোক- মানুহে মানুহৰ বাবে, দৰং, অসম' শীৰ্ষক মানৱতাবাদী সংগঠনটোৰ ব্যতিক্ৰমী কৰ্মসূচীত আকৃষ্ট হৈ এজাক মানৱপ্ৰেমীলোক সংগঠনটোৰ লগত একাত্ম হৈ মানৱতাৰ জয়গান গোৱা বিষয়টোৱে বিশেষকৈ দৰং জিলাত সচেতন মহলৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে। ২০২০ চনৰ ১১ অক্টোবৰত প্ৰতিষ্ঠা হোৱা এই সংগঠনটোৱে আৰম্ভণিৰ পৰাই ৰচিদ বহী লৈ ঘৰে-দোকানে পোহাৰে চান্দা নিবিচাৰে। বিভিন্ন জনে জন্মদিন, মৃত্যু তিথি, বিবাহ বাৰ্ষিকী তথা অন্যান্য উপলক্ষত স্ব-ইচ্ছাই আগবঢ়োৱা বৰঙনি বেংকত জমা ৰাখি সংগঠনটোৱে তাৰ পৰাই প্ৰয়োজন সাপেক্ষে আৰ্থিকভাৱে দুৰ্বল অথচ জটিল ৰোগত আক্ৰান্ত ৰোগীক আৰ্থিক সাহায্য প্ৰদান, জৰাজীৰ্ণ গৃহ মেৰামতি, ছাত্ৰ-ছাত্ৰীক কিতাপ পত্ৰ প্ৰদান, বস্ত্ৰ প্ৰদান আদি মানৱীয় কাম কৰি কমদিনৰ ভিতৰতেই যে ৰাইজৰ হৃদয়ত স্থান লাভ কৰিছে, তাৰেই এক নিদৰ্শন পোৱা গ'ল কালি অনুষ্ঠিত সংগঠনটোৰ সাধাৰণ সভাত। মঙলদৈ চহৰৰ টেঙাবাৰীৰ সোণালীপামস্থিত ৰূণমল বাগিছাত কালি বিয়লি হোৱা সাধাৰণ সভাত সম্পাদক জয়প্ৰকাশ শৰ্মাই দাঙি ধৰা জমা - খৰচৰ হিচাব মৰ্মে ২০২৫-২০২৬ বৰ্ষত সংগঠনটোৰ পুঁজিত জমা হৈছে ১৩,৯০,৮১৪.১৬ টকা। ইয়াৰে বিভিন্ন শিতানত ৭,১৮,৪৪১ টকা ব্যয় হোৱাৰ পিছত পুঁজিত জমা আছে ৬,৭২,৩৭৩.১৬ টকা। সভাপতি হৰি চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত নিৰ্দিষ্ট সময় দিনৰ ২ বজাত আৰম্ভ হোৱা এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক গণেশ দত্তই। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী 'মানুহে মানুহৰ বাবে–' শীৰ্ষক গীত পৰিৱেশন কৰা এই সভাত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, অৱসৰপ্ৰাপ্ত শিক্ষক বাসৱ চন্দ্ৰ ডেকা, সমাজসেৱক নৰেন্দ্ৰ শৰ্মা, হৰিচন্দ্ৰ ৰাজবংশী, দলংঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক নৱ কুমাৰ শৰ্মা, শিক্ষক মইনুল হক শইকীয়া, শিল্পী প্ৰাঞ্জল শৰ্মা, সত্যেন্দ্ৰনাথ গোস্বামী, গোলোক বৰা, ব্ৰজেন্দ্ৰ কুমাৰ নাথ, চক্ৰধৰ নাথ আদিয়ে সংগঠনটোৰ নেতৃত্বই আৰ্থিক স্বচ্ছতাৰে যিদৰে কাম কৰি সেয়া অনন্য বুলি মতপোষণ কৰে। এই সভাত আগন্তুক ২০২৬-২০২৮ বৰ্ষৰ বাবে হৰিচন্দ্ৰ শৰ্মাক সভাপতি, কুঞ্জ দেৱী, এনী ভূঞা ডেকা, শেখৰ মজুমদাৰক উপসভাপতি, গণেশ দত্তক সাধাৰণ সম্পাদক, ডাঃ ভূপেন চহৰীয়াক যুটীয়া সম্পাদক, জয়প্ৰকাশ শৰ্মা, জিতুমণি চহৰীয়া, তৃষ্ণা হাজৰিকাক সম্পাদক, পংকজ চহৰীয়া, কমল ভৰদ্বাজ, ৰাতুল ডেকাক সহকাৰী সম্পাদক, গোলোক বৰাক কোষাধ্যক্ষ, নৱ কুমাৰ শৰ্মা, পুৰন্দৰ চমুৱা, মইনুল হক শইকীয়া, পবিত্ৰ হাজৰিকা, প্ৰাঞ্জল শৰ্মা, যুতিকা নাথ, কংকন গোস্বামী, ধ্ৰুৱজ্যোতি বৰা, মীৰা হাজৰিকা, জিতুমণি হাজৰিকা, বিনিতা চহৰীয়া, ডাঃ দীপ্তিমণি বৰুৱা, ৰমেশ চহৰীয়া, কুশলা ডেকা, ভাৰতী শৰ্মা, চিমা চৌধুৰী, মীৰা দত্ত চৌধুৰী, প্ৰসন্ন ডেকাক সদস্য হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়।

## ১১, ৪৪০ লিটাৰ তেলসহ টেংকাৰ জব্দ; ৪জনক গ্ৰেপ্তাৰ

# লখিমপুৰৰ লীলাবাৰীত তেল চুৰিৰ বৃহৎ চক্ৰ উৎখাত

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, লীলাবাৰী, ৭ অক্টোবৰ** ঃ লখিমপুৰ জিলা আৰক্ষীয়ে জিলাখনত ব্যাপকৰূপত চলি থকা পেট্ৰ'লজাত সামগ্ৰীৰ অবৈধ ব্যৱসায় তথা চুৰিচক্ৰৰ বিৰুদ্ধে এক বৃহৎ সফলতা লাভ কৰিছে। বিশ্বস্ত সূত্ৰৰ পম খেদি ৫ অক্টোবৰৰ নিশা প্ৰায় ৯: ১৫ বজাত উত্তৰ লখিমপুৰ থানাৰ আৰক্ষীয়ে লীলাবাৰীৰ জনকপুৰত অভিযান চলাই তেল চুৰি কৰি থকা অৱস্থাত চাৰিজনকৈ লোকক হাতে-লোটে আটক কৰে। আৰক্ষীৰ সূত্ৰে জানিব পৰামতে, জনকপুৰস্থিত এটা ঘৰৰ চৌহদত এ এছ ০৪ বি চি ৫৯৬১ নম্বৰৰ তেল পৰিবাহী টেংকাৰ এখনৰ পৰা অবৈধভাৱে পেট্ৰ'লিয়ামজাত সামগ্ৰী উলিয়াই চুৰি কৰি থকাৰ তথ্য লাভ কৰিছিল। উক্ত তথ্যৰ ভিত্তিত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ প্ৰত্যক্ষ কৰে যে প্লাষ্টিকৰ পাইপৰ জৰিয়তে টেংকাৰখনৰ পৰা তেল উলিয়াই ড্ৰামলৈ স্থানান্তৰ কৰা হৈ আছে। ঘটনাস্থলীত তালাচী চলোৱাৰ সময়ত আৰক্ষীয়ে প্ৰায় ২২০ লিটাৰকৈ ধাৰণ ক্ষমতা থকা ৫২টা প্লাষ্টিকৰ ড্ৰাম জব্দ কৰে, য'ত সন্দেহযুক্ত ডিজেল, পেট্ৰ'লিয়ামজাত সামগ্ৰী মজুত কৰি ৰখা হৈছিল। জব্দকৃত তেলৰ পৰিমাণ আনুমানিক ১১, ৪৪০ লিটাৰ বুলি অনুমান কৰা হৈছে যদিও সঠিক পৰিমাণ উপযুক্ত জোখ-মাপ আৰু পৰীক্ষণৰ পিছতহে নিশ্চিত হ'ব। আইনী বিধি অনুসৰি আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা তেল পৰিবাহী টেংকাৰখন, ৫২টা প্লাষ্টিকৰ ড্ৰাম আৰু ৩ডাল প্লাষ্টিকৰ পাইপ জব্দ কৰি উত্তৰ লখিমপুৰ সদৰ থানালৈ লৈ আনে। এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে চাৰিজন ব্যক্তিক আটক কৰি পিছত গ্ৰেপ্তাৰ কৰে। ধৃত ব্যক্তিকেইজন হ'ল উত্তৰ লখিমপুৰ সদৰ থানাৰ অন্তৰ্গত পশ্চিম চান্দমাৰীৰ ইমান আলীৰ পুত্ৰ মহম্মদ জহুৰ আলী(৪৯), লালুক থানাৰ অন্তৰ্গত এক নং কেহুতলীৰ ৰুবুল আলীৰ পুত্ৰ মহম্মদ ৰাজিদ আক্ৰাম(২৪), উত্তৰ লখিমপুৰ সদৰ থানাৰ জনকপুৰ লীলাবাৰীৰ কল্যাণ তালুকদাৰৰ পুত্ৰ মণিশংকৰ তালুকদাৰ(৩০), একে ঠাইৰে বদন বৰাৰ পুত্ৰ বিতুল বৰা(২৩)। প্ৰাথমিক তদন্তত টেংকাৰৰ পৰা অসৎ উদ্দেশ্যেৰে তেল চুৰি, অনুমতিবিহীনভাৱে স্থানান্তৰ আৰু মজুত কৰি অবৈধভাৱে বিক্ৰীৰ পৰিকল্পনা থকা বুলি সন্দেহ কৰা হৈছে। এই সন্দৰ্ভত উত্তৰ লখিমপুৰ থানাত গোচৰ নং ৩২২/২০২৬, ধাৰা 305(c)/317(2)/61(2) BNS, Sec. 23(1)(a) Petroleum Act আৰু Sec. 7 Essential Commodities Act-ৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰা হৈছে। ধৃত চাৰিওজন অভিযুক্তকে আদালতত হাজিৰ কৰা হয়। ঘটনাৰ লগত আন কোন জড়িত আছে আৰু এই চক্ৰটো কিমান দিনৰ পৰা চলি আছিল সেই সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে বুলি আৰক্ষীয়ে অৱগত কৰিছে।

# গোলাঘাটৰ হৰিজন কলনীত স্বচ্ছতা আৰু স্বাস্থ্য সজাগতা কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ অক্টোবৰ** ঃ মাৰোৱাৰী যুৱ মঞ্চ গোলাঘাট সমৃদ্ধি শাখা আৰু মাৰোৱাৰী যুৱ মঞ্চ, গোলাঘাটৰ উদ্যোগত গোলাঘাট চহৰৰ হৰিজন কলনীত স্বচ্ছতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আঁত ধৰে অমিত নাগোৰীয়ে। অনুষ্ঠানত মাৰোৱাৰী যুৱ মঞ্চৰ সভাপতি অনুজ শৰ্মা, সমৃদ্ধি শাখাৰ সভাপতি স্নেহা লাড়িয়া আৰু অধিবক্তা কিশোৰ বাচফৰক মঞ্চাসীন কৰা হয়। এই উপলক্ষে ৰাজু লাল বাল্মিকী, দলবীৰ সিং আৰু কিশোৰ বাচফৰক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে স্নেহা লাড়িয়াই। তেওঁ নিজৰ ভাষণত পৰিষ্কাৰ-পৰিচ্ছন্নতা, ব্যক্তিগত স্বাস্থ্যবিধি আৰু এখন সুস্থ সমাজ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰে। চহৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কামত জড়িত সকলো লোককে নিজৰ স্বাস্থ্যৰ প্ৰতি সজাগ হৈ মাস্ক আৰু গ্লাভছ পৰিধান কৰি সুৰক্ষা বিধি মানি চলিবলৈ আহ্বান জনায়। মাৰোৱাৰী যুৱ মঞ্চৰ উপদেষ্টা তথা সাংবাদিক অমিত নাগৰীয়েও অনুষ্ঠানত বক্তব্য প্ৰদান কৰি সকলোকে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাবলৈ আহ্বান জনায়। লগতে দৈনিক চাফ-চিকুণতাৰ কাম সম্পূৰ্ণ কৰি ঘৰলৈ উভতি অহাৰ পিছত হাত-ভৰি ভালদৰে ধোৱাৰ বাবে তেওঁ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত মাৰোৱাৰী যুৱ মঞ্চৰ সদস্য মোহিত আগৰৱালা, চন্দনী তায়াল, প্ৰিয়াংশী নাওকা আৰু অনিতা নাগৰীয়ে হৰিজন কলনীত উপস্থিত লোকসকলৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। অনুষ্ঠানত প্ৰৱেশ বাচফৰ আৰু সঞ্জয় বাচফৰ উপস্থিত থাকে। কাৰ্যসূচীৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্য সুৰক্ষা আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়।

# মাজুলী মহাবিদ্যালয়ত জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সাহায্যত বিশেষ বক্তৃতামালা সম্পন্ন




**অসম বাৰ্তা, মাজুলী, ৭ অক্টোবৰ** ঃ মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথম প্ৰতিষ্ঠান মাজুলী মহাবিদ্যালয়ত আজি জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সাহায্যত তথা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগত এখন বিশেষ বক্তৃতামালা অনুষ্ঠিত হয়। বক্তৃতামালাত আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপকদ্বয় ডঃ বিজয় নেওগ, ড° পংকজ চেতিয়া আৰু মাজুলী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহঃ অধ্যাপক ড° মহঃ আমিনুল ইছলাম। আৰম্ভণিতে সহঃ সমন্বয়ক ড° জুলি গগৈয়ে সকলোকে আদৰণি জনায়। অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই বক্তৃতামালাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে সমবেত সকলোকে অৱগত কৰাৰ লগতে মহাবিদ্যালয়খনত এনে অনুষ্ঠান আয়োজনৰ সুবিধা প্ৰদান কৰা বাবে সংশ্লিষ্ট বিভাগক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতেই অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁয়ে আমন্ত্ৰিত অতিথিসকলৰ পৰিচয় দাঙি ধৰে। বক্তৃতামালাৰ সমন্বয়ক ড° মহঃ আমিনুল ইছলামে নিজৰ বক্তব্যত বিষয়বস্তু সম্পৰ্কত বিস্তৃত ব্যাখ্যা প্ৰদান কৰে। আমন্ত্ৰিত অতিথিৰ প্ৰথমটো বক্তৃতাত অধ্যাপক ড° বিজয় নেওগে অসমৰ থলুৱা বিভিন্ন ফলমূলৰ গুণাগুণ সম্পৰ্কে ব্যাখ্যা কৰি এইসমূহ সংৰক্ষণৰ বাবে ল'ব পৰা পদক্ষেপসমূহ সকলোকে অৱগত কৰে। লগতে বৰ্তমান প্ৰায় হেৰাই যোৱাৰ দৰে বিভিন্ন ফলৰ বিষয়ে উল্লেখ কৰি এবাৰ বিলুপ্ত হৈ গ'লে এইসমূহ উদ্ধাৰ কৰা প্ৰায় অসম্ভৱ বুলি মন্তব্য কৰে। দ্বিতীয় বক্তৃতাত অধ্যাপক ড° পংকজ চেতিয়াই বৰ্তমান সময়ত বাঢ়ি অহা এণ্টিবায়টিক প্ৰতিৰোধী বেক্টেৰিয়াসমূহে কিদৰে জীৱদেহৰ ক্ষতি কৰিছে তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। খেতি-বাতিত ব্যৱহৃত ৰাসায়নিক পদাৰ্থৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰকাৰৰ আৱৰ্জনাৰ জৰিয়তে এই বেক্টেৰিয়াসমূহৰ বৃদ্ধিৰ বিষয়ে উল্লেখ কৰি এই বিষয়ত বৰ্তমানে চলি থকা গৱেষণাসমূহৰ বিষয়ে তেওঁ ব্যাখ্যা কৰে। বক্তৃতাৰ পিছতেই মাজুলী মহাবিদ্যালয়ৰ লগতে অনুষ্ঠানত উপস্থিত থকা পি.এম.শ্ৰী.চি.এচ. ৰাৱণাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জেংৰাই মুখ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত আমন্ত্ৰিত অতিথিসকল অন্তৰংগ আলাপত মিলিত হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, অধ্যাপক ডঃ অনুপ কুমাৰ দলে, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° অনন্যা বৰুৱা, আচাৰ্য মোহন দাস, কংকন বৰদলৈ, ড° বিশাল ভূঞা, ড° দিগন্ত হাতীবৰুৱা, ড° দিব্যজ্যোতি বৰা, প্ৰজ্ঞা পাৰমিতা কৌশিক, ড° শ্বাহনাজ আহমেদ, জাহ্নৱী বৰুৱা, বুবুল বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰি দ্বিশতাধিক অংশগ্ৰহণকাৰী উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ইন্দিৰা বড়াই।

# অসমৰ লগতে ভাৰতবৰ্ষ আৰু বিদেশী ৰাষ্ট্ৰৰ থলুৱা উদ্যোগৰ অংশগ্ৰহণেৰে গোলাঘাট আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা আৰম্ভ

## 'থলুৱা উদ্যোগ আৰু উদ্যমিতাক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত এনে বাণিজ্য মেলাৰ গুৰুত্ব অপৰিসীম' ঃ মন্ত্ৰী অতুল বৰা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ অক্টোবৰ** ঃ অসমৰ ক্ষুদ্ৰ উদ্যোগক উৎসাহিত কৰাৰ লগতে স্বাৱলম্বী কৰাৰ উদ্দেশ্যে আগত ৰাখি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য বিভাগৰ অধীনস্থ অসম বাণিজ্য উন্নয়ন সংস্থাৰ উদ্যোগত গোলাঘাটত কালিৰে পৰা অনুষ্ঠিত হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বাণিজ্য মেলা। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই বাণিজ্য মেলা আনুষ্ঠানিকভাৱে মুকলি কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আবকাৰী, সীমান্ত উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই। বাণিজ্য মেলা মুকলি কৰি মন্ত্ৰী অতুল বৰাই কয় থলুৱা উদ্যোগ আৰু উদ্যমিতাক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত এনে বাণিজ্য মেলাৰ গুৰুত্ব অপৰিসীম। এই মেলাই স্থানীয় উদ্যমীসকলক নিজৰ সামগ্ৰী প্ৰদৰ্শন আৰু বজাৰ সম্প্ৰসাৰণৰ এক সুন্দৰ সুযোগ প্ৰদান কৰাৰ লগতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডক অধিক শক্তিশালী কৰি তোলাত সহায় কৰিব। ইয়াৰ জৰিয়তে আমাৰ যুৱক-যুৱতীসকলৰ বাবেও নতুন কৰ্মসংস্থাপনৰ সম্ভাৱনাৰ সৃষ্টি হ'ব। মন্ত্ৰী বৰাই ৰাইজক মেলালৈ আহি আমাৰ থলুৱা উদ্যমীসকলক উৎসাহিত কৰাৰ লগতে স্থানীয় উদ্যোগ আৰু সামগ্ৰীক আগুৱাই নিয়াৰ এই প্ৰয়াসৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। বাণিজ্য মেলা উদ্বোধনী অনুষ্ঠানত কাজিৰঙা লোকসভা লোকসভা সমষ্টিৰ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁও আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক ক্ৰমে বিশ্বজিৎ ফুকন, ড° মৃদুল কুমাৰ দত্ত উপস্থিত থাকে। আনহাতে এই বাণিজ্য মেলাৰ মুকলি অনুষ্ঠানত উপস্থিত থাকি অসম বাণিজ্য উন্নয়ন সন্থাৰ অধ্যক্ষ সুনীল ডেকাই কয় অসম বাণিজ্য উন্নয়ন সন্থাৰ উদ্যোগত গোলাঘাটত প্ৰথমবাৰৰ বাবে বাণিজ্য মেলা মুকলি কৰা হ'ল। ৯০ খনৰো অধিক প্ৰতিষ্ঠানে ইয়াত অংশগ্ৰহণ কৰিছে। বিশেষকৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ যেনে কাশ্মীৰ, পাঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, গুজৰাট, আদিৰ লগতে ডুবাইৰ প্ৰতিষ্ঠানে মেলাত অংশগ্ৰহণ কৰিছে। অসমৰ থলুৱা উদ্যোগৰ ৩০টা প্ৰতিষ্ঠানে ইয়াত অংশগ্ৰহণ কৰিছে। তেওঁলোকৰ হস্ত নিৰ্মিত বোৱা সামগ্ৰীৰ লগতে বিভিন্ন ধৰণৰ সামগ্ৰী ইয়াত আনিছে। গোলাঘাটৰ ৰাইজে থলুৱা উৎপাদিত সামগ্ৰী সমূহ ক্ৰয় কৰি তেওঁলোকক উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰে ডেকাই। ডেকাই লগতে প্ৰকাশ কৰে ইয়াৰ পূৰ্বে অসমৰ বিভিন্ন প্ৰান্তত এনেধৰণৰ বাণিজ্য মেলা আয়োজন কৰিছিলোঁ। তাত আমাৰ থলুৱা উদ্যোগীসকলে বহু পৰিমাণে ধন উপাৰ্জন কৰিব পাৰে। আমাৰ প্ৰতিখন বাণিজ্য মেলাত দুইৰ পৰা তিনি কোটি টকাৰ ব্যৱসায় কৰা হয়। নলবাৰী ৰাস মহোৎসৱত আমাৰ বাণিজ্য মেলাত ছয় পৰা সাত কোটি টকাৰ ব্যৱসায় কৰে। আমাৰ থলুৱা উদ্যোগীসকলে এই বাণিজ্য মেলাৰ জৰিয়তে কিছু পৰিমাণে সকাহ লাভ কৰিবলৈ সক্ষম হয়। আমাৰ এই বাণিজ্য মেলাৰ জৰিয়তে অসমৰ থলুৱা উদ্যোগীসকলে নিজৰ ভাতমুঠি যোগাৰ কৰাৰ উপৰিও আন ১৫জন নিবনুৱা যুৱক যুৱতীক সংস্থাপন দিবলৈ সক্ষম হৈছে। চৰকাৰৰ যি লক্ষ্য আৰু উদ্দেশ্য যে অসমৰ থলুৱা উদ্যোগীসকল উপকৃত হওক তেনে উদ্দেশ্য আগত ৰাখি এই বাণিজ্য মেলা আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উদ্যোগী কৰণৰ ক্ষেত্ৰত এক নতুন জাগৰণৰ সৃষ্টি হৈছে বুলিও তেওঁ কয়। উদ্বোধনী অনুষ্ঠানত অসমৰ প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী ধনমায়া চেত্ৰী আৰু গোলাঘাটৰ জ্যেষ্ঠ সংগীত শিল্পী নিবেদিতা বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে কালিৰে পৰা আৰম্ভ হোৱা এই বাণিজ্য মেলা অহা ১৮ অক্টোবৰলৈকে অব্যাহত থাকিব।

# সপ্তম মৃত্যুতিথিত ভোগপুৰ সত্ৰৰ বুঢ়াভকত ৰতিৰাম বৰা বৰআলধৰাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, মাজুলী, ৭ অক্টোবৰ** ঃ মাজুলীৰ ঐতিহ্যমণ্ডিত ভোগপুৰ সত্ৰৰ 'আধ্যাত্মিক মুকলি মঞ্চ'ৰ উদ্যোগত আজি প্ৰয়াত বুঢ়াভকতৰ ৰতিৰাম বৰা বৰআলধৰাৰ সপ্তম বাৰ্ষিক তিথিৰ সৈতে সংগতি ৰাখি এক স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। এই উপলক্ষে সত্ৰীয়া পৰম্পৰা অনুসৰি পুৱাৰ ভাগত ধৰ্মীয় কাৰ্যসূচীৰে সত্ৰৰ কীৰ্তন-ঘৰত যথাৰীতি নাম-প্ৰসংগাদি মাংগলিক কৰ্ম সম্পন্ন কৰাৰ পাছত ১১ বজাৰ পৰা সত্ৰৰ 'আধ্যাত্মিক মুকলি মঞ্চ'ত আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানত ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী প্ৰমুখ্য উপস্থিত ভক্ত-বৈষ্ণৱে ৰতিৰাম বৰা বুঢ়াভকতৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠান শুভাৰম্ভ কৰে। অনুষ্ঠানত বক্তৃতা আগবঢ়াই সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে কয়, "বৃহত্তৰ ভোগপুৰ অঞ্চলটোৰ এগৰাকী সৎ সাহসী দানবীৰ আৰু সমাজৰ স্বচ্ছতা প্ৰতি সদায় সজাগ দৃষ্টি ৰখা ব্যক্তি ৰতিৰাম বৰা বৰআলধৰা বুঢ়াভকত যেনেদৰে সুনিপুণ অভিনয় শিল্পী আছিল, তেনেদৰে সত্ৰৰ তিনিগৰাকী অধিকাৰ ক্ৰমে কোষেশ্বৰদেৱ গোস্বামী, ভৱকান্তদেৱ গোস্বামী আৰু বৰ্তমানৰ অধিকাৰৰ বৰআলধৰাৰ দায়িত্ব নিৰ্বহনৰ যোগেদি গুৰুধৰ্ম পালন কৰিছিল। সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আৰু সমাজ জীৱনৰ প্ৰতি থকা দায়বদ্ধতা সকলোৱে শ্ৰদ্ধাসহকাৰে স্মৰণ কৰিবই লাগিব বুলিও সত্ৰাধিকাৰগৰাকীয়ে উল্লেখ কৰে। ৰামধনু শতদল শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্ত আৰু ভোগপুৰ সত্ৰৰ ডেকাধিকাৰ উৎপল মহন্তই আঁত ধৰা অনুষ্ঠানত প্ৰয়াত বৰআলধৰা বুঢ়াভকতৰ স্মৃতিত প্ৰফুল্লপ্ৰাণ মহন্ত, লক্ষ্মণ বৰগায়ন, গোপীনাথ বৰগায়ন, ডিম্বেশ্বৰ বৰা বায়ন, সদানন্দ দোলাকাষৰীয়া, পুলিন বৰা, দধিৰাম বৰুৱা, মণিৰাম পাচনী, ড° দেৱজিৎ শইকীয়া, হেম হাজৰিকা, কমল চন্দ্ৰ কলিতা, ভূপেন বৰা, কৃষ্ণকান্ত ফুকন, কৃষ্ণৰাম ভূঞা গায়ন, খগেন শইকীয়া, নাৰায়ণ তিনিচুকীয়াৰ তিলেশ্বৰ হাজৰিকা, নাৰায়ণ ডেকা, যোগেন দত্ত, ডিম্বেশ্বৰ দত্ত, ৰাজীৱ দাস, তিলক ৰাজখোৱা প্ৰমুখ্য ৯০ গৰাকী স্থানীয় লোকক অংগবস্ত্ৰ, নিৰ্মাল্য, অৰিহণা আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ৰতিৰাম বৰা বুঢ়াভকত বৰআলধৰাৰ স্মৃতিচাৰণ কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া আৰু পটীয়া শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দধিৰাম বৰুৱাই বৰআলধৰাৰ বহুমুখী প্ৰতিভা সম্পৰ্কে চমুকৈ অৱলোকন কৰে। অনুষ্ঠানৰ শেষত ডেকাধিকাৰ উৎপল মহন্তই শলাগৰ শৰাই আগবঢ়ায়।

গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা

# "পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত ৰখাৰ মানসিকতাই সৰ্বনাশ কৰিছে আজিৰ সমাজ ব্যৱস্থা"

## সাহিত্যিক-উপন্যাসিক জনাৰ্দন গোস্বামীৰ 'জানা যেন কল্পতৰু' উন্মোচন




**অসম বাৰ্তা, গহপুৰ, ৭ অক্টোবৰ ঃ** উত্তৰ অসমৰ শৈক্ষিক ক্ষেত্ৰৰ অন্যতম আগশাৰীৰ প্ৰতিষ্ঠিত শৈক্ষিক প্ৰতিষ্ঠান গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনত আজি অসমৰ বিশিষ্ট কবি, সাহিত্যিক তথা উপন্যাসিক জনাৰ্দন গোস্বামীৰ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু আদৰ্শক আধাৰ কৰি ৰচনা কৰা জীৱনীমূলক গ্ৰন্থ 'জানা যেন কল্পতৰু' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ উপযোগীকৈ ৰচনা কৰা গ্ৰন্থখন উন্মোচন কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড° হিতেশ ডেকাই। শংকৰদেৱ শিক্ষা নিকেতনৰ মুখ্য পৃষ্ঠপোষক স্বৰ্ণপ্ৰভা গোস্বামীয়ে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। শংকৰদেৱ শিক্ষা নিকেতনৰ সভাপতি উদয় আদিত্য গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত ড° হিতেশ ডেকাই সাম্প্ৰতিক সমাজ ব্যৱস্থাত ক্ৰমাৎ হ্ৰাস পোৱা মানৱীয় প্ৰমূল্যবোধ, যুৱ উচ্ছৃংখলতা আৰু সংস্কাৰৰ অৱক্ষয়ক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ড° ডেকাই কয় যে বৰ্তমানৰ সমাজ ব্যৱস্থা দ্ৰুতগতিত এক উদ্বেগজনক দিশলৈ গতি কৰিছে। যুৱ প্ৰজন্মৰ মাজত উচ্ছৃংখলতা বৃদ্ধি পোৱাৰ লগতে মানৱীয় প্ৰমূল্যবোধ আৰু পাৰিবাৰিক সংস্কাৰ ক্ৰমাৎ হ্ৰাস পাইছে। আনকি পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত ৰখাৰ মানসিকতাও সমাজত বৃদ্ধি পোৱা বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে যিখন অসমত দৈনিক ১২ কোটি টকাৰ সুৰা বিক্ৰী হয়, যিখন গুৱাহাটীত নৱবৰ্ষ উদযাপনৰ নামত ১৩ কোটি টকাৰ সুৰা বিক্ৰী এহয়, যিখন গুৱাহাটীত মাঘ বিহুৰ উৰুকাৰ নিশা ১৪ কোটি টকাৰ সুৰা বিক্ৰী হয়, সেইখন অসমৰ সমাজ ব্যৱস্থা কোন দিশে গতি কৰিছে সেয়া সহজেই অনুমান কৰিব পাৰি। গুটখা, ড্ৰাগছ, সুৰা আদিৰ প্ৰতি একাংশ যুৱক-যুৱতী, ছাত্ৰ ছাত্ৰীৰ ক্ৰমবৰ্ধমান আসক্তিৰ ফলত সমাজত এক বিষাক্ত পৰিৱেশ সৃষ্টি হোৱা বুলিও ড° ডেকাই উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে আজিৰ সময়ত সম্ভ্ৰান্ত আৰু শিক্ষিত পৰিয়ালৰ বহু পুত্ৰ-কন্যায়ো পিতৃ-মাতৃৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন নকৰা পৰিলক্ষিত হৈছে। ডাক্তৰ, ইঞ্জিনীয়াৰ বা উচ্চ শিক্ষাৰে শিক্ষিত হোৱাটোৱেই জীৱনৰ সফলতাৰ সম্পূৰ্ণ পৰিচয় নহয়; মানৱীয়তা, সংস্কাৰ আৰু পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধাবোধেহে শিক্ষাক সাৰ্থক কৰি তোলে। ইয়াৰ লগতে তেওঁ আক্ষেপেৰে কয় যে বহু শিক্ষিত সম্ভ্ৰান্ত পৰিয়ালত ১৪-১৫টা কোঠালিৰ বৃহৎ আৰ চি চি ঘৰ নিৰ্মাণ কৰা হয়। তাৰে কেইবাটাও কোঠা পোহনীয়া বিলাতী কুকুৰৰ বাবেও সংৰক্ষিত থাকে। কিন্তু একেখন ঘৰতে পিতৃ-মাতৃৰ বাবে এটা কোঠাৰ অভাৱ ঘটে। এনে পৰিস্থিতি সমাজৰ বাবে অত্যন্ত চিন্তনীয় বুলি তেওঁ মন্তব্য কৰে। আজিৰ সমাজ ব্যৱস্থাৰ বহু তথাকথিত শিক্ষিত সম্ভ্ৰান্ত পুত্ৰ কন্যাই নিজ পিতৃ মাতৃক বৃদ্ধাশ্ৰমত ৰখাৰ মানসিকতাই বৰ্তমানৰ সমাজ ব্যৱস্থা সৰ্বনাশ কৰি তোলা বুলি আক্ষেপ প্ৰকাশ কৰে ড° হিতেশ ডেকাই। ড° হিতেশ ডেকাই কয় যে কেৱল পুথিগত শিক্ষাই এগৰাকী মানুহক সম্পূৰ্ণ শিক্ষিত কৰি তুলিব নোৱাৰে। পুথিগত শিক্ষাৰ সৈতে সংস্কাৰ, নৈতিকতা, আধ্যাত্মিকতা আৰু মানৱীয় মূল্যবোধৰ শিক্ষা সংযুক্ত হোৱাটো অতি জৰুৰী। এই ক্ষেত্ৰত উদয় আদিত্য গোস্বামীৰ নেতৃত্বত পৰিচালিত শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰে এক ইতিবাচক ভূমিকা পালন কৰি আহিছে বুলি তেওঁ প্ৰশংসা কৰে। তেওঁ কয় যে সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ এনে এক দুৰ্বিষহ সময়ত শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰে আশাৰ ৰেঙনি কঢ়িয়াই আনিছে। পুথিগত শিক্ষাৰ সমান্তৰালভাৱে ভক্তি, সংস্কাৰ, আধ্যাত্মিকতা আৰু নৈতিক শিক্ষাৰ ওপৰত নিকেতনখনে গুৰুত্ব প্ৰদান কৰাটো অত্যন্ত আদৰণীয় পদক্ষেপ বুলিও তেওঁ উল্লেখ কৰে। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাই ড° ডেকাই কয় যে পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধাশীল হৈ, জীৱনত নৈতিকতা আৰু মানৱীয় মূল্যবোধক সাৰথি কৰি আগবাঢ়িলেহে প্ৰকৃত অৰ্থত সফলতা লাভ কৰিব পৰা যায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড°অঞ্জন কুমাৰ ওজাই সাহিত্যিক-উপন্যাসিক জনাৰ্দন গোস্বামী আৰু ড° হিতেশ ডেকাৰ কৰ্মময় জীৱন আৰু অৱদানৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মাধৱদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড°মৃগাক্ষী দত্ত, শংকৰদেৱ শিক্ষা নিকেতনৰ অধ্যক্ষ ড° ভুৱনানন্দ পাটনায়ক, সঞ্চালিকা আয়ুসী চক্ৰৱৰ্তী, অৱসৰপ্ৰাপ্ত শিক্ষক লোকেন হাজৰিকা, সমাজকৰ্মী জীৱন বৰকটকীকে ধৰি বহু বিশিষ্ট ব্যক্তি, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৱৰ জীৱন, আদৰ্শ আৰু সমাজ-দৰ্শনক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে ৰচিত 'জানা যেন কল্পতৰু' গ্ৰন্থখনৰ উন্মোচন অনুষ্ঠানটোৱে গহপুৰৰ শৈক্ষিক আৰু সাহিত্যিক পৰিৱেশত এক গুৰুত্বপূৰ্ণ পূৰ্ণ সংযোজন হিচাপে বিবেচিত হৈছে।

**গীত উন্মোচন ঃ** তেল ডিপুত কাম কৰি কঠোৰ জীৱন সংগ্ৰামৰ মাজেৰে সংগীতৰ চৰ্চা অব্যাহত ৰখা উদীয়মান কণ্ঠশিল্পী সূৰ্য্য গয়াৰীৰ এটি নতুন গীত আজি উক্ত অনুষ্ঠানত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **জন্মান্ধ ছাত্ৰ কৰুণা গগৈলৈ অৰ্থ সাহায্য ঃ** দুয়োটা চকুৰে নেদেখা বিশেষ ভাৱে সক্ষম ছয়দুৱাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ কৰুণা গগৈক আজি উক্ত অনুষ্ঠানৰ মঞ্চত কিছু আৰ্থিক সাহায্য প্ৰদান কৰি ছাত্ৰ জনৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে শংকৰদেৱ শিক্ষা নিকেতনৰ সভাপতি উদয় আদিত্য গোস্বামীয়ে। বিশেষ ভাৱে সক্ষম ছাত্ৰ কৰুণা গগৈক অনাগত শৈক্ষিক যাত্ৰাত প্ৰয়োজন অনুসৰি অৰ্থ সাহায্য আগবঢ়াই যাব বুলি উল্লেখ কৰে উদয় আদিত্য গোস্বামীয়ে।

সংগ্ৰামখন পুনৰ উজ্জীৱিত কৰাৰ পণ ৰাইজৰ

# অন্ধবিশ্বাসৰ বিৰুদ্ধে চলাই যোৱা "মিছন বিৰুবালা"ৰ কাৰ্যালয় এতিয়া হাবিৰ মাজত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৭ অক্টোবৰ ঃ** অন্ধবিশ্বাস আৰু ডাইনী প্ৰথাৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে আজীৱন সংগ্ৰাম কৰি বিশ্বজুৰি প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা পদ্মশ্ৰী ড° বিৰুবালা ৰাভাৰ স্মৃতিবিজড়িত 'মিছন বিৰুবালা'ৰ মুখ্য কাৰ্যালয় বৰ্তমান চৰম অৱহেলাৰ বলি হৈছে। ২০১০ চনত নাৰী সৱলীকৰণৰ লগতে কুসংস্কাৰ আৰু অন্ধবিশ্বাস নিৰ্মূলৰ দৃঢ় সংকল্পৰে দুধনৈৰ লেলা ৰম্ভুদাৰাত আৰম্ভ হোৱা ঐতিহাসিক আন্দোলনটোৰ মুখ্য কাৰ্যালয় ভৱনটো এতিয়া হাবি-জংঘলেৰে আবৰি পৰাত সচেতন মহলৰ মাজত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাৰী সৱলীকৰণ আৰু সামাজিক সংস্কাৰৰ প্ৰতীকস্বৰূপ এই মিছনটোৰ বাবে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ আৰ্থিক সহযোগিতাত লেলা ৰম্ভুদাৰাত এটা আটকধুনীয়া কাৰ্যালয় নিৰ্মাণ কৰা হৈছিল। একালত এই কাৰ্যালয়ৰ মজিয়াৰ পৰাই বহু পীড়িত আৰু নিপীড়িত নাৰীক আত্মনিৰ্ভৰশীলতাৰ পথ দেখুওৱাৰ লগতে ৰাজ্যজুৰি ডাইনী হত্যা কুসংস্কাৰ আৰু



অন্ধবিশ্বাসৰ বিৰুদ্ধে ধাৰাবাহিক সজাগতা অভিযান চলোৱা হৈছিল। পদ্মশ্ৰী বিৰুবালা ৰাভাৰ নেতৃত্বত চলা এই গণ-আন্দোলনত সক্ৰিয় ভূমিকা লৈছিল মিছনৰ সভাপতি উষাবালা ৰাভা আৰু সম্পাদক ডাঃ নাট্যবীৰ দাসে। অৱশ্যে অভিযোগ অনুসৰি, পৰৱৰ্তী সময়ত একাংশ স্বাৰ্থান্বেষী চক্ৰৰ কুপ্ৰভাৱ আৰু আভ্যন্তৰীণ কাৰণত আন্দোলনটোৰ কাম-কাজ স্তব্ধ হৈ পৰে। ফলত যথোচিত তত্ত্বাৱধানৰ অভাৱত বহুমূলীয়া আদৰ্শৰ প্ৰতীকস্বৰূপ কাৰ্যালয়টো পৰিত্যক্ত হৈ বৰ্তমান জহি-খহি যোৱাৰ উপক্ৰম ঘটিছে। ইফালে, পদ্মশ্ৰী ড° বিৰুবালা ৰাভাৰ ত্যাগ আৰু অন্ধবিশ্বাসবিৰোধী সংগ্ৰামক অথলে যাবলৈ নিদিয়াৰ সংকল্পৰে কাষ চাপি আহিছে অঞ্চলটোৰ সচেতন ৰাইজ। দেওবাৰে উষাবালা ৰাভাৰ পৌৰোহিত্যত লেলা ডাবলিত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মিছনটোক পুনৰ সক্ৰিয় কৰি তোলাৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত উপস্থিত ৰাইজে কাৰ্যালয়টো তৎকালীনভাৱে পুনৰুদ্ধাৰ কৰি অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ডাইনী নিৰ্যাতনৰ বিৰুদ্ধে সজাগতা অভিযান অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ পোষকতা কৰে। স্থানীয় ৰাইজৰ এই সময়োপযোগী পদক্ষেপে মহান সমাজ সংস্কাৰক গৰাকীৰ ঐতিহাসিক সংগ্ৰামখনক নতুন প্ৰাণ দিব পাৰিবনে, সেয়া লক্ষণীয় হ'ব।

মিছ সাধনী খিতাপ অৰ্জন কৰে নগাঁৱৰ বাৰপুজীয়াৰ শ্ৰীদীক্ষা ডেওৰজাই

# গোলাঘাটত 'চন্দনগিৰি'ৰ উদ্যোগত সদৌ অসম ভিত্তিত সম্পূৰ্ণ জাতীয় সাজপাৰ প্ৰতিযোগিতা 'সাধনী ৰাণী-২০২৬' সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ অক্টোবৰ ঃ** 'চন্দনগিৰি'ৰ উদ্যোগত চুতীয়া উন্নয়ন পৰিষদ, অসমৰ ব্যৱস্থাপনাত সদৌ অসম ভিত্তিত সম্পূৰ্ণ জাতীয় সাজপাৰ প্ৰতিযোগিতা 'সাধনী ৰাণী-২০২৬' গোলাঘাটৰ এমেছাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত সফলতাৰে অনুষ্ঠিত হৈ যায়। অসমৰ অন্যতম ভূমিপুত্ৰ চুতীয়াসকলৰ জাতীয় সাজপাৰক সৰ্বভাৰতীয় পৰ্যায়ত চিনাকি কৰি দিয়াৰ ক্ষুদ্ৰতম প্ৰয়াস হিচাপে অনুষ্ঠিত কৰা প্ৰতিযোগিতাখনি চুতীয়া ৰাজ্যৰ শেষৰগৰাকী ৰাণী বীৰাংগনা সাধনী আৰু ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শুভাৰম্ভ কৰে ক্ৰমে সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ মুখ্য উপদেষ্টা অমিয় কুমাৰ বৰা আৰু দেউৰী চুতীয়া সাহিত্য সভাৰ সভাপতি প্ৰতাপ নেওগে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত 'চুতীয়া জনগোষ্ঠীৰ সংস্কৃতিৰ উত্তৰণত ভৱিষ্যত পৰিকল্পনা' শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰে অমিয় কুমাৰ বৰাই। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা মধুমাধৱ শইকীয়াই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি আৰু আলোচক হিচাপে ক্ৰমে সদৌ চুতীয়া জাতি সন্মিলন, অসমৰ সভাপতি বিবুল হাজৰিকা, উপ সভাপতি কুবেৰ কাঠবৰা, সাধাৰণ সম্পাদকদ্বয় নৃপেন শইকীয়া, দেৱজ্যোতি শইকীয়া, চুতীয়া জাতি যুৱ সন্মিলন, অসমৰ সভাপতি কৌস্তভ কিশোৰ চুতীয়া, উপ-সভাপতি অজিত বৰা, চুতীয়া যুৱ পৰিষদ, অসমৰ সভাপতি শ্যামলজ্যোতি বৰা, সাধাৰণ সম্পাদক মৃদুপৱন শইকীয়া, গোলাঘাট জিলা সমিতিৰ সভাপতি, সম্পাদক ৰমেন চুতীয়া সম্পাদক অপু শইকীয়া, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় অসীম শইকীয়া, গোলাঘাট জিলা সমিতিৰ উপদেষ্টা ৰিতু শইকীয়া, সভাপতি পাপু শইকীয়া, সম্পাদক মানসজ্যোতি শইকীয়া, চুতীয়া জাতি, অসমৰ মহিলা সন্মিলনৰ কুমকুম বৰা, কমলা শইকীয়া, সাবিত্ৰী শইকীয়া, মলয়া শইকীয়া, গীতিমনি বৰা, গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি নগেন বৰা, গোলাঘাট মিডিয়া ফ'ৰামৰ সভাপতি দিগন্ত কুমাৰ বৰা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞা, 'হালোৱা কবি' ৰূপে খ্যাত দণ্ডিৰাম বৰা, দেউৰী চুতীয়া সাহিত্য সভাৰ সম্পাদক যতীন শইকীয়া, বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ত্ৰিবেদী চুতীয়া, গোলাঘাট চুতীয়া জাতি সন্মিলনৰ কাৰ্যকৰী সভাপতি কেশৱ শইকীয়া, সম্পাদক কিনাৰাম শইকীয়া আদি উপস্থিত থাকে। সন্ধিয়া বৰহোলাৰ চুতীয়া জনগোষ্ঠীয় 'ৰণুৱা নাচ', গোলাঘাটৰ সতফুল টকা বিহু দলে অনুষ্ঠান পৰিৱেশন কৰাৰ পিছতে অনুষ্ঠিত হোৱা সাজপাৰ প্ৰতিযোগিতা উদ্বোধন কৰে বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড°অন্তৰা বৰাই। 'চন্দনগিৰি'ৰ মুখ্য আহ্বায়ক প্ৰদ্যুৎ ৰঞ্জন বৰাই পৰিচালনা কৰা সাজপাৰ প্ৰতিযোগিতাখনিত মুখ্য বিচাৰক হিচাপে উপস্থিত থাকে চুতীয়া সংস্কৃতিৰ মুখ্য প্ৰশিক্ষক অংশুমান শইকীয়া, অংকিতা বৰা, সৰ্বভাৰতীয় পৰ্যায়ৰ মডেলাৰ থানেশ্বৰ ৰবি, মিলনজ্যোতি বুঢ়াগোহাঁই, অভিজিৎ দত্ত, আপি ভট্টাচাৰ্য আৰু মধুস্মিতা শৰ্মা। অসমৰ বিভিন্ন প্ৰান্তৰৰ ৫০ ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত Miss সাধনী-২০২৬ খিতাপ অৰ্জন কৰে নগাঁও জিলাৰ বাৰপুজীয়াৰ শ্ৰীদীক্ষা দীক্ষা ডেওৰজাই। Mrs সাধনী -২০২৬ খিতাপ লাভ কৰে সৰুপথাৰ সম জিলাৰ বৰপথাৰৰ তিলোত্তমা শইকীয়া দত্তই। Mr ৰত্নধ্বজ খিতাপ অৰ্জন কৰে চুঙাজানৰ প্ৰকাশ বৰুৱাই। অন্যহাতে Including Kids খিতাপ লাভ কৰে গোলাঘাটৰ শান্তিপুৰৰ নাহিদ ৰহমানে।

# ডিব্ৰুগড়ত 'আখৰ'ৰ উদ্যোগত কবি, সাহিত্যিক ড° সত্যকাম বৰঠাকুৰৰ সৈতে আত্মচিন্তন আৰু সচেতনতাৰ এক অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৭ অক্টোবৰ ঃ** অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত প্ৰভা খেতান ফাউণ্ডেচনে ডিব্ৰুগড়ৰ চিগনেট ইনত আয়োজন কৰা "আখৰ"ৰ শেহতীয়া অধিবেশনত বিশিষ্ট অসমীয়া কবি, প্ৰবন্ধকাৰ আৰু সাহিত্য-সমালোচক ড°সত্যকাম বৰঠাকুৰৰ সৈতে এক চিন্তাউদ্ৰেককাৰী আলাপ অনুষ্ঠান যোৱা ৫ অক্টোবৰৰ নিশা অনুষ্ঠিত হয়। অনুষ্ঠানটোৱে ডিব্ৰুগড়ৰ সাহিত্যপ্ৰেমীসকলক চিন্তাশীল কথোপকথন, আলাপ-আলোচনা আৰু আত্মচিন্তনৰ সন্ধিয়াত একত্ৰিত কৰে। অধিবেশনৰ আৰম্ভণিতে ডিব্ৰুগড়ৰ প্ৰীতি বাগ্ৰড়িয়াই আদৰণি ভাষণ আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সত্যকাম বৰঠাকুৰে সাহিত্যিক দৰ্পণজিৎ কোঁৱৰৰ সৈতে কথোপকথনত অংশগ্ৰহণ কৰে। আলোচনা আগবঢ়াৰ লগে লগে ই ক্ৰমান্বয়ে ধ্যান-ধাৰণা, দৃষ্টিভংগী আৰু লেখকজনৰ সাহিত্যিক যাত্ৰাৰ এক সূক্ষ্ম অন্বেষণলৈ ৰূপান্তৰিত হয়। তেওঁলোকে আঞ্চলিক সাহিত্য আৰু লেখনীৰ বিভিন্ন দৃষ্টিকোণ আলোচনা কৰে, যিয়ে শ্ৰোতাসকলৰ বাবে অনুষ্ঠানটো সমৃদ্ধিশালী অভিজ্ঞতালৈ পৰিণত কৰে। সন্ধিয়াটো শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ এক নিদৰ্শনৰে সমাপ্তিৰ ফালে আগবাঢ়ে। লেখক সত্যকাম বৰঠাকুৰক দেৱী প্ৰসাদ বাগ্ৰড়িয়াই আৰু কথোপকথনকাৰী দৰ্পণজিৎ কোঁৱৰক অধ্যাপক কে.কে. ডেকাই ধোকৰাৰে নিৰ্মিত সুন্দৰ উপহাৰ প্ৰদান কৰি সংবৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত শ্ৰোতাসকলৰ সক্ৰিয় অংশগ্ৰহণ পৰিলক্ষিত হয়। এক আন্তঃক্ৰিয়াশীল পৰ্বত বহুতো অন্তৰ্দৃষ্টিপূৰ্ণ প্ৰশ্ন আৰু উত্তৰ আদান-প্ৰদান হয়। ডিব্ৰুগড়ৰ এহছাছ ৰমেন, তৃষ্ণা দেউৰাই শলাগ শৰাই আগবঢ়ায়। আখৰৰ জৰিয়তে ফাউণ্ডেচনে প্ৰধানকৈ আঞ্চলিক ভাষাত লিখা ভাৰতীয় লেখকসকলক প্ৰচাৰ-প্ৰসাৰ কৰে। ইয়াৰ লক্ষ্য হৈছে আমাৰ আঞ্চলিক শিপাৰ সমৃদ্ধি অন্বেষণ কৰা আৰু সাহিত্যৰ প্ৰকৃত আত্মাক সমাদৰ কৰা। প্ৰভা খেতান ফাউণ্ডেচন হৈছে কলকতাত অৱস্থিত এক অলাভজনক ট্ৰাষ্ট, যাক ১৯৮০ চনৰ দশকত বিশিষ্ট ভাৰতীয় সাহিত্যিক, উদ্যোগী, পৰোপকাৰী, সমাজকৰ্মী আৰু নাৰীবাদী স্বৰ্গীয়া ড° প্ৰভা খেতানে প্ৰতিষ্ঠা কৰিছিল। বৰ্তমান এই সংগঠনে দেশৰ পঞ্চাশটাতকৈ অধিক নগৰ আৰু বিশ্বজুৰি কলা, সংস্কৃতি, শিক্ষা, বন্যপ্ৰাণী সংৰক্ষণ আৰু সাহিত্য প্ৰসাৰৰ ক্ষেত্ৰত কাম কৰি আছে। ফাউণ্ডেচনে ইয়াৰ 'অপনী ভাষা অপনে লোগ' অভিযানৰ জৰিয়তে ভাৰতৰ বহুসাংস্কৃতিক বৈচিত্ৰ্যৰ এক আত্মিক সংমিশ্ৰণ প্ৰতিফলিত কৰে। বৈচিত্ৰ্যৰ মাজত একতাৰ ভাৱনাৰে পৰিচালিত হৈ চাৰি দশকৰো অধিক সময় ধৰি ই লেখক, চিন্তাবিদ, শিল্পী আৰু উৎসাহীসকলক প্ৰশংসনীয় সংলাপ আৰু সম্পৃক্ততাৰ জৰিয়তে একত্ৰিত কৰি স্বকীয় সাহিত্যিক আৰু সাংস্কৃতিক অভিজ্ঞতা আয়োজন কৰি আহিছে। ফাউণ্ডেচনে বিভিন্ন সাহিত্যিক কাৰ্যসূচী আয়োজন কৰে, যেনে— হিন্দীত 'কলম', ইংৰাজীত 'অ্যান অথৰ'ছ আফটাৰনুন' আৰু 'দ্য ৰাইট চাৰ্কল', উৰ্দু, আৰবী আৰু ফাৰ্চীত 'লফ্জ', আঞ্চলিক ভাষাত 'আখৰ', আৰু গ্ৰন্থ মোচনৰ বাবে 'কিতাব' কলা-সংগীত-সংস্কৃতিৰ বাবে 'সুৰ আৰু সাজ' আৰু 'এক মুলাকাত' আদি অন্য কাৰ্যসূচীও ইয়াৰ অন্তৰ্ভুক্ত।

চুৰি সামগ্ৰীসহ চোৰ ৰাহুল দাসক গ্ৰেপ্তাৰ আমিনগাঁও আৰক্ষীৰ

# আমিনগাঁও বামুণীগাঁৱত নিৰ্মাণাধীন ঘৰৰ পৰা তামৰ তাঁৰ চুৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ অক্টোবৰ ঃ** আমিনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত বামুণীগাঁৱত এক চাঞ্চল্যকৰ চুৰিকাণ্ডৰ ঘটনা পোহৰলৈ আহিছে। অঞ্চলটোৰ এটা নিৰ্মাণাধীন ঘৰত সংস্থাপন কৰা তামৰ বৈদ্যুতিক তাঁৰ কাটি চুৰি কৰাৰ অভিযোগত আৰক্ষীয়ে ৰাহুল দাস নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি ৫ অক্টোবৰৰ ৰাতিপুৱা স্থানীয় বাসিন্দা আনন্দ ৰাম বড়োৱে বামুণীগাঁৱত থকা তেওঁৰ নিৰ্মাণাধীন ঘৰটোলৈ গৈ সমগ্ৰ চুৰিকাণ্ডৰ বিষয়ে জানিব পাৰে। কোনো অচিনাকি দুস্কৃতিকাৰীয়ে ঘৰটোৰ ফলছ চিলিং ভাঙি নৱসংস্থাপিত তামৰ বৈদ্যুতিক তাঁৰসমূহ কাটি লৈ যায়। ঘটনা সন্দৰ্ভত গৃহস্থ আনন্দ ৰাম বড়োৱে লগে লগে আমিনগাঁও আৰক্ষী চকীত উপস্থিত হৈ এখন এজাহাৰ দাখিল কৰে। ইফালে, উক্ত দিনৰে পুৱাৰ ভাগত সন্দেহজনকভাৱে ঘূৰি ফুৰা অৱস্থাত আমিনগাঁও আৰক্ষীয়ে ৰাহুল দাস নামৰ যুৱকজনক কিছু পৰিমাণৰ তামৰ তাঁৰসহ আটক কৰিবলৈ সক্ষম হয়। পাছত আৰক্ষীয়ে উদ্ধাৰ কৰা তাঁৰসমূহ অভিযোগকাৰীক দেখুওৱাত তেওঁ সেইবোৰ নিজৰ ঘৰৰ পৰা চুৰি হোৱা সামগ্ৰী বুলি নিশ্চিতভাৱে চিনাক্ত কৰে। আৰক্ষীৰ দলটোৱে অভিযুক্ত ৰাহুলক লগত লৈ ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত সম্পন্ন কৰে। অভিযোগকাৰীয়ে প্ৰকাশ কৰা মতে, চুৰি হোৱা তাঁৰৰ মূল খৰচ, সংস্থাপন আৰু ফলছ চিলিং ভাঙি পুনৰ মেৰামতি কৰাৰ ফলত তেওঁৰ ভালেখিনি টকাৰ ক্ষতি হব বুলি উল্লেখ কৰে। এই ঘটনা সন্দৰ্ভত হাজো আৰক্ষী থানাত বি.এন.এছ. (BNS) ৰ ৩৩১(৪)/৩০৫(এ) ধাৰাৰ অধীনত ৪৯৬/২০২৬ নম্বৰত এক গোচৰ ৰুজু কৰি অভিযুক্ত ৰাহুল দাসক গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে সম্প্ৰতি ঘটনাৰ অধিক তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# কল্যাণীত বুধিন শইকীয়াৰ স্মৃতিত অনাতাঁৰ শিল্পী মঞ্চৰ শাৰদীয় এসন্ধ্যা

**অসম বাৰ্তা, নিমাতীঘাট, ৭ অক্টোবৰ ঃ** যোৰহাটৰ অনাতাঁৰ শিল্পী মঞ্চই ৪ অক্টোবৰৰ সন্ধিয়া মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি বুধিন শইকীয়াৰ সোঁৱৰণত কল্যাণী সমাজ কল্যাণ কেন্দ্ৰত গীত - মাতৰ শাৰদীয় এসন্ধ্যা অনুষ্ঠান অনুষ্ঠিত কৰে। বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান উদ্বোধন কৰে বুধিন শইকীয়াৰ পৰিবাৰ তথা অনাতাঁৰ শিল্পী মিণ্টুমণি শইকীয়াই। মঞ্চৰ সভাপতি ৯৬ বছৰীয়া নিত্যৰঞ্জন বৰঠাকুৰ সহ অনুষ্ঠানত উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি বৈকুণ্ঠ মহন্ত, কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ সভাপতি অশোক বৰা, সম্পাদক সীমান্ত দত্ত, কল্যাণী বাল্য ভৱন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়া, সম্পাদক নিযুত কুমাৰ দত্ত, প্ৰবীণ সাংস্কৃতিক কৰ্মী লক্ষ্মী দত্ত, সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। মঞ্চৰ সম্পাদক কেশৱ চন্দ্ৰ বৰা আৰু সাংস্কৃতিক সম্পাদক মিহিৰজ্যোতি বেজবৰুৱাই পৰিচালনা কৰা অনুষ্ঠানত ৰূপাময়ী দত্ত, আৰাধ্যা অন্বেষণ, অনিসা হাজৰিকা, মিহিৰজ্যোতি বেজবৰুৱা, হীমা ৰাণী কলিতা, মমতা বৰঠাকুৰ, ডাঃ দেৱজ্যোতি শৰ্মা, নিকু শৰ্মা, আশিস বৰা, প্ৰতীসা বৰা, পংকজজ্যোতি বৰুৱা, ঊষা বৰা, কেশৱ বৰা, প্ৰীতম দত্ত, যুগান্তৰ কাশ্যপে গীত পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানত অঞ্চলটোৰ বহু সংখ্যক সাংস্কৃতিকপ্ৰেমী উপস্থিত থাকে।

# ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ ইৰাজী অনুদিত গ্ৰন্থ "হোৱেৰ লাইফ গ'জ চাৰচিং ফৰ লাভ"

## উন্মোচন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকাৰ

**অসম বাৰ্তা, ডিব্ৰুগড়, ৭ অক্টোবৰ ঃ** ইন্দিৰা মিৰি আলোচনা কক্ষত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰাধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়াৰ ৰচিত এমুঠি কবিতা প্ৰাধ্যাপক মৃদুল বৰদলৈয়ে কৰা অনুদিত ইংৰাজী গ্ৰন্থ "হোৱেৰ লাইফ গ'জ চাৰচিং ফৰ লাভ" উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাই। ভাষণ প্ৰসংগত উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাইগ্ৰন্থৰ প্ৰণেতা তথা উপাচাৰ্য জ্যোতিপ্ৰসাদ শইকীয়াই শৈক্ষিক দক্ষতাৰ সমান্তৰালকৈ বৰ্তাই ৰখা সাহিত্যিক ওজস্বিতাক প্ৰশংসা কৰে। বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিভাগীয় মুৰব্বী প্ৰাধ্যাপক নাছমিম ফাৰহীন আখতাৰ আদৰণি ভাষণ আগবঢ়োৱা সভাখনত বন্তিপ্ৰজ্বলনেৰে শুভাৰম্ভ কৰে দুয়োগৰাকী উপাচাৰ্যই। "পয়ট্ৰি এণ্ড ট্ৰেনশ্লেচন ইন দা এজ অৱ




আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ"- বিষয়ত কবিতাৰ নৈসৰ্গিকতাৰ সমান্তৰালকৈ কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত কবি, কবিতা, অনুবাদক আৰু পঢ়ুৱৈ সমাজৰ দায়বদ্ধতাক তাত্বিক দিশেৰে বিস্তৃতভাৱে বক্তব্য আগবঢ়াইজগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড°সুৰজিত শৰ্মাই। উন্মোচিত গ্ৰন্থৰ প্ৰণেতা প্ৰাধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়াই সাহিত্য সৃষ্টিত ভাষাৰ বৈপৰিত্যৰ মাজতো এগৰাকী অনুবাদকে গভীৰ অন্তৰ্দৃষ্টিৰে সাহিত্যিক এজনৰ মনৰ ভাৱ আৰু ভাষাক সমৰূপতা প্ৰদান কৰি মূল সৃষ্টিক নিখুঁতকৈ ৰখাটো একক আৰু অনন্য প্ৰতিভা হিচাপে অভিহিত কৰি "হোৱেৰ লাইফ গ'জ চাৰচিং ফৰ লাভ" গ্ৰন্থৰ অনুবাদক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাধ্যাপক মৃদুল বৰদলৈৰ শলাগ লয়। ছাত্ৰী সম্ভৱী শৰ্মাই কবিতা আবৃত্তি কৰা অনুষ্ঠানটো আঁত ধৰি ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক প্ৰিয়ংকা কাকতিয়ে উপস্থিত সকলোৰে শলাগ লৈ অনুষ্ঠানৰ সামৰণি মাৰে।

## সম্পাদকীয়

# মানৱ সভ্যতাৰ উৎকৃষ্টতা আৰু বিশ্বজনীন প্ৰভাৱ

প্ৰতি বছৰে অক্টোবৰ মাহৰ আগমনৰ লগে লগে বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ হয় আলফ্ৰেড নোবেলৰ স্মৃতিত প্ৰদান কৰা বিশ্বৰ আটাইতকৈ সন্মানীয় পুৰস্কাৰ ‘নোবেল বঁটা’ৰ ওপৰত। চিকিৎসা, পদাৰ্থ বিজ্ঞান, ৰসায়ন, সাহিত্য, শান্তি আৰু অৰ্থনীতি — এই ছয়টা বিশেষ ক্ষেত্ৰত মানৱ সমাজলৈ অনবদ্য অৱদান আগবঢ়োৱা গুণী ব্যক্তিসকলক এই বঁটাৰে ভূষিত কৰা হয়। ২০২৬ বৰ্ষৰ নোবেল বঁটাৰ ঘোষণাইও সমগ্ৰ বিশ্বতে নতুন উৎসাহ, বৌদ্ধিক চিন্তা আৰু ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। বিজ্ঞানৰ জটিল গৱেষণাৰ পৰা আৰম্ভ কৰি সাহিত্য তথা বিশ্ব শান্তিৰ ধাৰণালৈকে, এই বঁটাই মানৱ সভ্যতাৰ অগ্ৰগতিৰ দিশ প্ৰদৰ্শন কৰে।

২০২৬ চনৰ নোবেল বঁটাৰ বিভিন্ন বিভাগসমূহে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনত অহা যুগান্তকাৰী পৰিৱৰ্তনক স্বীকৃতি দিছে। চিকিৎসা বিজ্ঞানৰ বঁটাই মগজুৰ জটিল ক্ৰিয়াকলাপ পোহৰৰ সহায়ত বুজি পোৱাৰ এক নতুন দিহ নিৰ্ণয় কৰাৰ লগতে পদাৰ্থ বিজ্ঞান আৰু ৰসায়নৰ গৱেষণাই বিশ্ব ব্ৰহ্মাণ্ডৰ গভীৰ ৰহস্য আৰু আণবিক ক্ৰিয়াৰ দিশ উদঘাটন কৰিছে। এই আৱিষ্কাৰসমূহে স্পষ্ট কৰি দিয়ে যে আধুনিক গৱেষণাই কেৱল তাত্ত্বিক জ্ঞান বৃদ্ধি কৰাই নহয়, বৰঞ্চ ৰোগ নিৰাময়, প্ৰযুক্তিৰ বিকাশ আৰু নতুন শক্তি উৎসৰ সন্ধানত প্ৰত্যক্ষভাৱে সহায় কৰিছে।

বৌদ্ধিক আৱিষ্কাৰৰ উপৰিও নোবেল সাহিত্য আৰু শান্তি বঁটাই মানৱীয় মূল্যবোধ আৰু ভূ-ৰাজনৈতিক অৱস্থাক প্ৰতিফলিত কৰে। সাহিত্যৰ নোবেল বঁটাই বিশ্বৰ নিপীড়িত মানৱতা, সংস্কৃতি আৰু ভাষাৰ অধিকাৰৰ সমৰ্থনত মাত মতা ব্যক্তিত্বক ধৰা পেলায়। আনহাতে, বৰ্তমানৰ ভূ-ৰাজনৈতিক সংকট, যুদ্ধ আৰু জলবায়ু পৰিৱৰ্তনৰ ভয়াবহতাৰ সময়ত শান্তিৰ নোবেল বঁটাৰ গুৰুত্ব পূৰ্বতকৈ অধিক বৃদ্ধি পাইছে। ই বিশ্ববাসীক হিংসা পৰিহাৰ কৰি শান্তিপূৰ্ণ সহাৱস্থানৰ বাবে আহ্বান জনায়।

তথাপি, নোবেল বঁটাক লৈ সৃষ্টি হোৱা সমালোচনা আৰু বিতৰ্কৰ দিশটোকো অস্বীকাৰ কৰিব নোৱাৰি। বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিশ্লেষক সকলৰ মতে, নোবেল কমিটিৰ নিৰ্বাচন প্ৰক্ৰিয়াত বহু সময়ত ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ গৱেষকসকলক অধিক অগ্ৰাধিকাৰ দিয়া দেখা যায়, যাৰ ফলত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহু যোগ্য গৱেষক আৰু চিন্তাবিদ বঞ্চিত হয়। ইয়াৰ উপৰিও শান্তি বঁটা নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰায়ে ৰাজনৈতিক মৰ্জি আৰু পশ্চিমীয়া দেশসমূহৰ স্বাৰ্থ বিজড়িত হৈ থকা বুলি অভিযোগ উঠে। শেহতীয়া সময়ত বিশ্বজুৰি বিজ্ঞান গৱেষণাত দলীয় কামৰ গুৰুত্ব বাঢ়িছে, অথচ নোবেল বঁটা সৰ্বাধিক তিনিজন ব্যক্তিলৈহে সীমাবদ্ধ ৰখাৰ নিয়মটোৱেও বহু যোগ্য অৱদানকাৰীক আঁৰত পেলাই ৰাখে।

ভাৰতবৰ্ষৰ দৰে বিকাশশীল দেশসমূহৰ বাবে নোবেল বঁটা কেৱল এটা সন্মান নহয়, ই শিক্ষা আৰু গৱেষণা ক্ষেত্ৰৰ সীমাবদ্ধতাসমূহ মনত পেলাই দিয়ে। বিশ্বমানৰ মৌলিক গৱেষণাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু মূলধনৰ অভাৱৰ বিষয়ে চিন্তা কৰাৰ সময় আহি পৰিছে, যাতে আমাৰ দেশৰ নতুন প্ৰজন্ময়ো এনে বিশ্বমঞ্চত নিজৰ যোগ্যতা প্ৰমাণ কৰিব পাৰে।

কিছু বৈষম্য আৰু সমালোচনাৰ সত্ত্বেও নোবেল বঁটা ২০২৬-এ মানৱীয় প্ৰজ্ঞা আৰু শ্ৰেষ্ঠত্বৰ জয়গান গাইছে। ই আমাক সোঁৱৰাই দিয়ে যে জ্ঞান আৰু শান্তিৰ কোনো ভৌগোলিক সীমা নাথাকে। বিশ্বৰ সন্মুখত থকা জটিল প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ বিজ্ঞানৰ সত্য আৰু সাহিত্য-শান্তিৰ মূল্যবোধক একত্ৰিত কৰাৰ দায়িত্ব সমগ্ৰ মানৱ সমাজৰ। নোবেল পুৰস্কাৰে প্ৰতিটো সময়তে বিশ্ববাসীক নতুন আশা আৰু নতুন লক্ষ্যৰ পিনে ধাৱমান হ’বলৈ প্ৰেৰণা যোগাই আহিছে।

# সৌৰশক্তিৰ ভৱিষ্যত সম্ভাৱনা



*বৰ্তমান সময়ত সৌৰ ফলক নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বেছিভাগ কেঁচা সামগ্ৰী আৰু সঁজুলি বিদেশৰ পৰা আমদানি কৰিবলগীয়া হয়। এই পৰনিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ দেশৰ ভিতৰতে উন্নত মানৰ সৌৰ কোষ আৰু আনুষংগিক যন্ত্ৰাংশ উৎপাদনৰ কাৰখানা স্থাপনত সৰ্বাধিক গুৰুত্ব দিব লাগিব। ঘৰুৱা উদ্যোগসমূহক উদগনি যোগোৱাৰ লগতে গৱেষণা আৰু উন্নয়ন শিতানত চৰকাৰী পুঁজিৰ আৱণ্টন বৃদ্ধি কৰাটো অতিশয় জৰুৰী। স্থানীয়ভাৱে প্ৰযুক্তিৰ বিকাশ ঘটিলেহে উৎপাদন ব্যয় আৰু অধিক কমাব পৰা যাব আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতাত অৱতীৰ্ণ হ’ব পৰা যাব। জনসাধাৰণৰ মাজত সৌৰ শক্তিৰ উপযোগিতা আৰু লাভালাভ সম্পৰ্কে ব্যাপক সজাগতা সৃষ্টি কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। অকল চৰকাৰী আঁচনি বা ৰাজসাহায্যৰ ওপৰত নিৰ্ভৰ নকৰি মানুহে স্বেচ্ছাই এই নৱীকৰণযোগ্য শক্তিৰ উৎসটোক আঁকোৱালি ল’বলৈ আগবাঢ়ি আহিব লাগিব। শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত সৌৰ শক্তি আৰু ইয়াৰ ব্যৱহাৰিক দিশসমূহ অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰাই পৰিৱেশ সচেতন কৰি তুলিব পাৰি। ভৱিষ্যতৰ শক্তি নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত সৌৰ শক্তিয়েই হৈছে একমাত্ৰ নিৰ্ভৰযোগ্য আৰু স্থায়ী পথ।*

বৰ্তমান সময়ত সমগ্ৰ বিশ্বই শক্তিৰ এক গুৰুতৰ সংকটৰ দিশে দ্ৰুতগতিত আগবাঢ়িছে। কয়লা, খনিজ তেল আৰু প্ৰাকৃতিক গেছৰ দৰে পৰম্পৰাগত ইন্ধনৰ ভঁৰাল ক্ৰমান্বয়ে নিশেষ হৈ আহিছে আৰু এইবোৰৰ মূল্যও অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। এনে এক প্ৰেক্ষাপটত দৈনন্দিন জীৱন আৰু উদ্যোগসমূহ সচল ৰাখিবলৈ বিকল্প শক্তিৰ সন্ধান কৰাটো এক অপৰিহাৰ্য প্ৰয়োজনীয়তা হৈ পৰিছে। সূৰ্যৰ পৰা আহৰণ কৰা শক্তিয়েই হৈছে বৰ্তমান আটাইতকৈ নিৰ্ভৰযোগ্য আৰু প্ৰতিশ্ৰুতিসম্পন্ন বিকল্প। সৌৰ শক্তিৰ ব্যৱহাৰে সমগ্ৰ শক্তি খণ্ডত এক নতুন দিগন্তৰ সূচনা কৰিছে। পৃথিৱীৰ বুকুত পৰা সূৰ্যৰ ৰশ্মিক আধুনিক প্ৰযুক্তিৰ সহায়ত বিদ্যুতলৈ ৰূপান্তৰ কৰা প্ৰক্ৰিয়াটো এতিয়া আৰু কোনো পৰীক্ষামূলক স্তৰত আৱদ্ধ হৈ থকা নাই। ই আমাৰ দৈনন্দিন জীৱনৰ এক এৰাব নোৱৰা অংশলৈ পৰিৱৰ্তিত হৈছে। চৰকাৰী আৰু বেচৰকাৰী দুয়োটা খণ্ডতেই সৌৰ শক্তিৰ উৎপাদন আৰু ব্যৱহাৰৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰতিদিনে বৃদ্ধি পোৱা বিদ্যুতৰ চাহিদাপূৰণৰ বাবে অকল পুৰণি পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি থকাটো অসম্ভৱ হৈ পৰিছে। সেয়েহে, সৌৰ ফলকৰ জৰিয়তে ঘৰে ঘৰে, গাঁৱে-ভূঞে, আৰু উদ্যোগসমূহত বিদ্যুৎ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ দেশতো নৱীকৰণযোগ্য শক্তি উৎপাদনৰ এক বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি এই দিশত ব্যাপক কাৰ্যসূচী হাতত লোৱা হৈছে। অনাগত দশকবোৰত সৌৰ শক্তিয়েই যে দেশৰ অৰ্থনীতি আৰু উদ্যোগ খণ্ডৰ মূল চালিকা শক্তি হ’ব, সেই কথা সম্পূৰ্ণ নিশ্চিত। গ্ৰামাঞ্চলত বিদ্যুতীকৰণৰ ক্ষেত্ৰত সৌৰ শক্তিয়ে এক প্ৰকাৰৰ বৈপ্লৱিক পৰিৱৰ্তন আনিছে, য’ত পৰম্পৰাগত বিদ্যুৎ যোগান ব্যৱস্থা স্থাপন কৰাটো অত্যন্ত ব্যয়বহুল আৰু দুৰূহ। সূৰ্যৰ পোহৰ বিনামূলীয়া আৰু অফুৰন্ত হোৱাৰ বাবে, এবাৰ প্ৰয়োজনীয় সঁজুলিসমূহ স্থাপন কৰাৰ পিছত দীৰ্ঘদিন ধৰি বিনা বাধাই শক্তি আহৰণ কৰি থাকিব পাৰি। ইয়াৰ ফলত গ্ৰাহকৰ মাহেকীয়া বিদ্যুৎ মাচুলৰ বোজা বহু পৰিমাণে হ্ৰাস পায়। বৰ্ধিত জনসংখ্যা আৰু ঔদ্যোগিকৰণৰ সমান্তৰালকৈ শক্তিৰ প্ৰয়োজনীয়তা যি হাৰত বাঢ়িছে, তাৰ সৈতে তাল মিলাবলৈ সৌৰ শক্তিৰ বাহিৰে অন্য কোনো সহজ বিকল্প বৰ্তমান আমাৰ হাতত নাই। শক্তিখণ্ডৰ এই পৰিৱৰ্তনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ৰাজনৈতিক আৰু অৰ্থনৈতিক সমীকৰণ সলনি কৰিছে। যিবোৰ দেশ খনিজ তেলৰ বাবে আন দেশৰ ওপৰত নিৰ্ভৰশীল, সেই দেশবোৰে এতিয়া নিজা ভূমিত সৌৰ প্ৰকল্প স্থাপন কৰি শক্তিৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰিছে। আমাৰ ৰাজ্যখনৰ জলবায়ু আৰু ভৌগোলিক অৱস্থান সৌৰ শক্তি উৎপাদনৰ বাবে যথেষ্ট অনুকূল হোৱাৰ সুবিধাক আমি সঠিকভাৱে কামত খটুৱাব লাগিব।

সৌৰ শক্তিৰ দ্ৰুত সম্প্ৰসাৰণে দেশৰ অৰ্থনীতিত এক শক্তিশালী প্ৰভাৱ পেলাইছে আৰু কৰ্মসংস্থাপনৰ নতুন পথ মুকলি কৰিছে। সৌৰ ফলক নিৰ্মাণ, ইয়াৰ সংস্থাপন, আৰু পৰৱৰ্তী সময়ৰ চোৱাচিতা কৰা কাৰ্যত বৃহৎ সংখ্যক মানৱ সম্পদৰ প্ৰয়োজন হয়। বিশেষকৈ যুৱপ্ৰজন্মৰ বাবে নৱীকৰণযোগ্য শক্তি খণ্ডটো এক লাভজনক কৰ্মক্ষেত্ৰ হিচাপে থিয় দিছে। কাৰিকৰী শিক্ষা গ্ৰহণ কৰা নিবনুৱা যুৱক-যুৱতীসকলে এই ক্ষেত্ৰখনত আত্মনিয়োগ কৰি নিজৰ লগতে সমাজৰ অৰ্থনৈতিক উত্তৰণত অৰিহণা যোগাব পাৰে। তদুপৰি, সৌৰ শক্তিৰ ব্যৱহাৰে কৃষি খণ্ডতো এক নতুন যুগৰ সূচনা কৰিছে। জলসিঞ্চনৰ বাবে ব্যৱহাৰ কৰা পাম্পবোৰ চলাবলৈ এতিয়া বিদ্যুতৰ তাঁৰ বা ডিজেলৰ প্ৰয়োজন নাই। সৌৰ শক্তিচালিত পাম্প ব্যৱহাৰ কৰি খেতিয়কসকলে নীৰৱচ্ছিন্নভাৱে খেতিপথাৰত পানী যোগান ধৰিব পাৰে। ইয়াৰ দ্বাৰা কৃষি কাৰ্যৰ ব্যয় যথেষ্ট পৰিমাণে হ্ৰাস পায় আৰু কৃষকৰ উপাৰ্জন বৃদ্ধি পায়। গ্ৰামাঞ্চলৰ অৰ্থনীতি সৰলীকৰণৰ ক্ষেত্ৰত এই পদক্ষেপে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। আনহাতে, উদ্যোগসমূহতো বৃহৎ পৰিমাণৰ সৌৰ প্ৰকল্প স্থাপন কৰি উৎপাদন ব্যয় কমোৱাৰ অহৰহ প্ৰয়াস চলি আছে। বিদ্যুতৰ বিল হ্ৰাস পোৱাৰ লগে লগে উৎপাদিত সামগ্ৰীৰ মূল্যও নিয়ন্ত্ৰণত ৰাখিব পৰা যায়, যিয়ে বজাৰত সামগ্ৰীবিধৰ প্ৰতিযোগিতামূলক স্থান বজাই ৰখাত সহায় কৰে। দুৰ্গম অঞ্চলসমূহত য’ত মূল বিদ্যুৎ যোগান ব্যৱস্থাৰ সংযোগ স্থাপন কৰাটো প্ৰায় অসম্ভৱ, তেনে ঠাইত ক্ষুদ্ৰ সৌৰ প্ৰকল্প স্থাপন কৰি সমগ্ৰ গাওঁ এখনক পোহৰাই তুলিব পাৰি। স্বাস্থ্য খণ্ডতো ইয়াৰ অৱদান অপৰিসীম, কিয়নো গ্ৰাম্য চিকিৎসালয়সমূহত ভেকচিন আৰু ঔষধ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় শীতলীকৰণ যন্ত্ৰসমূহ সৌৰ শক্তিৰ জৰিয়তে বিনা বাধাই চলাই ৰাখিব পাৰি। প্ৰতি বছৰে খনিজ তেল আমদানি কৰাৰ নামত দেশৰ এক বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা ব্যয় হয়। সৌৰ শক্তিৰ বহুল ব্যৱহাৰে এই ব্যয় বহুলাংশে হ্ৰাস কৰিব পাৰে আৰু ৰাহি হোৱা ধন দেশৰ অন্যান্য আন্তঃগাঁথনিমূলক উন্নয়নত ব্যৱহাৰ কৰিব পৰা যাব। শক্তি খণ্ডৰ স্বাৱলম্বিতাই দেশৰ সাৰ্বভৌমত্ব আৰু অৰ্থনৈতিক নিৰাপত্তাকো অধিক সুদৃঢ় কৰি তুলিব আৰু ভৱিষ্যতৰ সংকটৰ পৰা আমাক ৰক্ষা কৰিব।



হিমাংশু ৰঞ্জন ভূঞা

প্ৰযুক্তিৰ দ্ৰুত উত্তৰণৰ লগে লগে সৌৰ শক্তি উৎপাদনৰ সামগ্ৰিক খৰচ বিগত এক দশকত অভাৱনীয়ভাৱে নিম্নগামী হৈছে। আগতে সৌৰ প্ৰকল্প এটা স্থাপন কৰিবলৈ যিমান মূলধনৰ প্ৰয়োজন হৈছিল, বৰ্তমান তাৰ বহু কম খৰচতে ইয়াক কাৰ্যকৰী কৰিব পাৰি। বেংকিং খণ্ডৱো সৌৰ শক্তি প্ৰকল্পৰ বাবে সহজ চৰ্তত ঋণ প্ৰদানৰ ব্যৱস্থা কৰিছে। ঘৰৰ চালত সৌৰ ফলক লগাবলৈ চৰকাৰে আগবঢ়োৱা ৰাজসাহায্য আঁচনিসমূহে সাধাৰণ নাগৰিকক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। এই আঁচনিসমূহৰ জৰিয়তে গ্ৰাহকে নিজৰ প্ৰয়োজনতকৈ অধিক বিদ্যুৎ উৎপাদন কৰি চৰকাৰী বিদ্যুৎ যোগান ব্যৱস্থালৈ বিক্ৰী কৰাৰো সুযোগ লাভ কৰিছে। অৰ্থাৎ, এজন সাধাৰণ বিদ্যুৎ গ্ৰাহক এতিয়া অকল উপভোক্তা হৈ থকা নাই, তেওঁ এজন উৎপাদকলৈ ৰূপান্তৰিত হৈছে। এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে শক্তি বিকেন্দ্ৰীকৰণৰ এক সুস্থ পৰিৱেশ গঢ়ি তুলিছে। পৰম্পৰাগত শক্তিৰ উৎসবোৰ দহন কৰাৰ ফলত বায়ুমণ্ডলত ক্ষতিকাৰক গেছৰ পৰিমাণ বৃদ্ধি পাইছে, যিয়ে গোলকীয় উষ্ণতা বৃদ্ধিৰ দৰে ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। সৌৰ শক্তি ব্যৱহাৰ কৰিলে পৰিৱেশ প্ৰদূষণৰ কোনো আশংকা নাথাকে। সেয়েহে, পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ স্বাৰ্থত সৌৰ শক্তিৰ প্ৰসাৰ অতিকৈ জৰুৰী। আধুনিক গৱেষণা আৰু বৈজ্ঞানিক উৎকৰ্ষৰ ফলত সৌৰ কোষবোৰৰ কাৰ্যক্ষমতা আগৰ তুলনাত বহুগুণে বৃদ্ধি পাইছে। কম সূৰ্যৰ পোহৰতো অধিক বিদ্যুৎ উৎপাদন কৰিব পৰা উন্নত মানৰ সৌৰ ফলক এতিয়া সহজে বজাৰত উপলব্ধ হৈছে। আনহাতে, শক্তি সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা যন্ত্ৰসমূহৰ প্ৰযুক্তি যথেষ্ট উন্নতি সাধন হৈছে। গৱেষকসকলে এতিয়া এনে সৌৰ কোষ উদ্ভাৱনৰ চেষ্টাত ব্ৰতী হৈছে যিবোৰ পাতল, ভাঁজ কৰিব পৰা আৰু ঘৰৰ খিৰিকী বা বাহনৰ ওপৰতো সহজে লগাব পৰা যায়। যদি এই গৱেষণা সফল হয়, তেন্তে ভৱিষ্যতৰ চহৰবোৰত প্ৰতিখন ঘৰ, প্ৰতিখন গাড়ীয়েই একোটা সৰু শক্তি উৎপাদন কেন্দ্ৰ হিচাপে কাম কৰিব। ইয়াৰ ফলত বৃহদাকাৰ বিদ্যুৎ কেন্দ্ৰ আৰু দীঘলীয়া বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰত নিৰ্ভৰশীলতা একেবাৰে কমি যাব আৰু জনসাধাৰণে নীৰৱচ্ছিন্নভাৱে শক্তি লাভ কৰিব।

সৌৰ শক্তিৰ সম্ভাৱনা অপৰিসীম যদিও ইয়াক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান বৰ্তমানো বিদ্যমান। আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে প্ৰকল্প স্থাপনৰ বাবে স্থানৰ অভাৱ। বৃহৎ পৰিমাণৰ বিদ্যুৎ উৎপাদন কৰিববলৈ বহল মাটিকালিৰ প্ৰয়োজন হয়, যিটো আমাৰ দৰে ঘন জনবসতিপূৰ্ণ দেশ বা ৰাজ্যৰ বাবে এক অতিশয় জটিল বিষয়। খেতিমাটি বা বনাঞ্চল নষ্ট কৰি সৌৰ প্ৰকল্প স্থাপন কৰাটো কোনো কাৰণতেই যুক্তিসংগত নহয়। সেয়েহে, অব্যৱহৃত পতিত মাটি, জলভাণ্ডাৰৰ ওপৰত ভাঁহি থকা সৌৰ প্ৰকল্প, আৰু ঘৰৰ মুধচৰ সৰ্বোত্তম ব্যৱহাৰ নিশ্চিত কৰিব লাগিব। দ্বিতীয়তে, সৌৰ শক্তি উৎপাদন সম্পূৰ্ণৰূপে বতৰৰ ওপৰত নিৰ্ভৰশীল। ডাৱৰীয়া বতৰ বা বৰষুণৰ দিনত বিদ্যুৎ উৎপাদন ব্যাহত হয়। নিশাৰ ভাগত সৌৰ শক্তি উৎপাদন অসম্ভৱ। এই সমস্যাৰ মোকাবিলা কৰিবলৈ শক্তিশালী আৰু দীৰ্ঘায়ু শক্তি সঞ্চয়ক যন্ত্ৰৰ প্ৰয়োজন। বৰ্তমান উপলব্ধ লিথিয়াম-আয়ন যুক্ত বেটেৰীবোৰ যথেষ্ট ব্যয়বহুল আৰু ইয়াৰ আয়ুস সীমিত। তদুপৰি, এনে যন্ত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় খনিজ পদাৰ্থসমূহৰো এক নিৰ্দিষ্ট ভঁৰালহে পৃথিৱীত আছে। সেয়েহে, কম খৰচত আৰু পৰিৱেশৰ ক্ষতি নকৰাকৈ শক্তি সঞ্চয় কৰিব পৰা নতুন বিকল্প প্ৰযুক্তিৰ উদ্ভাৱন অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। তৃতীয় এক গুৰুতৰ প্ৰত্যাহ্বান হৈছে পুৰণি আৰু ব্যৱহাৰৰ অনুপযোগী সৌৰ ফলকসমূহৰ নিষ্কাশন বা আৱৰ্জনা ব্যৱস্থাপনা। প্ৰতিখন সৌৰ ফলকৰ এক নিৰ্দিষ্ট জীৱনকাল থাকে, সাধাৰণতে পঁচিশৰ পৰা ত্ৰিশ বছৰৰ ভিতৰত ইয়াৰ কাৰ্যক্ষমতা শেষ হয়। অনাগত দশকবোৰত সমগ্ৰ বিশ্বতে লাখ লাখ টন সৌৰ আৱৰ্জনা জমা হ’ব। এই ফলকবোৰত কিছুমান বিষাক্ত ৰাসায়নিক পদাৰ্থ থাকে যিবোৰ মুকলিকৈ পেলাই দিলে মাটি আৰু পানী প্ৰদূষিত হোৱাৰ ভয় থাকে। সেয়েহে, এই আৱৰ্জনাবোৰ পুনৰাবৰ্তন কৰি তাৰ পৰা মূল্যৱান সামগ্ৰীসমূহ পৃথক কৰাৰ এক ফলপ্ৰসূ আৰু অৰ্থনৈতিকভাৱে লাভজনক পদ্ধতি শীঘ্ৰে বিকশিত কৰিব লাগিব। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো যথেষ্ট পুঁজি বিনিয়োগৰ আৱশ্যক। বৰ্তমানৰ বিদ্যুৎ যোগান ব্যৱস্থাসমূহ মূলতঃ কেন্দ্ৰীভূত উৎপাদন ব্যৱস্থাৰ বাবে সজা হৈছে। হাজাৰ হাজাৰ সৰু সৰু সৌৰ প্ৰকল্পৰ পৰা অহা বিদ্যুৎ গ্ৰহণ আৰু বিতৰণ কৰিব পৰাকৈ সমগ্ৰ ব্যৱস্থাটোক আধুনিক আৰু স্মাৰ্ট কৰি তুলিব লাগিব।

বৰ্তমান সময়ত সৌৰ ফলক নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বেছিভাগ কেঁচা সামগ্ৰী আৰু সঁজুলি বিদেশৰ পৰা আমদানি কৰিবলগীয়া হয়। এই পৰনিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ দেশৰ ভিতৰতে উন্নত মানৰ সৌৰ কোষ আৰু আনুষংগিক যন্ত্ৰাংশ উৎপাদনৰ কাৰখানা স্থাপনত সৰ্বাধিক গুৰুত্ব দিব লাগিব। ঘৰুৱা উদ্যোগসমূহক উদগনি যোগোৱাৰ লগতে গৱেষণা আৰু উন্নয়ন শিতানত চৰকাৰী পুঁজিৰ আবণ্টন বৃদ্ধি কৰাটো অতিশয় জৰুৰী। স্থানীয়ভাৱে প্ৰযুক্তিৰ বিকাশ ঘটিলেহে উৎপাদন ব্যয় আৰু অধিক কমাব পৰা যাব আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতাত অৱতীৰ্ণ হ’ব পৰা যাব। জনসাধাৰণৰ মাজত সৌৰ শক্তিৰ উপযোগিতা আৰু লাভালাভ সম্পৰ্কে ব্যাপক সজাগতা সৃষ্টি কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। অকল চৰকাৰী আঁচনি বা ৰাজসাহায্যৰ ওপৰত নিৰ্ভৰ নকৰি মানুহে স্বেচ্ছাই এই নৱীকৰণযোগ্য শক্তিৰ উৎসটোক আঁকোৱালি ল’বলৈ আগবাঢ়ি আহিব লাগিব। শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত সৌৰ শক্তি আৰু ইয়াৰ ব্যৱহাৰিক দিশসমূহ অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰাই পৰিৱেশ সচেতন কৰি তুলিব পাৰি। ভৱিষ্যতৰ শক্তি নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত সৌৰ শক্তিয়েই হৈছে একমাত্ৰ নিৰ্ভৰযোগ্য আৰু স্থায়ী পথ। বিশ্বৰ শক্তিৰ মানচিত্ৰত এক সন্মানজনক স্থান দখল কৰিবলৈ হ’লে আমি সময় থাকোঁতেই উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰি নীৰৱচ্ছিন্ন শক্তিৰ যোগান ধৰিব পৰা এই প্ৰাকৃতিক উপহাৰটোক আওকাণ কৰাৰ কোনো অৱকাশ নাই। আগন্তুক সময়ত যান-বাহনৰ পৰা আৰম্ভ কৰি কল-কাৰখানা, কৃষিকৰ্ম আৰু দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে সৌৰ শক্তিৰ প্ৰয়োগ অপৰিহাৰ্য হৈ পৰিব। সেয়েহে, বৰ্তমানৰ প্ৰত্যাহ্বানসমূহক অতিক্ৰম কৰি এক নিকা আৰু সেউজ শক্তিৰ পৃথিৱী গঢ়ি তোলাৰ লক্ষ্যৰে সকলো পক্ষই সন্মিলিতভাৱে কাম কৰাটো সময়ৰ আহ্বান। সঠিক পৰিকল্পনা, শক্তিশালী ৰাজনৈতিক সদিচ্ছা আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণে সৌৰ শক্তিৰ এক উজ্জ্বল আৰু সোণালী ভৱিষ্যত সুনিশ্চিত কৰিব। শক্তি উৎপাদন আৰু চাহিদাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ আধুনিক তথ্য প্ৰযুক্তিৰ প্ৰয়োগ অপৰিহাৰ্য হৈ পৰিছে। এই যাত্ৰাত প্ৰযুক্তিগত উৎকৰ্ষ আৰু নীতিগত সংস্কাৰ একেলগে চলিব লাগিব, যাতে সমগ্ৰ ব্যৱস্থাটো অধিক কাৰ্যক্ষম আৰু জনমুখী হৈ পৰে। সৌৰ শক্তিৰ সঠিক ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণে আমাক এনে এক ভৱিষ্যতৰ দিশে লৈ যাব য’ত শক্তিৰ নাটনিয়ে কেতিয়াও প্ৰগতিৰ পথত হেঙাৰ সৃষ্টি কৰিব নোৱাৰে।

# ভূমিক লৈ পৰিয়ালকেন্দ্ৰিক সংঘাত: সমাজৰ এক ব্যাধি

ভূমি বা মাটিক লৈ হোৱা বিবাদ আজিৰ নহয়। তাহানি মহাভাৰতৰ যুগৰ পৰা সাম্প্ৰতিক সময়লৈকে এই সংঘাতক এক সামাজিক সমস্যা স্বৰূপে দেখিবলৈ পোৱা যায়। এই সংঘাতবোৰৰ অন্তৰালত সাধাৰণতে সোমাই থাকে এক গভীৰ মানসিক ব্যাধি- যাক সহজ ভাষাত ‘পৰশ্ৰীকাতৰতা’ বা আনৰ উন্নতিত চকু দিয়া বুলি ক’ব পৰা যায়।

অষ্ট্ৰিয়ান মনোবিজ্ঞানী আলফ্ৰেড এডলাৰ (Alfred Adler)ৰ মতে, প্ৰতিজন মৰ্যাদাবোধসম্পন্ন মানুহৰে সমাজত নিজৰ স্থান সাব্যস্ত কৰাৰ আৰু নিজক শ্ৰেষ্ঠ বুলি প্ৰমাণ কৰাৰ এক প্ৰাকৃতিক ইচ্ছা থাকে। (“Every individual with a sense of dignity has a natural desire to establish their place in society and prove themselves to be superior.”) ইয়াক তেওঁ “Striving for Superiority” শ্ৰেষ্ঠত্বৰ বাবে সংগ্ৰাম বুলি কৈছিল। কিন্তু যেতিয়া এজন ব্যক্তিয়ে নিজে একো কৰিব নোৱাৰে বা জীৱনত বিফল হয়, তেতিয়া তেওঁৰ মনত এক গভীৰ অসন্তুষ্টি আৰু মানসিক দুৰ্বলতাই গা কৰি উঠে। এডলাৰে ইয়াক “Inferiority Complex” বা হীনমান্যতাবোধ বুলি সংজ্ঞা দিছিল।

সমাজত এনে কিছুসংখ্যক লোক থাকে, যিসকলে নিজে কষ্ট কৰি আগবাঢ়ি যাব নোৱাৰে বা যাবলৈ চেষ্টাও নকৰে। তেওঁলোকৰ এলেহুৱা মনোভাৱ আৰু কৰ্মবিমুখতাৰ বাবে তেওঁলোক নিজৰ স্থানতে থমকি ৰয়। কিন্তু যেতিয়া একেটা পৰিয়ালৰে আন এজন সদস্যই নিজৰ চেষ্টা, বুদ্ধি আৰু কঠোৰ পৰিশ্ৰমেৰে জীৱনত উন্নতি কৰে, ঘৰ-দুৱাৰ সাজে বা সম্পত্তি ক্ৰয় কৰে, তেতিয়া সেই অনুন্নত লোকসকলৰ মনত তীব্ৰ ঈৰ্ষাৰ সৃষ্টি হয়। তেওঁলোকে নিজৰ ব্যৰ্থতাৰ আত্মসন্দীহান ভাৱ লুকুৱাবলৈ আনৰ প্ৰগতিৰ পথত হেঙাৰ থিয় কৰিবলৈ চেষ্টা কৰে।

এডলাৰৰ মতে, এজন সুস্থ মানসিকতাৰ মানুহে নিজৰ হীনমান্যতাবোধ দূৰ কৰিবলৈ নিজে কষ্ট কৰি আগবাঢ়ি যায়। কিন্তু যিসকল লোকৰ মানসিকতা বিকৃত, তেওঁলোকে নিজৰ উন্নতিৰ বাবে কৰ্ম কৰাৰ সলনি সফল হোৱা ব্যক্তিজনক তললৈ নমাবলৈ চেষ্টা কৰে। তেওঁলোকৰ বাবে আনৰ ক্ষতি কৰাটোৱেই নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰাৰ সহজ উপায় হৈ পৰে। ইয়াৰোপৰি মানুহ এজন মানসিকভাৱে সুস্থ নে অসুস্থ, তাৰ প্ৰমাণ পোৱা যায় তেওঁৰ সামাজিক চেতনা বা পৰিয়ালৰ প্ৰতি থকা মৰমৰ পৰা। যিজন মানুহে কেৱল নিজৰ স্বাৰ্থ আৰু অহংকাৰক অগ্ৰাধিকাৰ দি ভাই-ককাইৰ সৈতে শত্ৰুতা কৰে, তেওঁ আচলতে এক গভীৰ মানসিক ৰোগত ভুগি থাকে। একেআষাৰে ক’বলৈ গ’লে আনৰ উন্নতিত ঈৰ্ষা কৰা আৰু মাটিক লৈ কাজিয়া কৰা মানুহবোৰ আচলতে শক্তিশালী নহয়। তেওঁলোক অত্যন্ত দুৰ্বল মনৰ আৰু হীনমান্যতাত ভোগা লোকহে। নিজৰ অক্ষমতা ঢাকিবলৈ তেওঁলোকে আনৰ সুখত বাধা দিয়ে। আমেৰিকাৰ সমাজবিজ্ঞানী চেমুৱেল ষ্টোফাৰৰ (Samuel Stouffer) তত্ত্ব অনুসৰি, এজন মানুহে নিজৰ অৱস্থাক লৈ তেতিয়ালৈকে দুখী নহয়, যেতিয়ালৈকে তেওঁ কাষৰ কাৰোবাৰ ডাঙৰ উন্নতি দেখা নাপায়। পৰিয়ালৰ ক্ষেত্ৰত এই তুলনাটো আটাইতকৈ বেছি হয়, কাৰণ তেওঁলোক একে পৰিৱেশতে ডাঙৰ-দীঘল হয়।

এই ঈৰ্ষাৰ আটাইতকৈ সহজ বলি হয় পৈতৃক মাটি-সম্পত্তি। যিজন ব্যক্তিয়ে নিজে একো কৰিব নোৱাৰে, তেওঁ পৈতৃক সম্পত্তিৰ ওপৰত অত্যধিক দাবী সংস্থাপন কৰিবলৈ চেষ্টা কৰে। “মই যিহেতু একো কৰিব নোৱাৰিলোঁ, গতিকে মই আনকো শান্তিত থাকিবলৈ নিদিওঁ”— এনে এক ধ্বংসাত্মক মানসিকতাই তেওঁলোকক পৰিচালিত কৰে। ইয়াৰ মনস্তাত্ত্বিক প্ৰতিফলন (Psychological Projection) স্বৰূপে নিজৰ এলেহুৱা স্বভাৱ বা ব্যৰ্থতাৰ বাবে নিজক দোষ নিদি, সফল হোৱা মানুহজনক ‘স্বাৰ্থপৰ’, ‘ঠগ’ বা ‘অন্যায়কাৰী’ বুলি সজাবলৈ চেষ্টা কৰে। মাটিৰ ভাগ কম-বেছি হোৱা বুলি মিছা অজুহাত দেখুৱাই তেওঁলোকে নিজৰ মনৰ ক্ষোভ উজাৰে।

ইয়াৰ ফলত সামান্য মাটি এটুকুৰাৰ বাবে বিবাদ হয়। প্ৰথমে সৰুকৈ আৰু পাছলৈ ক্ৰমশঃ ডাঙৰ হৈ পৰে। বহু ক্ষেত্ৰত দেখা যায় যে আৰ্থিক ভাৱে স্বাৱলম্বীজনে বিবাদ নহওক বুলি ভাবিয়েই বিনাচৰ্তে নিজৰ প্ৰাপ্য এৰি দিয়ে। কিন্তু প্ৰতিপক্ষই সেয়া তেওঁৰ দুৰ্বলতা বুলি ভাবি আৰু অধিক পোৱাৰ আশাত তেওঁক মানসিক আৰু শাৰীৰিকভাৱে অশান্তি কৰিবলৈ চেষ্টা কৰে। ফলস্বৰূপে পুনৰ বিবাদৰ সৃষ্টি হয় আৰু সৰ্বশেষত বছৰ বছৰ ধৰি কোৰ্ট-কাছাৰীত গোচৰ চলে, যাৰ বাবে দুয়োপক্ষৰে ধন, সময় আৰু মানসিক শান্তি নষ্ট হয়। এক সমীক্ষা মতে, ভাৰতবৰ্ষৰ দেৱানী আদালতসমূহত (Civil Courts) চলি থকা গোচৰসমূহৰ প্ৰায় ৬০ শতাংশতকৈও অধিক গোচৰ কেৱল ভূমি আৰু পাৰিবাৰিক সম্পত্তিৰ বিবাদৰ সৈতে জড়িত। মাটি- সম্পত্তি আজি আছে, কাইলৈ নাইকিয়া হ’ব পাৰে বা নিজৰ চেষ্টা আৰু কষ্টৰ ফলত আৰু অধিক ক্ৰয় কৰিব পাৰে। কিন্তু জীৱনৰ এটা চিৰন্তন সত্য হ’ল— মানুহ মৰি গ’লে লগত এবেগেত মাটিও লৈ যাব নোৱাৰে। এই সৰল সত্যটো ঈৰ্ষা আৰু অহংকাৰে অন্ধ কৰা মানুহবোৰে বুজি নাপায়। নিজৰ উন্নতিৰ বাবে চেষ্টা নকৰি কেৱল আনৰ প্ৰগতিক তললৈ নমাবলৈ কৰা প্ৰয়াসে এনে মানুহক মানসিকভাৱে আৰু বেছি তললৈ লৈ যায়।

যদি আমি এখন সুস্থ আৰু শান্তিপূৰ্ণ সমাজ গঢ়িব বিচাৰোঁ, তেন্তে প্ৰতিজন ব্যক্তিয়ে নিজৰ কৰ্মৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। আনৰ উন্নতিত হিংসা নকৰি, তাক অনুপ্ৰেৰণা হিচাপে লৈ নিজে আগবাঢ়ি যাবলৈ শিকাটোৱে প্ৰকৃত শিক্ষা। প্ৰাচীন গ্ৰীক দৰ্শনত কোৱা হৈছিল— “ঈৰ্ষা হৈছে আত্মাৰ বাবে ঠিক তেনে, যেনেকৈ লোহাৰ বাবে মামৰ।” লোহাক বাহিৰৰ শত্ৰুৱে ধ্বংস নকৰে, নিজৰ মামৰে ধ্বংস কৰে। নিজে একো নকৰি আনৰ মাটিত চকু দিয়া বা আনৰ উন্নতিত ঈৰ্ষান্বিত হোৱা মানুহবোৰো ঠিক তেনেকৈয়ে সমাজত জীয়াই থাকিয়েই মানসিকভাৱে ধ্বংস হৈ যায়।

প্ৰদীপ দাস
তিতাবৰ, যোৰহাট

# বালিপৰাত জুবিনে হেৰুৱাইছিল মৰমৰ জংকীক

জুবিন গাৰ্গ এক মানৱতাবাদী সত্তা, এক কিংবদন্তী। জুবিনে অকল গানেৰেই নহয় সমাজ উপযোগী কৰ্ম সম্পাদন কৰিও মানৱৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল। সহজ-সৰলতাৰ পৰিচায়ক জুবিনে অতিকৈ ভাল পাইছিল গান আৰু মানুহক। আজি তেওঁৰ কায়িক অবৰ্তমানত সেয়া প্ৰমাণিত। জুবিন গাৰ্গ এক সংস্কাৰকামী প্ৰতিবাদী সত্তা। জুবিনে জীৱন কালত হেৰুৱাইছিল বহুতো আৰু এই হেৰুৱাওৱাৰ দুখ-বেদনাবোৰক গানৰ মাজেদি তুলি ধৰিছিল প্ৰায়েই। শোণিতপুৰ জিলা বালিপৰাৰ সৈতে জুবিন গাৰ্গৰ এক হৃদয়বিদাৰক জীৱন স্মৃতি জড়িত হৈ আছে। সেয়া আজিও জুবিন গাৰ্গৰ পৰিয়াল আৰু সমগ্ৰ বালিপৰাবাসীৰ বাবে সজীৱ। সেয়া আছিল ২০০২ চনৰ ১২ জানুৱাৰীৰ কথা। উক্ত দিনা নিশাৰ ভাগত চতিয়াত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ককায়েক গন্তব্যৰ (জুবিন) সৈতে গৈছিল জুবিনৰ মৰমৰ ভগ্নী জংকী। কিন্তু কোনে জানিছিল যে সেই নিশা কালে বালিপৰাত বাটভেটি ৰৈ আছিল জংকীৰ বাবে। কোনে জানিছিল জুবিনৰপৰা জংকীয়ে সেইদিনা চিৰকালৰ বাবে বিদায় ল’ব। নিশাৰ অন্ধকাৰ ফালি গুৱাহাটীৰ পৰা অনুষ্ঠানস্থলী দিশে ক্ৰমে আগবাঢ়িছিল এখন ফিয়েট গাড়ী। গাড়ীৰ ভিতৰত সহশিল্পীৰ সৈতে ফূৰ্তিৰে আছিল জংকী। কিন্তু হঠাতে সংঘটিত হ’ল এক ভয়ানক শব্দ। বালিপৰা-তেজপুৰ সংযোগী ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বালিপৰাত কালনী দলঙৰ ওপৰত এখন তীব্ৰবেগী ট্ৰাকে খুন্দা মাৰিছিল জংকী আৰোহী হৈ অহা ফিয়েট গাড়ীখনৰ সন্মুখভাগত। সেই ভয়ানক পথ দুৰ্ঘটনাত ভাঙি চূৰমাৰ হৈ গৈছিল জংকীৰ গাড়ীখন। আহিছিল বেয়া খবৰটো যে জংকী আৰু নাই। উক্ত দিনাৰ কালে জুবিন-গৰিমাৰ বুকু শূন্য কৰি নিষ্ঠাৰভাৱে কাঢ়ি নিছিল জংকীক, অজান্তে মুলুকলৈ। খবৰটো বালিপৰা তথা অসমজুৰি বিয়পি পৰাৰ লগে লগে চৌদিশে উঠিছিল কান্দোনৰ ৰোল। মনত পৰে পিছদিনা চাৰিদুৱাৰ আৰক্ষী থানাত জংকীৰ নিঠৰ দেহ আৰু দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন চাবলৈ ব্যাপক জনসমাগম ঘটিছিল। জুবিন গাৰ্গকো এবাৰ চাবলৈ থানাত ভিৰ কৰিছিলহি। ৰাইজৰ লগতে কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে সাজিছিল মানৱ শৃংখল জুবিন গাৰ্গ অহাৰ সময়ত। সেয়া আজিও যেন বালিপৰা, চাৰিদুৱাৰ সজীৱ হৈ আছে। হিয়াৰ আমঠু জংকীক অকালতে হেৰুৱাই ভাগি পৰিছিল জুবিন। অৱশ্যে সকলো চম্ভালি লৈছিল গৰিমা গাৰ্গে। জুবিন জীৱনকালত লাভ কৰা এই আঘাতো হৈ পৰিছিল তেওঁৰ সৃষ্টিৰ অন্যতম কাৰণ। বালিপৰাত ভগ্নীক হেৰুওৱাৰ পাছৰেপৰা প্ৰায় ২১-২২ বছৰে বালিপৰা, চাৰিদুৱাৰত জুবিন গাৰ্গে কৰা নাছিল কোনো সংগীতানুষ্ঠান। বালিপৰাত হোৱা ভগ্নীৰ ঘটনাটোৱে জুবিনক বাৰুকৈয়ে আঘাত দিছিল। অৱশ্যে দুই বছৰমান আগত বালিপৰা মজলীয়া বিদ্যালয়ৰ এক অনুষ্ঠানত বালিপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এক সংগীতানুষ্ঠানত আহিছিল জুবিন। কিন্তু জংকীৰ স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰিছিল তেওঁক। সংগীত পৰিৱেশন কৰিবলৈ নিশা প্ৰায় ১২: ০০ বজাত মূল মঞ্চত উঠি গান গাবলৈ খোজোঁতেই জংকীৰ স্মৃতিয়ে আমনি কৰাত উচুপি উঠিছিল জুবিন। জুবিন মাত-থোকা থুকি হৈ পৰিছিল ভগ্নীক মনত পৰাৰ পৰিপ্ৰেক্ষিতত। বিগত ২৪টা বছৰ পাছতো বালিপৰাবাসীৰ মনত আজিও জীৱন্ত জংকীৰ পথ দুৰ্ঘটনাৰ ঘটনা। জুবিন গাৰ্গৰ কথা মনলৈ আহিলেই বালিপৰাবাসীৰ মনত পৰে জংকীলৈ। জুবিন দাক আজিৰ দিনটোত শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। তেখেতৰ সৃষ্টিৰাজি অমৰ হওক।

প্ৰাঞ্জল প্ৰতিম বৰা
বালিপৰা, শোণিতপুৰ

শীৰ্ষে পেন্সনৰ দাবী মাজুলীৰ বিভিন্ন দল-সংগঠনৰ

# ৰাজ্য চৰকাৰৰ শিল্পী পেন্সনৰ পৰা আজিয়ো বঞ্চিত দক্ষিণপাটৰ জনপ্ৰিয় শিল্পী প্ৰবীন দত্ত



**অসম বাৰ্তা, বনগাঁও, ৭ অক্টোবৰ ঃ** মাজুলী জিলাৰ দক্ষিণ পাট কলিত গাঁৱৰ নিবাসী প্ৰবীন দত্ত -বয়স প্ৰায় তিনিকুৰি দহ বছৰ মাজুলী জিলাৰ এগৰাকী সৰ্ব্বজন পৰিচিত জনপ্ৰিয় শিল্পী। যাৰ হাতৰ পৰশত প্ৰাণ পাই উঠে শ্ৰীকৃষ্ণ, বলোভদ্ৰ, ভগৱান শ্ৰীকৃষ্ণৰ অনন্ত শৰ্য্যা, জয়-বিজয়, নাৰদ, ঋষি-মুনি, ৰাম, হনুমান,গৰুড,শিৱ, নৃসিংহ মুৰাৰি, বৰাহ আদি কৰি ভিন ভিন ৰূপৰ চিমেণ্ট-বালি সংমিশ্ৰিত আকৰ্ষণীয় ধৰণৰ মূৰ্ত্তি। তদুপৰি মাজুলী জিলাৰ বাহিৰে-ভিতৰে আনকি ৰাজ্যৰ ৰাজধানী গুৱাহাটী পৰ্যন্ত নাম ঘৰ, মন্দিৰ আদি কৰি ধৰ্ম্মীয় অনুষ্ঠান/প্ৰতিষ্ঠানত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ ভগৱানৰ বিভিন্ন ৰূপ চৰিত্ৰ সংপৃক্তৰে ভক্তপ্ৰাণ ৰাইজৰ আদৰনি গেট নিৰ্মাণ কৰি বিভিন্ন জনৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈ আহিছে। অন্যহাতেদি মাজুলীৰ উপৰি বিভিন্ন জিলাত ভাওনাঁত ভাৱঁৰীয়াৰ পেইণ্ট কৰা আৰু ভাৱৰীয়াৰ সাজ পোছাক নিজা প্ৰচেষ্টাত ঘৰতে নিৰ্মাণ/চিলাই কৰি সমাজত কৃষ্ণ সংস্কৃতিৰ ভেটি জীয়াই ৰখাত ওৰে জীৱন উৎসৰ্গা কৰা প্ৰবীন দত্তই কঠোৰ শ্ৰম আৰু সাধনাৰ জৰিয়তে উপাৰ্জ্জন কৰা সামান্য অৰ্থৰে কথমপি পৰিয়ালটি পোহ পালন দি আহিছে। অমায়িক চৰিত্ৰৰ ভাস্কৰ্য চিত্ৰশিল্পত পাৰ্গত শিল্পী গৰাকীক তেওঁৰ ঐকান্তিক সাধনা আৰু কঠোৰ শ্ৰমক উৎসাহিত কৰাৰ বাবে সত্ৰনগৰীৰ মাজুলীৰ সত্ৰাধিকাৰ সকলৰ প্ৰমুখ্যে বিভিন্ন দল-সংগঠনে ৰাজ্য চৰকাৰক নীৰৱিচ্চিন ভাৱে দৃষ্টি গোচৰ কৰি অহাৰ পিছতো আজি পৰ্যন্ত কিন্তু চৰকাৰৰ শুভদৃষ্টি লাভ কৰিবলৈ সক্ষম হোৱা নাই দুভৰ্গীয়া শিল্পী গৰাকীয়ে নৱপ্ৰজন্মৰ আদৰ্শৰ প্ৰতীক হৈ পৰা শিল্পী গৰাকীৰ ঐকান্তিক সাধনা আৰু কঠোৰ শ্ৰমক চৰকাৰীভাৱে স্বীকৃতি প্ৰদান কৰি ৰাজ্য চৰকাৰক এটি পেন্সন দিবলৈ মাজুলীৰ বিভিন্ন দল-সংগঠন, গণ্য-মান্য বিশিষ্ট ব্যক্তি আৰু সচেতন মহলে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্ম্মাক ইয়াৰে দাবী জনায়। শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ দাতিঁকাষৰীয়া গাৱতঁ বসবাস কৰি বাল্যকালৰে পৰা এনে কৰ্ম্মত আত্মনিৱেশ কৰা শিল্পী প্ৰবীন দত্ত পেন্সনৰ যোগ্য ব্যক্তি।

# চিকিৎসা ছুটী নোপোৱাৰ অভিযোগৰ মাজতে হাফলঙত লখিমপুৰৰ যুৱকৰ অকাল মৃত্যু

**অসম বাৰ্তা, ধেমাজি, ৭ অক্টোবৰ ঃ** চিকিৎসাৰ বাবে ছুটী নোপোৱাৰ অভিযোগৰ মাজতে হাফলঙত কৰ্মৰত লখিমপুৰৰ এজন যুৱকৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৃত যুৱকজন পল্লৱ কাকতি বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, পল্লৱ কাকতি Cachar Divisionৰ Haflong Sub-Divisionৰ অন্তৰ্গত Mahur Sub Post Officeৰ অধীনস্থ Tulpoi Branch Post Officeত GDS ABPM হিচাপে কৰ্মৰত আছিল। পৰৱৰ্তী সময়ত তেওঁ Electric Veng Branch Post Officeত BPM হিচাপেও সেৱা আগবঢ়াইছিল। অভিযোগ অনুসৰি, পল্লৱ কাকতি যক্ষ্মা (TB) ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। চিকিৎসকে তেওঁক পৰ্যাপ্ত বিশ্ৰাম গ্ৰহণ কৰাৰ লগতে নিয়মীয়াকৈ চিকিৎসা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। এনে পৰিস্থিতিত তেওঁ আৰু তেওঁৰ মাতৃয়ে ২৪ আৰু ২৫ ছেপ্টেম্বৰ ২০২৬ তাৰিখে চিকিৎসা ছুটীৰ বাবে সংশ্লিষ্ট ডাক বিভাগীয় বিষয়াৰ ওচৰত আবেদন কৰিছিল। কিন্তু অভিযোগ অনুসৰি, তেওঁৰ গুৰুতৰ অসুস্থতাৰ বিষয়ে অৱগত কৰাৰ পিছতো চিকিৎসা ছুটী মঞ্জুৰ কৰা হোৱা নাছিল। পৰৱৰ্তী সময়ত ২৬ ছেপ্টেম্বৰ তাৰিখে পল্লৱ কাকতিক Haflong Government Hospitalত ভৰ্তি কৰোৱা হয়। ৩০ ছেপ্টেম্বৰ তাৰিখে চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ পৰামৰ্শ দিয়ে। কিন্তু দুৰ্ভাগ্যজনকভাৱে গুৱাহাটীলৈ লৈ যোৱাৰ পথতে তেওঁৰ মৃত্যু ঘটে। পল্লৱ কাকতিৰ মৃত্যুৰ ঘটনাক লৈ ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘ (BGDKS), অসম চক্ৰ সমিতিয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি ঘটনাটোৰ এখন নিৰপেক্ষ বিভাগীয় তদন্তৰ দাবী জনাইছে। সংগঠনটোৱে চিকিৎসা ছুটী অস্বীকাৰৰ অভিযোগৰ লগতে TRCA/দৰমহা বন্ধ আৰু অন্যান্য বিভাগীয় বিষয়ৰো তদন্তৰ দাবী জনাইছে। ইফালে, একমাত্ৰ পুত্ৰক হেৰুৱাই পৰিয়ালটো গভীৰ শোকত ভাগি পৰিছে। সংগঠনটোৱে ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ জৰিয়তে প্ৰকৃত সত্য উদঘাটন কৰি, যদি কোনো বিষয়াৰ গাফিলতি বা দায়িত্বহীনতা প্ৰমাণিত হয়, তেন্তে সংশ্লিষ্ট লোকৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালটোক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনাইসদ্যপ্ৰয়াত পল্লৱ কাকতিৰ অকাল মৃত্যুত ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘ (BGDKS), অসম চক্ৰ সমিতিৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কাৰাৰ লগতে অসম চক্ৰ সমিতিৰ সম্পাদক ধন্যকান্ত বৰাই পল্লৱ কাকতিৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি কয় যে মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে এই গভীৰ দুখৰ সময়ত পৰিয়ালটোক ধৈৰ্য আৰু সাহস প্ৰদান কৰিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

# মাৰ্ঘেৰিটাত দিনজোৰা 'সেৱা সংকল্প' সেৱা আৰু স্বাস্থ্য শিবিৰ অনুষ্ঠিত

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৭ অক্টোবৰ ঃ** ৰাজ্যজুৰি চলি থকা 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে আজি মাৰ্ঘেৰিটাৰ ইণ্ডিয়া ক্লাবত দিনজোৰা সেৱা শিবিৰ অনুষ্ঠিত হয়। সাধাৰণ জনসাধাৰণৰ ওচৰলৈ চৰকাৰী সেৱা আৰু অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা অধিক সহজে লৈ যোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই শিবিৰত ৬, ৫০০ৰো অধিক লোকে পঞ্জীয়ন কৰে। বিপুল সংখ্যক লোকৰ অংশগ্ৰহণে শিবিৰটোৰ প্ৰতি জনসাধাৰণৰ যথেষ্ট সঁহাৰি প্ৰতিফলিত কৰে। মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা আৰু তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত সুমিত সত্তাৱান, আই এ এছ-এ যুটীয়াভাৱে শিবিৰটোৰ শুভ উদ্বোধন কৰে। মাৰ্ঘেৰিটা সমজিলা আয়ুক্ত কে. এন. চন্দনা জাহ্নৱী, আই এ এছৰ নিৰ্দেশনাত মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত এই সেৱা শিবিৰটো অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে, জনসাধাৰণক তৃণমূল পৰ্যায়তে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা প্ৰদান কৰাৰ লগতে নাগৰিক-কেন্দ্ৰিক সেৱা প্ৰদান ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ উদ্যোগত ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ ৰাজ্যজুৰি 'সেৱা সংকল্প অভিযান' পালন কৰা হৈছে। শিবিৰটোত বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰি জনসাধাৰণক বিভিন্ন চৰকাৰী আঁচনি আৰু ৰাজহুৱা সেৱাৰ বিষয়ে তথ্য, পৰামৰ্শ আৰু প্ৰয়োজনীয় সহায় আগবঢ়ায়। শিবিৰত অৰুনোদয়, ৰাজহ বিভাগৰ বিভিন্ন সেৱা, স্বাস্থ্যসেৱা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কিষাণ ক্ৰেডিট কাৰ্ড, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আঁচনি (MGNREGA), সেৱা সেতু, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ, নিজুত মইনা, জন্ম আৰু মৃত্যু পঞ্জীয়ন প্ৰমাণপত্ৰ, নতুন ৰেচন কাৰ্ড, পিএম স্বনিধি আদি বিভিন্ন আঁচনি আৰু সেৱাৰ সুবিধা প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ বাবে নতুনকৈ আবেদন গ্ৰহণ কৰা হয়। অনলাইন আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰা, প্ৰয়োজনীয় নথি-পত্ৰ প্ৰস্তুত কৰা আৰু অন্যান্য আনুষংগিক প্ৰক্ৰিয়াতো ৰাইজক সহায়-সহযোগিতা আগবঢ়োৱা হয়। এই উদ্যোগৰ মূল উদ্দেশ্য আছিল যোগ্য হিতাধিকাৰীসকলে যাতে চৰকাৰী কল্যাণমূলক আঁচনি আৰু জনসেৱাসমূহ সহজে লাভ কৰিব পাৰে আৰু চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচীৰ বিষয়ে অধিক সজাগতা লাভ কৰে। 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অধীনত অনুষ্ঠিত পঞ্চমটো স্বাস্থ্য শিবিৰো একেটা স্থানতে আয়োজন কৰা হয়। এই স্বাস্থ্য শিবিৰত মুঠ ৬১২ গৰাকী লোকে বহিৰ্বিভাগীয় সেৱা (OPD) গ্ৰহণ কৰে। স্বাস্থ্য শিবিৰত বহিৰ্বিভাগীয় চিকিৎসা পৰামৰ্শ, বিভিন্ন ৰোগ নিৰ্ণয় আৰু স্বাস্থ্য পৰীক্ষা, স্বাস্থ্য পৰামৰ্শ, ৰোগ প্ৰতিৰোধমূলক আৰু স্বাস্থ্য উন্নয়নমূলক সেৱা, বিশেষভাৱে সক্ষম ব্যক্তিৰ মূল্যায়ন আদি সেৱা আগবঢ়োৱা হয়। চকু, নাক-কাণ-ডিঙি (ENT), স্ত্ৰী আৰু প্ৰসূতিৰোগ, মানসিক স্বাস্থ্য, অস্থি আৰু সন্ধি, ছালৰোগ আদি বিভিন্ন বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে শিবিৰত উপস্থিত থাকি ৰোগীসকলক চিকিৎসা পৰামৰ্শ আৰু প্ৰয়োজনীয় সেৱা আগবঢ়ায়। একে স্থানতে চৰকাৰী বিভিন্ন বিভাগৰ সেৱা আৰু স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰাৰ সুযোগ সৃষ্টি হোৱাত শিবিৰটোৱে সাধাৰণ ৰাইজৰ বাবে যথেষ্ট সুবিধা প্ৰদান কৰে। এনে উদ্যোগৰ জৰিয়তে চৰকাৰী সেৱা আৰু জনকল্যাণমূলক আঁচনিসমূহ জনসাধাৰণৰ অধিক ওচৰলৈ লৈ যোৱাৰ লগতে স্বাস্থ্যসেৱা সহজলভ্য কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। দিনজোৰা এই সংযুক্ত সেৱা আৰু স্বাস্থ্য শিবিৰে নাগৰিকসকলক একেটা স্থানতে বিভিন্ন চৰকাৰী সেৱা, আঁচনি আৰু স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰাৰ সুযোগ প্ৰদান কৰে। লগতে মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ সহজলভ্য, দ্ৰুত, সঁহাৰিমূলক আৰু জনমুখী সেৱা প্ৰদানৰ প্ৰতি থকা গুৰুত্বকো প্ৰতিফলিত কৰে।

ত্ৰিশখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ; কুইজ, বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

# নামনি মাজুলীত সেৱা সংকল্প অভিযানৰ অধীনত শিক্ষা বিভাগৰ মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৭ অক্টোবৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া শাসনৰ সেৱা আৰু সমৰ্পনৰ দিন হিচাপে দেশজুৰি উদ্‌যাপন কৰা সেৱা সংকল্প অভিযানৰ অধীনত আজি মাজুলী জিলা শিক্ষা বিভাগৰ উদ্যোগত নামনি মাজুলীত মণ্ডল পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি নামনি মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত নামনি মণ্ডলৰ উক্ত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। আজি পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা কুইজ, বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাত বিশখন মধ্য ইংৰাজী বিদ্যালয়, দহখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাসমূহৰ আঁত ধৰে নামনি মণ্ডলৰ খণ্ড মণ্ডল সমন্বয়ক সপোন দত্ত আৰু ৰূপজ্যোতি শইকীয়াই। অনুষ্ঠানত কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতা আৰু বৰুণ চিতাদাৰচুক মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক গিৰীশ তামোলীয়ে। বক্তৃতা প্ৰতিযোগিতা পৰিচালনা কৰে কৰতিপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নিল্যোৎপল হাজৰিকা আৰু নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দিগন্ত শইকীয়াই। উক্ত প্ৰতিযোগিতাসমূহৰ ফলাফল এনেধৰণৰ। কুইজ প্ৰতিযোগিতাৰ "ক" শাখা"ৰ প্ৰথম স্থান: : জোনাকী জাতীয় বিদ্যালয়, (বৰ্ণিল আকাশ মুদৈ, স্বপ্নম দত্ত) দ্বিতীয় স্থান: শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়(ৰানীকা দাস, ৰেষ্টিনা কুলি), তৃতীয় স্থান: শ্ৰীলোহিত মধ্য ইংৰাজী বিদ্যালয় (সুদিপ্ত কাশ্যপ বৰুৱা, সংকল্পজিত মুদৈ), কুইজ প্ৰতিযোগিতাৰ "খ"শাখাৰ প্ৰথম স্থান: শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়। (সিদ্ধাৰ্থ বৰুৱা, সৌৰভ মুদৈ), দ্বিতীয় স্থান: জোনাকী জাতীয় বিদ্যালয়। (অভিনয়ন মিশ্ৰ, গৌৰী মেধি), তৃতীয় স্থান: অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়, (জ্যোতিস্মান ভূঞা, সমীৰণ বৰুৱা) বক্তৃতা প্ৰতিযোগিতা"ৰ "ক" শাখা" ৰ প্ৰথম স্থান: পিঞ্চিপ্ৰিয়া কলিতা - জোনাকী জাতীয় বিদ্যালয়, দ্বিতীয় স্থান-প্ৰাণজিত পেগু -বিবেকানন্দ বিদ্যালয়, চেলেক, আৰু তৃতীয় স্থান- ঘুনুশা দাস, কৰতিপাৰ উচ্চ মাধ্যমিক। বক্তৃতা প্ৰতিযোগিতাৰ "খ" শাখাৰ প্ৰথম স্থান: ঋতুপৰ্ণ শইকীয়া, অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়, দ্বিতীয় স্থান: প্ৰিয়াক্ষী শইকীয়া, শ্ৰীলোহিত উচ্চ মাধমিক বিদ্যালয়। তৃতীয় স্থান: পম্পী দলে, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, চেলেক। চিত্ৰাংকন প্ৰতিযোগিতাৰ "ক" শাখাঞ্চ ৰ প্ৰথম স্থান; অনুপম দাস - পঞ্চম শ্ৰেণী -সোৱাপাৰ প্ৰাথমিক বিদ্যালয়, দ্বিতীয় স্থান: বসন্ত পায়ে- পঞ্চম শ্ৰেণী, ১ নং বৰগএগ্ৰা প্ৰাথমিক বিদ্যালয়, তৃতীয় স্থান: ভাগ্য ভৰালী-চতুৰ্থ শ্ৰেণী, ৬৫ নং বালিচাপৰি প্ৰথমিক বিদ্যালয়। চিত্ৰাংকন প্ৰতিযোগিতাত "খ" শাখাৰ প্ৰথম স্থান: ৰিম্পী দাস-সপ্তম শ্ৰেণী, শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়, দ্বিতীয় স্থান - মৃগাংক ফুকন, সপ্তম শ্ৰেণী, জোনাকী জাতীয় বিদ্যালয়, তৃতীয় স্থান: জুহি দাস, অষ্টম শ্ৰেণী, কৰতিপাৰ উচ্চ প্ৰাথমিক বিদ্যালয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ "গ" শাখাৰ প্ৰথম স্থান - অভিলাষ বৰুৱা, দশম শ্ৰেণী, জোনাকী জাতীয় বিদ্যালয়, দ্বিতীয় স্থান- অৰূপ হাজৰিকা, দশম শ্ৰেণী, শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয় আৰু তৃতীয় স্থান- ধনঞ্জয় হাজৰীকা, দশম শ্ৰেণী, খাৰজানপাৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়। উক্ত, প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে সংশ্লিষ্ট বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক আৰু সহকাৰী শিক্ষকসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ শেষত শলাগৰ শৰাই আগবঢ়াই মণ্ডল খণ্ড সমন্বয়ক সপোন দত্ত আৰু ৰূপজ্যোতি শইকীয়াই।

# নিষ্ঠা-কৰ্মদক্ষতাৰ স্বীকৃতি ডিজিপি পদকেৰে উজ্বলিল মংগলদৈৰ মৃদুল শৰ্মা

**অসম বাৰ্তা, মঙলদৈ, ৭ অক্টোবৰ ঃ** অসম আৰক্ষীৰ প্ৰতি নিষ্ঠা, কৰ্মদক্ষতা আৰু ব্যতিক্ৰমী সেৱাৰ স্বীকৃতি হিচাপে অসম চৰকাৰৰ গৃহ বিভাগে ঘোষণা কৰা ২০২৫-২৬ বৰ্ষৰ সন্মানীয় ডিজিপি পদক লাভ কৰিবলৈ সক্ষম হৈছে মঙলদৈৰ অসম আৰক্ষী ৰেডিঅ' সংগঠনৰ এ.এছ.আই. মৃদুল শৰ্মাই। বৰ্তমান মংগলদৈ সদৰ থানাৰ Cypher Centre-ত কৰ্তব্যৰত মৃদুল শৰ্মাই নিজৰ নিষ্ঠাৱান সেৱা আৰু কৰ্মদক্ষতাৰ জৰিয়তে এই সন্মানীয় পদকৰ বাবে মনোনীত হয়। উল্লেখযোগ্য যে, সমগ্ৰ দৰং জিলাৰ এপিআৰঅ' শাখাৰ পৰা এইবাৰ একমাত্ৰ বিষয়া হিচাপে ডি.জি.পি. পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে মৃদুল শৰ্মাই। মংগলদৈ ২নং বামুণপাৰাৰ নিবাসী প্ৰয়াত হৰেশ্বৰ শৰ্মা আৰু অলকা দেৱীৰ একমাত্ৰ পুত্ৰ মৃদুল শৰ্মাৰ এই সফলতাত পৰিয়ালৰ লগতে সহকৰ্মীসকলৰ মাজতো আনন্দৰ সৃষ্টি হৈছে। তেওঁৰ এই কৃতিত্বত দৰং জিলা এপিআৰঅ' শাখাৰ পৰিদৰ্শক অনিল দাসৰ লগতে সতীৰ্থ বিষয়া-কৰ্মচাৰীসকলে আনন্দ প্ৰকাশ কৰি মৃদুল শৰ্মাক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। এই সন্মানে তেওঁক আগন্তুক দিনত অধিক নিষ্ঠা আৰু উৎসাহেৰে কৰ্তব্য পালনত অনুপ্ৰাণিত কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰে।

অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ

# ছয়গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক গিৰীশ শালৈৰ দেহাৱসান

**অসম বাৰ্তা, ছয়গাঁও, ৭ অক্টোবৰ ঃ** কামৰূপ জিলাৰ ছয়গাঁৱৰ ভাটাপাৰা নিবাসী তথা ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক গিৰীশ শালৈৰ (৬৮) আজি পুৱা প্ৰায় ৭-২০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। জানিব পৰামতে তেওঁ কিছুদিন আগতে নিজগৃহতে এক দুৰ্ঘটনাত পতিত হৈছিল। তাৰ পিছৰে পৰা তেওঁৰ চিকিৎসা চলি আছিল। পিচত আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত শালৈয়ে পত্নী বিভা মহন্ত শালৈ, দুই পুত্ৰ মৃদুপৱন শালৈ, কৌস্তভ শালৈকে ধৰি অসংখ্য আত্মীয় স্বজন ইহ সংসাৰত এৰি থৈ যায়। উল্লেখ্য যে প্ৰয়াত গিৰিশ শালৈয়ে ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় সহকাৰী বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩ বছৰ ধৰি শিক্ষকতা কৰি ২০১৮ চনত অৱসৰ গ্ৰহণ কৰিছিল। আজি তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত বহু সংখ্যক লোক উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা শালৈৰ মৃতদেহ পোনে পোনে ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ নিয়া হয় আৰু তাত শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পিছতে নিজ গৃহৰ পৰা শালৈৰ মৃতদেহ মঠপাৰাৰ ৰাজহুৱা শ্মশানলৈ নি তাত শেষ কৃত্য সম্পন্ন কৰা হয়। সহজ সৰল আৰু অমায়িক স্বভাৱৰ শিক্ষক শালৈৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰে। ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী অম্বিকা প্ৰসাদ দেৱশৰ্মা, সমাজকৰ্মী লোহিত ঠাকুৰীয়া, প্ৰদীপ কুমাৰ দাস, যতীন দাস, অৱসৰপ্ৰাপ্ত শিক্ষক কিৰণ চন্দ্ৰ কলিতা, চক্ৰধৰ চৌধুৰী, মহন্ত দাস, ৰবীন শালৈ, ব্যৱসায়ী ধ্ৰুৱ দাস(ভৰ), ৰমেন শালৈ, সমীৰণ চৌধুৰী প্ৰয়াত শালৈৰ ছাত্ৰ ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ উপেন ডেকাকে ধৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি আৰু দল-সংগঠনৰ প্ৰতিনিধি প্ৰয়াত শালৈৰ বাসগৃহত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰে।

বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিত ৭৬৮ জন লোকক চিকিৎসা সেৱা প্ৰদান

# বিধায়ক মৃণাল শইকীয়াৰ গোলাঘাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ অক্টোবৰ ঃ** দেশজুৰি চলি থকা সেৱা সংকল্প অভিযানৰ কাৰ্যসূচী ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈকে অব্যাহত থাকিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অবিৰত জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰাত তেখেতৰ সৰ্বজনীন সেৱাৰ প্ৰতি কৃতজ্ঞতা অৰ্পণ কৰি এই অভিযানৰ পৰিকল্পনা কৰা হৈছে। এই সময়চোৱাত ৰাজ্য চৰকাৰে বিভিন্ন কাৰ্যসূচী হাতত লৈছে আৰু ইয়াৰে ভিতৰত আছে স্বাস্থ্য আৰু কল্যাণ শিবিৰ। ইতিমধ্যে গোলাঘাট স্বাস্থ্য বিভাগে জিলা প্ৰশাসনৰ নিৰ্দেশনা অনুসৰি ৩ অক্টোবৰ তাৰিখৰ পৰা স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰিছে। ইয়াৰ অংশ স্বৰূপে আজি গোলাঘাট কেন্দ্ৰীয় উন্নয়ন খণ্ড, কঠালগুৰিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। কঠালগুৰিত আয়োজন কৰা স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি কৰে খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। উদ্বোধনী অনুষ্ঠানত অতিৰিক্ত আয়ুক্তসকল, জিলা পৰিষদৰ সদস্য সকল, মহকুমা স্বাস্থ্য বিষয়াৰ উপৰিও স্বাস্থ্য বিভাগৰ বিষয়া - কৰ্মচাৰী আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে। শুভাৰম্ভণি অনুষ্ঠান পিছতে স্বাস্থ্য আৰু কল্যাণ শিবিৰত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত হয় আৰু স্বাস্থ্য শিবিৰ পৰিদৰ্শন কৰি স্বাস্থ্যকৰ্মী সকলৰ লগত মত-বিনিময় কৰে। সকলো চৰকাৰী বিভাগৰ সংহত অংশগ্ৰহণেৰে তথা বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিৰ উপৰিও এম বি বি এছ চিকিৎক, আয়ুস চিকিৎসক, মৌলিক স্বাস্থ্য পৰীক্ষা, অসংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ নিৰ্ধাৰণ পৰীক্ষা, ঔষধ বিতৰণকে আদি কৰি যোগাসন, আভা নম্বৰ সৃষ্টি, আয়ুষ্মান ভাৰতৰ অধীনত ই -কে ৱাই চি, পুষ্টিৰ বিষয়ে সজাগতাৰ লগতে ৰাইজক স্বাস্থ্যসন্মত জীৱনশৈলী মানি চলিবৰ বাবে সজাগ কৰা হয়। স্বাস্থ্য শিবিৰত বিনামূলীয়া ভাবে এক্স-ৰে আৰু ইচিজি সেৱাও উপলব্ধ কৰা হয়। খুমটাইৰ এই স্বাস্থ্য আৰু কল্যাণ শিবিৰত মুঠ ৭৬৮ ৰোগীয়ে স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰে। স্বাস্থ্য আৰু কল্যাণ শিবিৰত শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসকসকল, এ এন এম, ৰাষ্ট্ৰীয় মোবাইল ইউনিট, ১০৮ এম্বুলেন্স সেৱা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ স্বাস্থ্য কৰ্মী সকল, বহুমুখী স্বাস্থ্যকৰ্মী, ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ বিষয়া-কৰ্মচাৰী, ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ স্বাস্থ্যকৰ্মীসকল, সামূহিক স্বাস্থ্য বিষয়া, আশা ছুপাৰভাইছৰ, আশা কৰ্মীসকলকে আদি কৰি অন্যান্য স্বাস্থ্য কৰ্মী সকলে সেৱা আগবঢ়াই। উল্লেখযোগ্য যে মাহজোৰা দেশব্যাপি সেৱা সংকল্প অভিযানৰ দ্বাৰা নাগৰিকৰ সুবিধাৰ্থে সকলো ধৰণৰ চৰকাৰী সেৱা তথা সুবিধাসমূহ জনতাৰ কাষত গৈ প্ৰদান কৰাৰ প্ৰচেষ্টাৰে এক বিস্তৃত কাৰ্যসূচীৰ জৰিয়তে ৰাইজক স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰাৰ হেতু স্বাস্থ্য আৰু কল্যাণ শিবিৰ সমূহ বিভিন্ন উন্নয়ন খণ্ডকে আদি কৰি গোলাঘাট জিলাৰ পৌৰসভাৰ অন্তৰ্গত ৱাৰ্ডসমূহত আয়োজন কৰা হৈছে।

# সেৱা সংকল্প অভিযানৰ অধীনত মঙলদৈত বক্তৃতা প্ৰতিযোগিতা

## প্ৰিয়াংশ্ৰী শিৰ্ম-ছোহেইল হুছেইন শ্ৰেষ্ঠ

**অসম বাৰ্তা, মঙলদৈ, ৭ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অন্তৰ্গত ৫০নং মঙলদৈ বিধানসভা সমষ্টিৰ ভিত্তিত মঙলদৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু কলাইগাঁও শিক্ষাখণ্ডৰ যৌথ উদ্যোগত মঙলবাৰে মঙলদৈ বিদ্যাপীঠ হাইস্কুলৰ প্ৰাংগণত এখন বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত দুটা শাখাত মুঠ প্ৰায় ১৫০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। 'ক' শাখাত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু 'খ' শাখাত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীসকলে প্ৰতিযোগিতাত অংশ লয়। 'ক' শাখাত পি এম শ্ৰী মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী প্ৰিয়াংশ্ৰী শিৰমে প্ৰথম স্থান, মুক্তিযোদ্ধা দেৱৰীয়া আদৰ্শ বিদ্যালয়ৰ ছাত্ৰী ভাস্তি হাজৰিকাই দ্বিতীয় স্থান আৰু আক্ৰা একাডেমীৰ ছাত্ৰ আফ্ৰিন আফচানা আহমেদে তৃতীয় স্থান লাভ কৰে। আনহাতে, 'খ' শাখাত মঙলদৈ ডনবন্ধ বিদ্যালয়ৰ ছাত্ৰ ছোহেইল হুছেইনে প্ৰথম স্থান, ডলিবাৰী হাইস্কুলৰ ছাত্ৰী যুগস্মিতা নাথে দ্বিতীয় স্থান আৰু পি এম শ্ৰী মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী চাজিনাবেগমে তৃতীয় স্থান লাভ কৰে। অনুষ্ঠানত অধ্যক্ষৰ আসন অলংকৃত কৰে ৰাজ্যিক কৃতী শিক্ষক দীনবন্ধু চহৰীয়া আৰু বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষক বিপুল শৰ্মাই। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্ব পালন কৰে ডায়েট, দৰঙৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেবেন্দ্ৰ কুমাৰ কলিতা, ভোলানাথ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল চন্দ্ৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক মৃণাল ৰাজবংশী আৰু বিদ্যালয়ৰ সমন্বয়ক কংকন গোস্বামীয়ে। প্ৰতিযোগিতাৰ আৰম্ভণিতে কেবিনেট মন্ত্ৰী নীলিমা দেবীয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়াই শিক্ষাৰ্থীসকলক উৎসাহিত কৰে। বক্তৃতা প্ৰতিযোগিতাখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্মবিশ্বাস, যুক্তিবোধ, প্ৰকাশভংগী আৰু নেতৃত্বৰ গুণ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি অনুষ্ঠানত প্ৰকাশ কৰা হয়। ❑

# ডিব্ৰুগড়ত বিশ্ব শিক্ষক দিৱস উপলক্ষে-কানৈ কমাৰ্চ কলেজত শিক্ষকতা বৃত্তিৰ সমসাময়িক বিষয়ক লৈ ভাৱ-বিনিময়মূলক আলোচনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৭ অক্টোবৰ ঃ** বিশ্ব শিক্ষক দিৱস উপলক্ষে ডি এইচ এছ কে কমাৰ্চ কলেজ, ডিব্ৰুগড়ত "কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষকতা বৃত্তিৰ সন্মুখীন হোৱা সমসাময়িক বিষয়সমূহ" শীৰ্ষক এক গুৰুত্বপূৰ্ণ ভাৱ- বিনিময় মুলক আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ জয়দেৱ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰি সমল ব্যক্তি আৰু সকলো অংশগ্ৰহণ কাৰীক আন্তৰিক আদৰণি জনায়। তেওঁ কৃত্ৰিম বুদ্ধিমত্তাৰ দ্ৰুত বিকাশৰ পৰিপ্ৰেক্ষিতত শিক্ষকতা বৃত্তিত আহি পৰা পৰিৱৰ্তন আৰু নতুন প্ৰত্যাহ্বান সমূহৰ সৈতে শিক্ষকসকলে নিজকে খাপ খুৱাই লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডঃ সুৰজিত বৰকটকী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক তথা হাংগেৰীৰ বুদাপেষ্টস্থিত খৰভিনাচ ইনষ্টিটিউট ফৰ এডভাঞ্চড ষ্টাডিজৰ ছিনিয়ৰ ভিজিটিং ৰিচাৰ্ছ ফেল'। তেওঁ কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষকসকলৰ ভূমিকা, শিক্ষাদান- শিক্ষণ প্ৰক্ৰিয়াত এ-আইৰ প্ৰভাৱ, প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ আৰু শিক্ষাৰ মানৱীয় দিশ অক্ষুণ্ণ ৰখাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। আলোচনাত শিক্ষক-শিক্ষয়িত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি এ আই আৰু শিক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয়ত সমল ব্যক্তিৰ সৈতে প্ৰশ্নোত্তৰ আৰু মত-বিনিময় কৰে। অনুষ্ঠানটো ডঃ মিণ্টু কুমাৰ দাসৰ সমন্বয়ত সুচাৰুৰূপে অনুষ্ঠিত হয়। অনুষ্ঠানটোৱে অংশগ্ৰহণকাৰী সকলৰ মাজত যথেষ্ট আগ্ৰহ আৰু উৎসাহ সৃষ্টি কৰাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষকসকলৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে এক নতুন দৃষ্টিভংগীৰ সৃষ্টি কৰে।

## বানাক্ৰান্তৰ ক্ষতিপূৰণৰ দাবীত

দাবীত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে সত্যাগ্ৰহ কাৰ্যসূচী আৰম্ভ কৰিছে। ২ অক্টোবৰ ২০২৬, গান্ধী জয়ন্তীৰ দিনাৰ পৰা তেওঁ এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি ৭ অক্টোবৰ, বুধবাৰে তেওঁ এখন সংবাদমেল সম্বোধন কৰি চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ তীব্ৰ হুংকাৰ প্ৰদান কৰে। সংবাদমেলত অখিল গগৈয়ে কয় যে তেওঁৰ আন্দোলনে আজি ষষ্ঠ দিনত ভৰি দিছে। কিন্তু মুখ্যমন্ত্ৰীয়ে দিয়া বক্তব্যৰ উত্তৰ দিয়াৰ প্ৰয়োজন তেওঁ অনুভৱ কৰিছে। তেওঁ অভিযোগ কৰে, "এই পাঁচ দিন মোক গালি পৰা হৈছে, কিন্তু মূল বিষয়টোক লৈ একো কোৱা নাই। প্ৰলয়ক লৈ একো নকয়; বেলেগে ক'লে তিঙিৰি তুলা হয়। ১৯ জুলাইৰ প্ৰলয়ৰ কথা ক'লে তেওঁৰ মূৰে কাম নকৰা হয়। এতিয়ালৈকে তেওঁ এটাও সকাৰাত্মক বাক্য প্ৰকাশ কৰা নাই। আন্দোলন কৰা বাবেহে হেনো তেওঁ সহায় দিয়ে। অথচ মই প্ৰলয়ৰ ৭৬ দিনৰ পৰাহে এই আন্দোলন কৰিছোঁ। আমাক সহযোগিতা কৰিব নালাগে; দুই লাখ বন্যাৰ্ত পৰিয়ালক পূৰ্ণ ক্ষতিপূৰণ দিয়া বুলি ক'লে মই ইয়াৰ পৰা আঁতৰি যাম।" শিক্ষাগুৰুসকলে সমীক্ষা কৰি আছে বুলি কোৱা কথাটোতেই গণ্ডগোল বুলি উল্লেখ কৰি গগৈয়ে কয় যে সমীক্ষাতেই ত্ৰুটি আছে। সমীক্ষাই মাত্ৰ ৫৫ হাজাৰ বানাক্ৰান্তৰ কথা কৈছে; অথচ প্ৰকৃততে দুই লাখৰো অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ আৰু কয় যে বিজেপিয়ে তীব্ৰ আন্দোলন কৰক। প্ৰতিটো বন্যাৰ্ত পৰিয়ালক সহায় দিয়াৰ বাবে আৰু বানৰ কাৰণৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰক; তেৰোঁ তাক সমৰ্থন জনাব। ২০১৪ চনত আন্দোলনক ছালাম বুলি কিয় প্ৰতিবাদ কৰা হৈছিল বুলি প্ৰশ্ন কৰি তেওঁ কয়, অসম বিধানসভাত এজন বিধায়কে অকলে প্ৰতিবাদ কৰাটো অপৰাধ নে বানাক্ৰান্তক সহায় নিদিয়াটো অপৰাধ। মুখ্যমন্ত্ৰীৰ সমালোচনা কৰি অখিল গগৈয়ে কয় যে তেওঁ এবাৰ কৈছিল তৰুণ গগৈক সুধি প্ৰতিবাদ কৰিছিল, আকৌ কৈছে তেওঁ প্ৰতিবাদ কৰা গমেই নাপায়। উজনিৰ প্ৰলয়ৰ কথা সুধিলে মুখ্যমন্ত্ৰীৰ কিয় খং উঠে? প্ৰলয়ৰ ক্ষতিগ্ৰস্তক দিবলৈ টকা নাপায় মুখ্যমন্ত্ৰীৰ মূৰ গৰম হৈছে নেকি বুলি তেওঁ প্ৰশ্ন কৰে। কেন্দ্ৰীয় চৰকাৰে ১২০০ কোটি টকা দিয়াৰ কথা কৈছে; কিন্তু সেয়া একোৱেই নহয় বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ মতে, মোডীৰ সন্মুখত মুখ্যমন্ত্ৰীয়ে জোৰকৈ কথাখিনি ৰাখিব পৰা নাই। বিৰোধী দলপতিক পাগল বুলি কোৱা মানুহজনে মোডীৰ সন্মুখত একো ক'ব নোৱাৰে বুলি তেওঁ কটাক্ষ কৰে। তেওঁ ইয়াকো কয় যে আমাৰ ইয়াত বৰমতা মানুহজনে দিল্লীত ভিজা মেকুৰী হৈ পৰে। দিল্লীত অসমৰ প্ৰলয় ডিজেষ্টাৰ অৱ চিভেয়েৰ নেচাৰ বুলি উপস্থাপন কৰিব নোৱাৰা তেওঁৰ মন্ত্ৰী সুশান্ত বৰগোহাঁই, ময়ূৰ বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰৰ বাবেই উজনিৰ বান হ'ল; আৰু এই কথা ক'লেই তেওঁৰ মূৰ গৰম হৈ যায়। খত্বগুট্ৰয়ে দিয়া ৪০ কোটি টকা এতিয়ালৈকে মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ পৰা মুকলি কৰি দিয়া নাই বুলি উল্লেখ কৰি গগৈয়ে কয়, "আজি নিশা ১২ বজালৈ অপেক্ষা কৰিম। তেওঁলোকে সিদ্ধান্ত লওক। যদি একো সঁহাৰি নাপাওঁ, তেন্তে কাইলৈৰ পৰা সমগ্ৰ অসমত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঞ্জি তোলা হ'ব।" সহায় দিব নোৱাৰাটো দেউলীয়া চৰকাৰ এখনৰ নিদৰ্শন বুলি তেওঁ মন্তব্য কৰে। দুই লাখ বন্যাৰ্তৰ বিপৰীতে ৫৫ হাজাৰ বুলি দেখুওৱাটো এক প্ৰহসন বুলি তেওঁ অভিহিত কৰে। তেওঁৰ অভিযোগ, হিমন্ত বিশ্ব শৰ্মাই আন্দোলন হ'লে কঠোৰ হাতেৰে দমন কৰিব; প্ৰতিবাদ কৰিলে গুলীয়াব, তেওঁক গাড়ীৰে খুন্দিয়াব বা খেদি পঠিয়াই গুলীয়াব। এইখন এনকাউণ্টাৰ কৰা চৰকাৰ আৰু ন্যায়বহিৰ্ভূত হত্যা কৰা চৰকাৰ বুলি তেওঁ মন্তব্য কৰে। প্ৰণৱ বড়োৰ নাম লৈ থাকিলে মুখ্যমন্ত্ৰীৰ মুখত পোক লাগিব বুলি কটাক্ষ কৰি তেওঁ কয় যে প্ৰণৱ বড়ো হৈছে অসম মাতৃৰ বাবে প্ৰাণ বলিদান দিয়া সন্তান। লগতে শিলচৰ নিৰ্বাচনত জয়ী হৈ মুখ্যমন্ত্ৰীয়ে ফটকা ফুটাই মূৰ্খতাৰ পৰিচয় দিয়া বুলি তেওঁ সমালোচনা কৰে।

## ইণ্ডিয়া ব্লকৰ বৃহৎ প্ৰতিবাদ; আটক ৰাহুল

সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই ইণ্ডিয়া ব্লকৰ সাংসদসকলৰ বাবে আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্ৰহণৰ অন্তত এই পদযাত্ৰা অনুষ্ঠিত হয়। এই বৈঠকত বিৰোধী দলৰ নেতাসকলে SIR-ক লৈ নিজৰ উদ্বেগ প্ৰকাশ কৰে আৰু নিৰ্বাচন আয়োগৰ সৈতে জৰুৰী বৈঠকৰ দাবী জনাই প্ৰেৰণ কৰা এখন পত্ৰৰ বিষয়ে আলোচনা কৰে। বৈঠকৰ অন্তত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কয়, "আমি এতিয়া যন্তৰ মন্তৰত প্ৰতিবাদ কৰিম।" জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী জনাই তেওঁ কয় যে বিৰোধীয়ে এই বিষয়টো উত্থাপন কৰি থাকিব। তেওঁ লগতে কয় যে জ্ঞানেশ কুমাৰে পদত্যাগ কৰিবই লাগিব। ইপিনে, যন্তৰ মন্তৰৰ সমীপত প্ৰতিবাদ কৰি থকাৰ মাজতে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৰাদ্ৰাৰ লগতে ইণ্ডিয়া ব্লকৰ অন্যান্য সাংসদক আৰক্ষীয়ে আটক কৰি যন্তৰ মন্তৰৰ ওচৰৰ পৰা লৈ যায়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ভাৰতীয় নিৰ্বাচন আয়োগৰ বিৰুদ্ধে সাংসদসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। যন্তৰ মন্তৰলৈ যোৱা পথত ইণ্ডিয়া ব্লকৰ সাংসদক আৰক্ষীয়ে আটক কৰি ৰখাৰ সময়ত কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধী ৰাদ্ৰাই অসুস্থ অনুভৱ কৰি শুই পৰে। তেওঁ কয়, "কেৱল নিৰ্বাচন আয়ুক্তক লগ কৰিবলৈ কোৱা সংসদৰ সদস্যসকলৰ লগত তেওঁলোকে এনে ব্যৱহাৰ কৰে। আৰক্ষীয়ে আমাক আঁজুৰি মাৰি মাটিত পেলাই দিলে। মই ইয়াৰ পৰা লৰচৰ নকৰোঁ; তেওঁলোকে নিজৰ বাহিনীক পিছুৱাই যাবলৈ কওক।" মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে ইণ্ডিয়া ব্লকৰ প্ৰতিবাদৰ সময়ত টিএমচিৰ ৰাজ্যসভাৰ সাংসদ ডেৰেক অ'ব্ৰেইনকো আৰক্ষীয়ে আটক কৰে। তীব্ৰ নিৰাপত্তা আৰু উত্তেজনাৰ মাজতে বিৰোধী দলৰ কেইবাগৰাকীও নেতাই এই বিক্ষোভ অব্যাহত ৰাখে।

## চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ

মোৰ সফল ভাৰত ভ্ৰমণৰ পিছত, আমাৰ দুয়োখন দেশৰ মাজৰ এই সুদৃঢ় অংশীদাৰিত্বক অধিক গভীৰ কৰি তোলাৰ বাবে মই আগ্ৰহেৰে বাট চাইছো।" ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজভেল্ট স্কেৰিটে মোদীৰ নিৰন্তৰ সেৱা আৰু ডমিনিকাৰ প্ৰতি দেখুওৱা বন্ধুত্ব তথা উদাৰতাৰ শলাগ লৈ দুয়ো দেশৰ সম্পৰ্ক অধিক সুদৃঢ় হোৱাৰ কামনা কৰে। অভিনন্দনমূলক বাৰ্তা শ্বেয়াৰ কৰি তেওঁ কয়, "মোৰ প্ৰিয় বন্ধু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গুজৰাটত আৰম্ভ হোৱা আৰু ভাৰতৰ নেতৃত্বৰ মাজেৰে অব্যাহত থকা চৰকাৰৰ মুৰব্বী হিচাপে আপোনাৰ একেৰাহে ২৫ বছৰীয়া নিৰন্তৰ সেৱাৰ বাবে মই আপোনাক আন্তৰিক অভিনন্দন জনাইছো। আপোনাৰ এই বিশেষ ক্ষণত ডমিনিকালৈ আগবঢ়োৱা বন্ধুত্ব আৰু আমাৰ জনসাধাৰণৰ প্ৰতি দেখুওৱা উদাৰতাৰ বাবে মই কৃতজ্ঞতা প্ৰকাশ কৰিব বিচাৰিছো। মই আমাৰ দুয়োখন দেশৰ মাজৰ বান্ধোনক মূল্য দিওঁ আৰু আগন্তুক বছৰবোৰত ইয়াক অধিক আগুৱাই নিবলৈ আশাবাদী। ডমিনিকাৰ চৰকাৰ, ইয়াৰ জনসাধাৰণ আৰু মোৰ ব্যক্তিগত তৰফৰ পৰা মই আপোনাৰ সুস্বাস্থ্য, শক্তি আৰু ভাৰতবাসীৰ প্ৰতি আপোনাৰ সেৱাত নিৰন্তৰ সফলতা কামনা কৰিছো।" আনহাতে, নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুৰ কাৰ্যালয়ে এক চৰকাৰী বিবৃতিযোগে ২৫ বছৰীয়া এই ঐতিহাসিক মাইলৰ খুঁটিত উপনীত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক ভাতৃত্ববোধৰ অভিনন্দন জনায়। বিশ্বৰ এই প্ৰশংসাৰ লগতে ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টোবগেয়ে মোদীৰ নেতৃত্বক 'প্ৰজ্ঞা, সাহস আৰু সহানুভূতিৰ প্ৰতীক' বুলি অভিহিত কৰে। তেওঁ ২০৪৭ চনৰ 'বিকশিত ভাৰত'ৰ লক্ষ্য, "B4B" (ভাৰতৰ বাবে ভূটান, ভূটানৰ বাবে ভাৰত) ফ্ৰেমৱৰ্ক আৰু মোদীক প্ৰদান কৰা ভূটানৰ সৰ্বোচ্চ সন্মান 'অৰ্ডাৰ অৱ দ্য ড্ৰুক গিয়ালপো'ৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিয়ে মোদীৰ অসাধাৰণ ৰাজনৈতিক যাত্ৰা আৰু জাতি গঠনৰ প্ৰতি থকা নিষ্ঠাক প্ৰশংসা কৰে। নিজৰ শেহতীয়া ভাৰত ভ্ৰমণৰ স্মৃতি সুঁৱৰি তেওঁ অনাগত বৰ্ষত দুয়ো দেশৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰীয়া জয়ন্তীৰ প্ৰাকক্ষণত 'মুক্ত আৰু মুকলি ইণ্ডো-পেচিফিক (FOIP)' গঢ়ি তোলা আৰু 'বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব' অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বাৰ্তাসমূহে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি আৰু বিশ্বৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সুদৃঢ় দ্বিপাক্ষিক সম্পৰ্কক প্ৰতিফলিত কৰিছে। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰীগৰাকীক শুভেচ্ছা জনাই এখন প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে শ্ৰীমোদীয়ে ২০০১ চনৰ ৭ অক্টোবৰত প্ৰথমবাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছিল। পৰৱৰ্তী পৰ্যায়ত তেওঁ ২০১৪ চনত দেশৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয় আৰু আজি তেওঁ চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ কৰিলে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী মোদীৰ এই ২৫ বছৰীয়া কাৰ্যকাল দেশৰ গণতন্ত্ৰৰ শক্তিৰ সাক্ষী বুলি অভিহিত কৰে। তেওঁ কয় যে এটা সাধাৰণ পৰিয়ালৰ পৰা অহা মোদীয়ে ৰাষ্ট্ৰৰ কল্যাণৰ বাবে নিজকে সমৰ্পিত কৰাটো গণতন্ত্ৰৰ সজীৱতা আৰু পৰিপক্কতাৰ উদাহৰণ। বৈষ্ণৱে লগতে কয় যে ২৫ বছৰ চৰকাৰৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণেৰে প্ৰধানমন্ত্ৰী মোদীয়ে গণতান্ত্ৰিক দেশৰ ভিতৰত ইতিহাস ৰচনা কৰিছে। তেওঁৰ মতে, বিশ্বত এনে বহু কম দেশ আছে, য'ত জনসাধাৰণে একেজন ব্যক্তিক দীৰ্ঘদিনৰ বাবে সমৰ্থন আগবঢ়াইছে। প্ৰধানমন্ত্ৰী মোদীৰ কামৰ প্ৰতি স্পৃহা, সততা তথা স্পষ্ট চিন্তাধাৰাৰ বাবে জনসাধাৰণে তেওঁৰ প্ৰতি সমৰ্থন আগবঢ়াইছে বুলি বৈষ্ণৱে উল্লেখ কৰে। বৈষ্ণৱে লগতে মন্ত্ৰীসভাৰ প্ৰস্তাৱৰ ১০টা গুৰুত্বপূৰ্ণ বিষয়তো আলোকপাত কৰে। 'গুজৰাটৰ পৰা সমগ্ৰ দেশলৈ উন্নয়নৰ দৃষ্টিভংগীৰ সম্প্ৰসাৰণ' শীৰ্ষক প্ৰথমটো বিষয়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাম আৰু নীতিৰ জৰিয়তে গুজৰাটত বহু পৰিৱৰ্তন সাধন কৰিছিল, যাৰ বাবে তেওঁক সমগ্ৰ বিশ্বতে সন্মান জনোৱা হৈছিল।

## এছিয়ান গেমছত স্বৰ্ণজয়ী লাভলীনা

সহযোগত আয়োজিত এই অনুষ্ঠানত বিভিন্ন সংগঠনে লাভলীনা বৰগোহাঁইক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ, প্ৰকাশ দাস, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, প্ৰাক্তন বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু ৰাজ্যিক ক্ৰীড়া সঞ্চালক উপস্থিত থাকে। এই উপলক্ষে মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কয় যে লাভলীনা বৰগোহাঁইৰ এই অনন্য কৃতিত্বই অসমৰ যুৱ প্ৰজন্মক সপোন দেখিবলৈ, কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু সাফল্যৰ নতুন শিখৰ স্পৰ্শ কৰিবলৈ অনুপ্ৰাণিত কৰিব। তেওঁ লাভলীনাক আগন্তুক দিনতো একে ধৰণৰ সাফল্যৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য, ২০২৬ এছিয়ান গেমছত লাভলীনা বৰগোহাঁইৰ সোণৰ পদক অৰ্জন অসমৰ ক্ৰীড়া জগতৰ বাবে এক গৌৰৱোজ্জ্বল মুহূৰ্ত। এই সাফল্যই ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন আশা আৰু উৎসাহৰ সঞ্চাৰ কৰিছে।

## মোদীৰ ২৫ বছৰীয়া ৰাজহুৱা সেৱাৰ

যুৱ সমাজে হাতে হাতে সেৱা জ্যোতি কলহ লৈ অংশগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত বিকশিত ভাৰত সংকল্প সভাত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ঐতিহাসিক যাত্ৰাক স্মৰণ কৰে। তেওঁ কয় যে আজি আৰম্ভ কৰা সেৱা জ্যোতি কলহ যাত্ৰাই সেৱা সংকল্প আৰু বিকশিত ভাৰতৰ বাৰ্তা ৰাজ্যৰ প্ৰতিটো প্ৰান্তলৈ কঢ়িয়াই নিব। অসমৰ উন্নয়ন আৰু বিকাশৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীৰ সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত আয়োজিত বিকশিত ভাৰত সংকল্প সভা তথা সেৱা জ্যোতি কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। এই উপলক্ষে তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ জনসেৱাৰ দীঘল পৰিক্ৰমাই ৰাষ্ট্ৰসেৱাৰ অনন্য অধ্যয়ৰ ৰূপ লৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ ৬টা বিধানসভা সমষ্টি সামৰি আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী ৰামেশ্বৰ টেলী, বিমল বৰা, কেইবাগৰাকীও বিধায়ক আৰু দলীয় নেতাসকলে অংশ লয়। ইপিনে, তেজপুৰৰ চাৰ্চফিল্ডত আয়োজিত জ্যোতি কলহ যাত্ৰাত মন্ত্ৰী অশোক সিংহলে অংশ লয়। শিৱসাগৰত আয়োজিত অনুষ্ঠানত মন্ত্ৰী সুশান্ত বৰগোহায়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী বৰগোহায়ে জানিবলৈ দিয়ে যে দিখৌ নৈৰ সমীপৰ মথাউৰি নথকা অঞ্চলসমূহত মথাউৰি নিৰ্মাণৰ বাবে ১১২ কোটি টকাৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ অনলাইনযোগে সম্প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়, ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চৰাইদেউ জিলাৰ সোণাৰীত ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা আৰম্ভ হোৱা জ্যোতি কলহ যাত্ৰা কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ যোগেন মহন, সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, মাহমৰাৰ বিধায়ক সূৰুয দিহিঙীয়াকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে। একেদৰে তামুলপুৰ জিলা বিজেপিৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে অংশ লৈ প্ৰধানমন্ত্ৰীৰ ২৫ বছৰীয়া নিস্বাৰ্থ সেৱা সন্দৰ্ভত আলোকপাত কৰে। বিশ্বনাথ জিলাত বিকশিত ভাৰত সংকল্প যাত্ৰাৰ কাৰ্যসূচীত বিধায়ক উৎপল বৰা আৰু পল্লৱ লোচন দাসে অংশগ্ৰহণ কৰে। ইপিনে, চিৰাঙৰ কাজলগাঁৱত আয়োজিত কাৰ্যসূচীত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে অংশ লয়। কাৰ্বি আংলং জিলাৰ হামৰেণত আয়োজিত সেৱা জ্যোতি কলহ যাত্ৰাৰ কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা চাউল কঢ়িয়াই অনা কলহসমূহ প্ৰতিটো বিধানসভা সমষ্টি, পৰিষদীয় সমষ্টি আৰু মণ্ডল কাৰ্যালয়লৈ লৈ যোৱা হয়।

## ২০৪৭ৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ

কৰাৰ আস্থা তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীৰ সৈতে উপস্থিত লোকসকলেও এই শ্লোগান দোহাৰে। বিকশিত ভাৰত সংকল্প সভাত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০০১ চনৰ ৭ অক্টোবৰত যেতিয়া তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল, তেতিয়া এদিন চৰকাৰৰ মুৰব্বী হিচাপে একেৰাহে ২৫ বছৰ সম্পূৰ্ণ কৰাৰ এই পৰ্যায়ত উপনীত হ'ব বুলি ভবাই নাছিল। এই সফলতাক তেওঁ জনসাধাৰণৰ নিৰন্তৰ আশীৰ্বাদৰ ফল বুলি উল্লেখ কৰি দেশবাসীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। নিজৰ ২৫ বছৰীয়া যাত্ৰাৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁৰ জীৱনত কোনো ঘটনাই অথলে যোৱা নাই। যিয়ে তেওঁক জয়ী কৰাইছে, তেওঁক বিনয়ী হ'বলৈ শিকাইছে; আনহাতে যিয়ে পৰাস্ত কৰিছে, তেওঁ পুনৰ থিয় হ'বলৈ শিকাইছে। শুভাকাংক্ষীসকলে তেওঁক উৎসাহিত কৰিছে আৰু সমালোচকসকলে নিজৰ ভিতৰলৈ চোৱাৰ সুযোগ দিছে বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীৰ মতে, প্ৰতিটো সংকট তেওঁৰ ধৈৰ্যৰ পৰীক্ষা আছিল আৰু প্ৰতিটো সফলতাই তেওঁৰ দায়িত্ব বৃদ্ধি কৰিছে। প্ৰতিটো সফলতাই তেওঁক বৃহৎ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাৰ সাহস আৰু উদ্যম দিছে। তেওঁ কয় যে যোৱা ২৫ বছৰত বহু বিধানসভা আৰু লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু জনসাধাৰণে তেওঁক নিৰন্তৰ সেৱা কৰাৰ সুযোগ দিছে। প্ৰধানমন্ত্ৰীয়ে বিজেপি, NDA, সকলো মন্ত্ৰী আৰু গণতন্ত্ৰত বিশ্বাস ৰখা ৰাজনৈতিক সহযোগীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে তেওঁ ভাৰতৰ গণতন্ত্ৰ আৰু সংবিধানকো প্ৰণাম জনায়। মোদীয়ে সেৱা জ্যোতি যাত্ৰাত অংশগ্ৰহণ কৰা সকলো লোকক অভিনন্দন জনাই কয় যে এই দীঘলীয়া যাত্ৰা জনসাধাৰণৰ বিশ্বাস আৰু আশীৰ্বাদৰ বাবেই সম্ভৱ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে জনায় যে তেওঁ পুৱা দিল্লীৰ শ্ৰী বিনায়ক মন্দিৰলৈ গৈছিল। তাত তেওঁ দেশ আৰু ১৪০ কোটি ভাৰতীয়ৰ বাবে প্ৰাৰ্থনা কৰে। নিজৰ বাবেও তেওঁ এই প্ৰাৰ্থনা কৰে যে দেশৰ বাবে অধিক শক্তি আৰু সামৰ্থ্যৰে কাম কৰিব পৰাকৈ তেওঁক শক্তি প্ৰদান কৰা হওক, যাতে দিন-ৰাতি জনসাধাৰণৰ সেৱা কৰি যাব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২৫ বছৰীয়া যাত্ৰা তেওঁৰ বাবে সন্তুষ্টি আৰু কৃতজ্ঞতা প্ৰকাশৰ এক সুযোগ। কিন্তু এতিয়া তেওঁৰ দৃষ্টি আগন্তুক বৃহৎ লক্ষ্যসমূহৰ ওপৰত। মোদীৰ বাৰ্তা স্পষ্ট- ভাৰতক বিকশিত কৰিব লাগিব, আত্মনিৰ্ভৰ কৰিব লাগিব আৰু ইয়াৰ বাবে "We Will Do It"ৰ সংকল্পৰে আগবাঢ়িব লাগিব।

## কৃষক পঞ্জীয়নত অৱহেলা সহ্য কৰা নহ'ব

বিশেষকৈ কৃষক পঞ্জীয়নৰ বৰ্তমান স্থিতি, ক্ষেত্ৰপৰ্যায়ত বিষয়াসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু চৰকাৰী ভূমিত কৃষিকাৰ্য কৰি থকা কৃষকসকলক পঞ্জীয়নৰ আওতালৈ অনাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। তেওঁ উল্লেখ কৰে যে 'মিছন বসুন্ধৰা 4.0'-এ খেতিয়কসকলৰ ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কিন্তু এই ব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে বন অধিকাৰ আইনৰ অধীনস্থ ভূমি আৰু চৰকাৰী ভূমিত কৃষিকাৰ্য কৰি থকা কৃষকসকলক পঞ্জীয়নৰ সুযোগ প্ৰদান কৰাৰ ওপৰত বিভাগে বিশেষ গুৰুত্ব আৰোপ কৰিব। ইয়াৰ উপৰি আনৰ ভূমিত চুক্তিৰ ভিত্তিত খেতি কৰি থকা কৃষকসকলক 'টেনেণ্ট মডেল'ৰ জৰিয়তে পঞ্জীয়নৰ আওতালৈ অনাৰ বাবে তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। এতিয়ালৈকে তুলনামূলকভাৱে কম পঞ্জীয়ন সম্পন্ন কৰা জিলাসমূহৰ কৃষি বিষয়াসকলক অধিক সক্ৰিয়তা আৰু সমৰ্পিতভাৱে কাম কৰি পঞ্জীয়নৰ গতি ত্বৰান্বিত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে কঠোৰ নিৰ্দেশ দিয়ে। 'এনক্ৰ'চাৰ মডেল'ৰ অধীনত কৃষক পঞ্জীয়নত হোৱা বিলম্বৰ কাৰণসমূহ পৰ্যালোচনা কৰি তেওঁ স্পষ্ট ভাষাৰে কয়, "কৃষক পঞ্জীয়নৰ ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব আৰু কৰ্তব্যত অৱহেলা কৰা বিষয়াৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।" ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযানৰ অধীনত ৰাজ্যত তৈল খেজুৰ খেতিৰ সম্প্ৰসাৰণৰ অগ্ৰগতি বৈঠকত পৰ্যালোচনা কৰা হয়। তৈল খেজুৰ খেতি সম্পৰ্কে কৃষকসকলৰ মাজত থকা অপপ্ৰচাৰ বা ভুল ধাৰণা দূৰ কৰি ইয়াৰ পৰা হ'ব পৰা অৰ্থনৈতিক লাভালাভ আৰু সঠিক তথ্য প্ৰদান কৰি কৃষকসকলৰ কাষ চাপিবলৈ তেওঁ কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত ৰাজ্যত মাখানা, মাকৈ আৰু মাহজাতীয় শস্যৰ উৎপাদন বৃদ্ধি তথা উপযোগিতা সম্পৰ্কেও বিস্তৃত আলোচনা কৰা হয়। মন্ত্ৰী হাজৰিকাই পুনৰ কয় যে চৰকাৰৰ বাবে কৃষকৰ স্বাৰ্থই সৰ্বোচ্চ। কৃষকৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ পৰা আৰম্ভ কৰি উৎপাদন, বজাৰ সংযোগ আৰু আয় বৃদ্ধিলৈকে প্ৰতিটো দিশতে চৰকাৰী আঁচনিসমূহ যাতে প্ৰকৃত কৃষকৰ কাষ পায়গৈ, তাৰ বাবে কৃষি বিভাগে নিষ্ঠাৰে কাম কৰি যাব।

## হেনৰি কাগান আৰু কেনছ' ছ'ৱাইলৈ ২০২৬

আৰ্হি ব্যৱহাৰ কৰি সম্ভাব্য দাপোণ প্ৰতিবিম্ব (mirror images) সৃষ্টি কৰিছিল। তেওঁৰ নামেৰে পৰিচিত 'ছ'ৱাই বিক্ৰিয়া' এতিয়ালৈকে কৰা আটাইতকৈ চমকপ্ৰদ আৰু আকৰ্ষণীয় ৰাসায়নিক পৰীক্ষাসমূহৰ অন্যতম বুলি বিবেচিত হৈছে। আনহাতে হেনৰি কাগানে আৱিষ্কাৰ কৰা অ-ৰৈখিক প্ৰভাৱ (non-linear effects) ৰসায়নবিদসকলে নতুন বিক্ৰিয়াৰ আৰ্হি প্ৰস্তুত কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে পৰিগণিত হৈছে। এই প্ৰভাৱ ব্যৱহাৰ কৰি কোনো বিক্ৰিয়াক সৰ্বোত্তম (optimise) কৰিব পৰা যায়। ইয়াৰ ফলত উৎপাদিত সামগ্ৰীৰ ভিতৰত আটাইতকৈ বিশুদ্ধ এনানচিঅ'মাৰ (enantiomers) পোৱা যায়। জীৱৰ সৈতে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰা পদাৰ্থ-যেনে ঔষধ (pharmaceuticals), সোৱাদ (flavours), সুগন্ধি (scents) আৰু কৃষি ৰাসায়নিক সামগ্ৰী (agricultural chemicals)-উৎপাদন কৰা প্ৰতিটো উদ্যোগৰ বাবে এইটো অতি প্ৰয়োজনীয়। উল্লেখ্য, মঙলবাৰে আমেৰিকাৰ বিজ্ঞানী ফ্ৰান্সিছ হালজেনক আইচকিউব নিউট্ৰিন' পৰ্যৱেক্ষণাগাৰত নিৰ্ণায়ক অৱদান আৰু মহাজাগতিক উৎসৰ উচ্চ-শক্তিৰ নিউট্ৰিন' আৱিষ্কাৰৰ বাবে ২০২৬ চনৰ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছিল। হালজেনে ২০১১ চনৰ পৰা মহাজাগতিক নিউট্ৰিন', উচ্চ শক্তিৰ সংঘৰ্ষ পৰ্যবেক্ষণ আৰু অধ্যয়নৰ কাম আৰম্ভ কৰিছিল। এই গৱেষণাত দক্ষিণ গোলাৰ্ধৰ বৃহৎ এলেকাৰ বৰফ ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ দ্বাৰাই তেওঁ মহাজাগতিক উচ্চ শক্তিৰ নিউট্ৰিন' আৰু আইচকিউব নিউট্ৰিন' আৱিষ্কাৰ কৰিছিল। একেদৰে চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা সোমবাৰে ঘোষণা কৰা হৈছিল। কাৰ্ল ডেইচেৰথ, পিটাৰ হেগেমেন আৰু জৰ্জ নেগেলক 'লাইট-গেটেড আয়ন চ্যানেল আৰু অপ্ট'জেনেটিক্সৰ সৈতে জড়িত আৱিষ্কাৰ'ৰ বাবে ২০২৬ চনৰ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা প্ৰদান কৰা হৈছিল। ছুইডেনৰ ষ্টকহ'মৰ কেৰ'লিনস্কা ইনষ্টিটিউটত নোবেল বিধানসভাই এই বঁটা ঘোষণা কৰিছিল।

## জলসিঞ্চন বিভাগৰ কাৰ্যালয়ত মন্ত্ৰী পীযুষ

মাতি আনি মন্ত্ৰী হাজৰিকাই জানিব বিচাৰে কোন কোন অনুপস্থিত। তেওঁ কিয় অনুপস্থিত, কোন ছুটীত আছে আৰু কোন অবৈধভাৱে অনুপস্থিত-তাৰ সবিশেষ জানিব বিচাৰে। কাৰ্যালয়ৰ পঞ্জীয়ন বহী উলিয়াই নাম ধৰি ধৰি তেওঁ প্ৰশ্ন কৰে-জিতেন সিনহা ক'ত, জোনমণি পাটৰ ক'ত, চাৰু দাস ক'ত? এই তিনিগৰাকী ছুটীত আছে নেকি? ছুটীত থাকিলে কথা নাই; কিন্তু কোনোৱে ছুটী নোলোৱাকৈ অনুপস্থিত থাকিলে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। ইয়াৰ উপৰি মন্ত্ৰী হাজৰিকাই কাৰ্যালয়টোৰ প্ৰতিটো মহলা পৰিদৰ্শন কৰি খবৰ লয়। কাৰ্যালয়ৰ ৱাচবেচিন তথা অনাময় ব্যৱস্থাও তেওঁ পৰ্যবেক্ষণ কৰে আৰু সেইবোৰৰ অৱস্থা দেখি অসন্তুষ্টি প্ৰকাশ কৰে। কৰ্মচাৰীসকলে তামোল-পাণ খাই অনাময় ব্যৱস্থা কিদৰে কৰ্দমময় কৰি তুলিছে, সেই দৃশ্যও তেওঁ সামাজিক মাধ্যমত ৰাজহুৱা কৰে। মন্ত্ৰীগৰাকীৰ এই আকস্মিক পৰিদৰ্শনে কাৰ্যালয়ত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## লিয়নেল মেছিৰ আন্তঃৰাষ্ট্ৰীয় অৱসৰ

চকুলো মচি থকা দেখা যায়। ২০০৫ চনৰ ১৭ আগষ্টত আৰ্জেণ্টিনাৰ হৈ আন্তঃৰাষ্ট্ৰীয় ফুটবলত অভিষেক ঘটিছিল মেছিৰ। হাংগেৰীৰ বিৰুদ্ধে সেই মেচখনত অভিষেকৰ মাত্ৰ ৯০ ছেকেণ্ডৰ পিছতে তেওঁ ৰেড কাৰ্ড লাভ কৰিছিল। কিন্তু সেই আৰম্ভণিৰ পিছত মেছিয়ে পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাছিল। আৰ্জেণ্টিনাৰ হৈ ২০৭খন মেচ খেলি মেছিয়ে ১২৬টা গলৰে আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ সামৰণি মাৰে। পুৰুষৰ আন্তঃৰাষ্ট্ৰীয় ফুটবলত সৰ্বাধিক গলৰ ক্ষেত্ৰত তেওঁৰ আগত আছে ক্ৰিষ্টিয়ানো ৰোনাল্ডো; ৰোনাল্ডোৰ নামত আছে ১৪৬টা গল। এছিষ্টৰ ক্ষেত্ৰতেও মেছিৰ অভিলেখ আছে। বেনিনৰ বিৰুদ্ধে শেষখন মেচত দুটা এছিষ্ট কৰাৰ পিছত তেওঁৰ মুঠ এছিষ্টৰ সংখ্যা ৬৭টা হয়। পুৰুষৰ আন্তঃৰাষ্ট্ৰীয় ফুটবলত এইটো সৰ্বাধিক। মেছিৰ কেৰিয়াৰ কেৱল ব্যক্তিগত অভিলেখতে সীমাবদ্ধ নহয়। আৰ্জেণ্টিনাৰ সৈতে তেওঁ ২০০৮ চনৰ বেইজিং অলিম্পিকত সোণৰ পদক জয় কৰিছিল। ইয়াৰ পিছত ২০২১ আৰু ২০২৪ চনত কোপা আমেৰিকাৰ খিতাপ জয় কৰে। তেওঁৰ কেৰিয়াৰৰ আটাইতকৈ ডাঙৰ সফলতা আহিছিল ২০২২ চনত। সেইবাৰ মেছিৰ নেতৃত্বত আৰ্জেণ্টিনাই ফিফা বিশ্বকাপৰ খিতাপ জয় কৰিছিল। ইয়াৰ উপৰি ২০২২ চনতে তেওঁ ফাইনেলিছিমাৰ খিতাপো জয় কৰে। ২০২৬ চনৰ বিশ্বকাপ আছিল মেছিৰ আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ শেষ ডাঙৰ প্ৰতিযোগিতা। আৰ্জেণ্টিনা এইবাৰ খিতাপ জয় কৰিব নোৱাৰি ৰানাৰ্ছ-আপ হয়। তথাপি প্ৰতিযোগিতাখনত মেছিৰ প্ৰদৰ্শন উল্লেখযোগ্য আছিল। তেওঁ ৮টা গল কৰাৰ লগতে ৪টা এছিষ্ট কৰিছিল। বিশ্বকাপৰ ইতিহাসত মেছিৰ মুঠ গলৰ সংখ্যা ২০টা। এই তালিকাত তেওঁ দ্বিতীয় স্থানত আছে। তেওঁৰ আগত আছে কিলিয়ান এমবাপ্পে। ক্ৰিষ্টিয়ানো ৰোনাল্ডোৰ সৈতে মেছিয়ে ছখন বিশ্বকাপত অংশ লৈয়ো ইতিহাস সৃষ্টি কৰিছে।

## মণিপুৰত আৰক্ষী-সুৰক্ষা বাহিনীৰ

নিচাজাতীয় দ্ৰব্য জব্দ হৈছে। ইম্ফল পূব জিলাৰ ছাগোলমাং আৰক্ষী থানাৰ অন্তৰ্গত ৰাকান পাহাৰীয়া অঞ্চলত মঙলবাৰে এই অভিযান চলোৱা হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, অভিযানৰ সময়ত পাহাৰৰ পাদদেশত লুকুৱাই ৰখা অৱস্থাত এই সামগ্ৰীসমূহ উদ্ধাৰ কৰা হয়। উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰৰ ভিতৰত এটা এছএলআৰ, এটা দেশীয়ভাৱে নিৰ্মিত একে-ছত্ৰিজ্ এটা দেশীয়ভাৱে নিৰ্মিত এমপি-৫, চাৰিটা দেশীয় কাৰ্বাইন, দুটা পিষ্টল, চাৰিটা দেশীয় ৰচ-ব'ৰ ছিংগল-বেৰেল বন্দুক আৰু ২৫ ৰাউণ্ড সক্ৰিয় গুলী আছে। ইয়াৰ উপৰি অভিযানকাৰী দলটোৱে এটা হেণ্ড গ্ৰেনেড, এটা ফ্ৰেগমেণ্টেচন গ্ৰেনেড, তিনিটা মৰ্টাৰ শ্বেল, এটা খালী মৰ্টাৰ শ্বেল, ৰেডিঅ' ছেটৰ চাৰ্জাৰ, এছএলআৰ বেয়নেট, ফ্লেয়াৰ ৰাউণ্ড, হেলমেট, জেকেট আৰু বুট আদিও জব্দ কৰে। উক্ত অস্ত্ৰ-শস্ত্ৰসমূহ চুৰি কৰি লুকুৱাই ৰখাৰ সন্দেহ কৰা হৈছে। আনহাতে, একে দিনাই বিশেষ তথ্যৰ ভিত্তিত মণিপুৰ আৰক্ষী আৰু কেন্দ্ৰীয় সুৰক্ষা বাহিনীৰ এটা যৌথ দলে অইনম থিংগেল নদীৰ পাৰত অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰে। জব্দ কৰা সামগ্ৰীৰ ভিতৰত ৫২টা বাকচ কফ চিৰাপ আছে, য'ত মুঠ ৮, ৩২০টা বটল আছিল। প্ৰতিটো বটলত ১০ মিলিগ্ৰামকৈ ক'ডিন ফছফেট থকা বুলি জানিব পৰা গৈছে। উল্লেখ্য, পোৰোমপাট আৰক্ষী থানাত পঞ্জীয়ন কৰা এটা গোচৰৰ সূত্ৰে মঙলবাৰে আহমেদাবাদত জেমছজিৎ ওৰফে থুইক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। তেওঁৰ গ্ৰেপ্তাৰৰ পিছতেই এই বিপুল পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰা হয়। আৰক্ষীৰ এই যৌথ অভিযানে মণিপুৰত অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু মাদক সামগ্ৰীৰ চলাচল ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

## ভাৰতীয় মহিলা ক্ৰিকেট দলত স্থান লাভ

দলটোত হৰমনপ্ৰীত কৌৰো আছে। উল্লেখযোগ্য যে হৰমনপ্ৰীত কৌৰে সকলো ফৰ্মেটতে ভাৰতীয় দলৰ অধিনায়কৰ পদ এৰিছে। এতিয়া স্মৃতি মান্ধানাই প্ৰথমবাৰৰ বাবে পূৰ্ণকালীন হোৱাইট বলৰ অধিনায়কৰ দায়িত্ব লৈছে। জিণ্টিমণিৰ লগতে নিকি প্ৰসাদেও প্ৰথমবাৰৰ বাবে টি-২০ আই দলত স্থান লাভ কৰিছে। দুয়োগৰাকী খেলুৱৈয়ে স্মৃতি মান্ধানাৰ নেতৃত্বত খেলিব। এছিয়ান গেমছত সোণৰ পদক জয় কৰা ভাৰতীয় টি-২০ দলৰ কেইবাগৰাকীও খেলুৱৈ এইবাৰৰ দলত নাই। ভাৰতী ফুলমালি, শ্ৰেয়াংকা পাটিল, ৰেণুকা সিং আৰু ৰাধা যাদৱ দলৰ পৰা বাদ পৰিছে। তেওঁলোকৰ ঠাইত মিনু মণি, অনুষ্কা শৰ্মা, নিকি প্ৰসাদ আৰু জিণ্টিমণি কলিতাক অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, এদিনীয়া দলটোতো কেইবাটাও পৰিৱৰ্তন কৰা হৈছে। তেজল হাছাবনিছ, যাস্তিকা ভাটিয়া, বৈষ্ণৱী শৰ্মা, নন্দিনী শৰ্মা আৰু ছায়ালী সাতঘৰে নতুনকৈ দলত স্থান লাভ কৰিছে।

## মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগ, সীমান্ত শাখা

সূত্ৰে জানিব পৰা মতে, গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত মাহাতো অমিত কুমাৰ সিদ্ধি প্ৰসাদক বদলি কৰা হৈছে। তেওঁক মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক উৎপল বায়নক বদলি কৰা হৈছে। তেওঁক সীমান্ত শাখাৰ উপ-আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। কাৰ্বি আংলঙৰ 23 APBnৰ কামাণ্ডেণ্ট নিৰ্মল বৈশ্যক বদলি কৰা হৈছে। তেওঁক অগ্নি আৰু আপাতকালীন বিভাগৰ উপ-সঞ্চালক হিচাপে নিযুক্তি দিয়া হৈছে। শদিয়াৰ ষষ্ঠ অসম কামাণ্ডো বেটেলিয়নৰ কামাণ্ডেণ্ট আনন্দ টকবিকো বদলি কৰা হৈছে। তেওঁক কাৰ্বি আংলঙৰ 23 APBnৰ কামাণ্ডেণ্ট হিচাপে নিযুক্তি দিয়া হৈছে। গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (প্ৰট'কল) ইফতাখাৰ আলীক বদলি কৰা হৈছে। তেওঁক বৰপেটাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰীভূমিৰ 15 APBnৰ কামাণ্ডেণ্ট গীতাঞ্জলি দলেকক বদলি কৰা হৈছে। তেওঁক গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (প্ৰট'কল) হিচাপে নিযুক্তি দিয়া হৈছে। কোকৰাঝাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিক বদলি কৰা হৈছে। তেওঁক সহকাৰী আৰক্ষী মহাপৰিদৰ্শক হিচাপে নিযুক্তি দিয়া হৈছে। শিৱসাগৰৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামক বদলি কৰা হৈছে। তেওঁক ষষ্ঠ অসম কামাণ্ডো বেটেলিয়নৰ কামাণ্ডেণ্ট হিচাপে নিযুক্তি দিয়া হৈছে। কাৰ্বি আংলঙৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম শইকীয়াক বদলি কৰা হৈছে। তেওঁক কাছাৰৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। গোৱালপাৰাৰ সীমান্ত শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পাহাৰী কোঁৱৰক বদলি কৰা হৈছে। তেওঁক মুখ্যমন্ত্ৰীৰ নিৰাপত্তা শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। এইদৰে অসম আৰক্ষীৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগ আৰু শাখাত একেৰাহে ৰদ-বদলৰ জৰিয়তে প্ৰশাসনিক পুনৰ্গঠন আৰু দায়িত্বৰ পুনৰ্বিন্যাস কৰা হৈছে।

## সনাতনৰ শক্তি থকালৈকে মোদীৰ কোনো

বিশ্ব শৰ্মাই। তেওঁ স্পষ্ট কৰি দিয়ে যে ভাৰতত সনাতনৰ শক্তি থকালৈকে ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কোনো ক্ষতি কৰিব নোৱাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ শাসনকাল আৰু বৰ্তমান সময়ৰ তুলনা কৰি কয় যে কংগ্ৰেছৰ দিনত চীন সীমান্তত সেনাক প্ৰয়োজনীয় শক্তি আৰু সুৰক্ষাৰ অভাৱত 'ৰামৰ ভৰষাত' এৰি দিয়া হৈছিল। কিন্তু আজি প্ৰধানমন্ত্ৰী মোদীৰ দৃঢ় নেতৃত্বত গঢ় লোৱা নতুন ভাৰতে কাৰো আগত শিৰ নত নকৰে। তেওঁ উল্লেখ কৰে যে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় তথা সবল নেতৃত্বত ভাৰতবৰ্ষই আজি এখন সুৰক্ষিত, সমৃদ্ধ আৰু বিশ্বৰ বুকুত শক্তিশালী ৰাষ্ট্ৰ হিচাপে নিজৰ পৰিচয় প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। বদনগৰৰ পৰা কাশীলৈ অনুষ্ঠিত বাইক সেৱা যাত্ৰাৰ সামৰণী অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতিন নবীন, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, বিজেপিৰ উত্তৰ প্ৰদেশ সভাপতি পি পি চৌধাৰী আদিৰ সৈতে অংশগ্ৰহণ কৰি আনন্দিত হোৱাৰ কথা মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে সেৱা, সংকল্প আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ এই যাত্ৰাই নৱ ভাৰতৰ সংকল্পক অধিক শক্তিশালী কৰি তুলিব। এই জনসভাত ৫০ হাজাৰৰো অধিক লোক, বিশেষকৈ ডাঙৰ সংখ্যাত যুৱক-যুৱতী উপস্থিত থাকে। ইপিনে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসাৰে ওপচাই দিয়ে। তেওঁ কয় যে ড° শৰ্মাই অসমত প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীক যথাৰ্থতে আগুৱাই লৈ গৈছে আৰু সুৰক্ষিত তথা বিকশিত অসম গঢ়াৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। অনুষ্ঠানত উপস্থিত যুৱক-যুৱতীসকল বিশেষ উৎসাহিত দেখা যায়। তেওঁলোকে কয় যে বাইক সেৱা যাত্ৰা কোনো সাধাৰণ যাত্ৰা নাছিল; এই যাত্ৰাই তেওঁলোকৰ জীৱনত এক ডাঙৰ পৰিৱৰ্তন আনিছে। তেওঁলোকে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে সাক্ষাৎ কৰি সহায় কৰিছে, বৃক্ষৰোপণ কৰিছে, ক'ৰবাত পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান চলাইছে আৰু ক'ৰবাত লোকসকলক চৰকাৰী যোজনাৰ বিষয়ে অৱগত কৰিছে। তেওঁলোকে কয় যে গাঁও-গাঁৱত জনসাধাৰণে প্ৰধানমন্ত্ৰী মোদীৰ নামত সুখী আৰু তেওঁলোকক প্ৰাণ খুলি আদৰণি জনাইছে; কোনো নাৰাজ নাই। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে দিয়া ভালপোৱাই তেওঁলোকক আৱেগিক কৰি তুলিছে। তেওঁলোকে বিশ্বাস কৰে যে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী মোদীৰ সপোন নিশ্চিতভাৱে পূৰণ হ'ব।

## চামগুৰিত ব্যাপক ৰিগিং আৰু অনিয়মৰ

চলাইছে। ৰকিবুল হুছেইনে কয় যে যিবোৰ ভোটকেন্দ্ৰত অত্যধিক অনিয়ম আৰু ৰিগিং সংঘটিত হৈছে, সেই বিশেষ কেন্দ্ৰসমূহত তৎকালীনভাৱে পুনৰ ভোটগ্ৰহণ (Re-polling) অনুষ্ঠিত কৰিব লাগে। তেওঁ সমগ্ৰ উপ-নিৰ্বাচনৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটো বিজেপিয়ে অপহৰণ বা চুৰ কৰা বুলি তীব্ৰ ভাষাত সমালোচনা কৰে। সংবাদমেলত তেওঁ বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাক তীব্ৰ সমালোচনা কৰি তেওঁৰ ভূমিকা অনৈতিক বুলি অভিযোগ উত্থাপন কৰে। ইপিনে, নগাঁও জিলা কংগ্ৰেছে সংঘটিত সকলো অনিয়মৰ প্ৰমাণসহ ভাৰতীয় নিৰ্বাচন আয়োগলৈ (Election Commission of India) আনুষ্ঠানিক অভিযোগ পত্ৰ প্ৰেৰণ কৰিছে।

## উচ্চ ন্যায়ালয়ত অমৃতপ্ৰভা মহন্তৰ জামিনৰ

কাইলৈ পুনৰ উচ্চ ন্যায়ালয়ে তেওঁৰ জামিনৰ শুনানি গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য, অমৃতপ্ৰভা মহন্তৰ জামিনৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে ৰায় সংৰক্ষিত ৰখাৰ লগে লগে সংশ্লিষ্ট পক্ষসমূহে আদালতৰ ৰায়দানৰ বাবে অপেক্ষা কৰি আছে। আনহাতে সন্দীপন গাৰ্গৰ জামিনৰ শুনানি কাইলৈ পুনৰ অনুষ্ঠিত হ'ব।

উত্তৰ-পূবৰ প্ৰায় ১০০খন জৱাহৰ নৱোদয় বিদ্যালয়ৰ ২০০ প্ৰতিনিধিৰ সমাৱেশ

# অসম দক্ষতা বিশ্ববিদ্যালয়ত আঞ্চলিক শিশু বিজ্ঞান কংগ্ৰেছ-২০২৬




**অসম বাৰ্তা, মঙলদৈ, ৭ অক্টোবৰ** ঃ অসম দক্ষতা বিশ্ববিদ্যালয়, মঙলদৈত মঙলবাৰৰ পৰা আৰম্ভ হৈছে বিজিঅ'নেল চিলড্ৰেন : ছায়েন্স কংগ্ৰেছ ২০২৬। নৱোদয় বিদ্যালয় সমিতি, শ্বিলং অঞ্চলৰ উদ্যোগত আৰু অসম দক্ষতা বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজিত পাঁচদিনীয়া এই বিজ্ঞান কংগ্ৰেছ ১০ অক্টোবৰলৈ বিশ্ববিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হ'ব। উত্তৰ-পূবৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১০০খন জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিজ্ঞান বিশেষজ্ঞ, বিচাৰক আৰু বিষয়াসহ প্ৰায় ২০০ গৰাকী প্ৰতিনিধিয়ে এই কংগ্ৰেছত অংশগ্ৰহণ কৰিছে। উত্তৰ-পূবৰ প্ৰতিখন ৰাজ্যৰ পৰা বিদ্যালয় পৰ্যায়ত উৎকৃষ্ট প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হৈছে। বিজ্ঞানমনস্কতা গঢ়াৰ আহ্বান উদ্বোধনী অনুষ্ঠানত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য তথা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া সুভাষ চন্দ্ৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক দক্ষতা-ভিত্তিক শিক্ষাৰ সৈতে পৰিচয় কৰাই দিয়াৰ গুৰুত্বৰ ওপৰত আলোক পাত কৰে। হাতে-কামে প্ৰশিক্ষণ লাভ কৰাৰ লগতে উদ্যোগ ক্ষেত্ৰৰ বিশেষজ্ঞসকলৰ সৈতে মত-বিনিময়ে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ কৰ্মজীৱনৰ পথ নিৰ্ধাৰণত সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত এন ভি এছ শ্বিলং আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত অৰবিন্দাক্ষনে এ এছ ইউক এই অনুষ্ঠান আয়োজন কৰাৰ বাবে প্ৰশংসা কৰি ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অধীনত বিকশিত দক্ষতা-ভিত্তিক শিক্ষাৰ পৰিৱেশত নতুন সুযোগ অন্বেষণ কৰিবলৈ আহ্বান জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফেকাল্টি অৱ্ টেকনলজিৰ ডীন অধ্যাপক ড° শিখৰ কুমাৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক বৈজ্ঞানিক মানসিকতা বিকশিত কৰাৰ লগতে সমাজৰ উপকাৰ সাধন কৰিব পৰা স্থানীয় সমস্যা আৰু উদ্ভাৱনৰ ওপৰত কাম কৰিবলৈ আহ্বানজনায় অসম দক্ষতাবিশ্ববিদ্যালয়ৰ ডীন, Academics, অধ্যাপক ড° মনোজ কুমাৰ ডেকাই প্ৰতিনিধিসকলক আদৰণি জনাই বিশ্ববিদ্যালয়খনৰ বিভিন্ন শৈক্ষিক সম্পদ, শিক্ষক-গৱেষক আৰু উদ্যোগ বিশেষজ্ঞসকলৰ পৰা সৰ্বাধিক সুবিধা গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। এডিবি কনছাল্ট হৰিকালাকুণ্টলাই ছাত্ৰ-ছাত্ৰীসকলক পৰিৱৰ্তনশীল আধুনিক বজাৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ ইতিবাচক মানসিকতা আৰু নতুন দক্ষতা গঢ়ি তুলিবলৈ আহ্বান জনায়। আনহাতে, জে এন ভি দৰং অধ্যক্ষ মৃণাল গান্ধীয়ে ধন্যবাদ জ্ঞাপন কৰি কম সময়ৰ ভিতৰত এই বৃহৎ অনুষ্ঠান সফলভাৱে আয়োজন কৰাৰ বাবে অসম দক্ষতা বিশ্ববিদ্যালয়ক প্ৰশংসা কৰে। বিজ্ঞান, মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ত বিশেষ অধিৱেশন কংগ্ৰেছৰ প্ৰথম দিনটোত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হয়। এ এছ ইউৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক ড° অনিল বৰাই 'From Steam Engine to AI: A Journey Through Indus-trial Revolutions and Your Future' শীৰ্ষক বিশেষ অধিৱেশনত উদ্যোগিক বিপ্লৱৰ ইতিহাসৰ পৰা বৰ্তমানৰ কৃত্ৰিম বুদ্ধিমত্তা নিৰ্ভৰ পৰিৱৰ্তনলৈকে বিভিন্ন দিশৰ বিষয়ত আলোকপাত কৰে। ইয়াৰ লগতে এন ই-এছ এ চি, ডিপাৰ্টমেণ্ট অৱ স্পেছ, মেঘালয়ৰ বৈজ্ঞানিক-ইঞ্জিনিয়াৰ-এছ ডি হিমাংশু জ্যোতি দাসে 'Physics of বিজ্ঞানৰ বিভিন্ন দিশ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত উপস্থাপন কৰে। অনুষ্ঠানত 'Space on Wheels' নামৰ এক ইণ্টাৰেক্টিভ প্ৰদৰ্শনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক মহাকাশ বিজ্ঞান আৰু ইয়াৰ সৈতে জড়িত আধুনিক প্ৰযুক্তিৰ সৈতে পৰিচয় কৰাই দিয়া হয়। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞানভিত্তিক উপস্থাপন, কুইজ আদি কাৰ্যসূচীৰো আয়োজন কৰা হয়। এই আঞ্চলিক শিশু বিজ্ঞান কংগ্ৰেছে বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীসকলক ব্যৱহাৰিক বিজ্ঞান, উদ্ভাৱন, গৱেষণা আৰু আধুনিক প্ৰযুক্তিৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে উচ্চ শিক্ষা আৰু ভৱিষ্যৎমুখী দক্ষতাৰ সৈতে বিদ্যালয় শিক্ষাৰ সংযোগ স্থাপনৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে।

সদৌ অসম ভিত্তিক দিহানাম প্ৰতিযোগিতাত নগাঁৱৰ শিৰোমণি দিহানামৰ দল শ্ৰেষ্ঠ

# মৰঙিৰ পানীকৰা গাঁও নামঘৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ বৰ্ণাঢ্য সামৰণি

**অসম বাৰ্তা, নুমলীগড়, ৭ অক্টোবৰ** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ তিথি উদযাপনৰ সৈতে সংগতি ৰাখি মৰঙি মৌজাৰ পানীকৰা গাঁও নামঘৰৰ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান দেওবাৰ আৰু সোমবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পানীকৰা গাঁও সাংস্কৃতিক বিকাশ মঞ্চৰ উদ্যোগত, পানীকৰা গাঁও নামঘৰ পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই অনুষ্ঠানত ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক কাৰ্যসূচীৰে অঞ্চলটোৰ এক সমৃদ্ধ ঐতিহ্য প্ৰতিফলিত হয়। অনুষ্ঠানৰ প্ৰথম দিনা পুৱা নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মানস বৰদলৈয়ে ধৰ্মধ্বজা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে পানীকৰা গাঁও সাংস্কৃতিক বিকাশ মঞ্চৰ সভাপতি সুভাষ ৰাজবংশীয়ে গছপুলি ৰোপণ কৰে। নাম-প্ৰসংগ আৰু কীৰ্তন পাঠেৰে নামঘৰৰ পৰিৱেশ আধ্যাত্মিকতাৰে মুখৰিত হৈ পৰে। নৱপ্ৰজন্মক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি-সংস্কৃতি, আদৰ্শ আৰু সৃষ্টিশীলতাৰ সৈতে পৰিচিত কৰাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু শংকৰদেৱৰ জীৱন-কৰ্মৰ ওপৰত ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। বিভিন্ন শাখাত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত অঞ্চলটোৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ আছিল সদৌ অসম ভিত্তিক মহিলা দিহানাম প্ৰতিযোগিতা। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ১৯টা দিহানামৰ দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ভক্তিমূলক সংগীতৰ মনোমোহা পৰিৱেশ সৃষ্টি কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত নগাঁৱৰ শিৰোমণি দিহানামৰ দলে প্ৰথম শ্ৰেষ্ঠত্ব অৰ্জন কৰে। বোকাখাতৰ বিষ্ণুপ্ৰিয়া দিহানামৰ দল দ্বিতীয়, টীয়কৰ হৰিপ্ৰিয়া শিল্পী সমাজ তৃতীয় আৰু সৰুপথাৰৰ পাঞ্চজন্য দিহানামৰ দল চতুৰ্থ স্থান লাভ কৰে। আনহাতে মেৰাপানীৰ ইন্দ্ৰপুৰ চেমনীয়া দিহানামৰ দলে শৃংখলাবদ্ধ দলৰ সন্মান লাভ কৰে। শ্ৰেষ্ঠ নামতিৰ সন্মান লাভ কৰে তেলগৰমৰ সন্মিলিত শিল্পী সমাজে। শ্ৰেষ্ঠ নেগেৰা বাদকৰ সন্মান লাভ কৰে যোৰহাটৰ শিৰোমণি শিল্পী সমাজৰ শিল্পীয়ে আৰু শ্ৰেষ্ঠ খোলবাদকৰ সন্মান লাভ কৰে ফলগুনীৰ শংকৰ-মাধৱ দিহানামৰ দলৰ শিল্পীয়ে। দ্বিতীয় দিনা বোকাজান মহকুমা স্বাস্থ্য বিষয়া ডাঃ বীৰেন চন্দ্ৰ গগৈৰ সঞ্চালনাত অনুষ্ঠিত হয় মুকলি সভা তথা বঁটা বিতৰণী অনুষ্ঠান। সভাত সত্ৰীয়া সংস্কৃতিৰ সাধক ড° অনিল শইকীয়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী অৱদান আৰু বৰ্তমান সময়ত গুৰুজনাৰ আদৰ্শ তথা সৃষ্টিৰ প্ৰাসংগিকতা সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত পানীকৰা গাঁও নামঘৰৰ ১২৫ বছৰীয়া ঐতিহ্য, অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক জীৱন আৰু গুৰুজনাৰ আদৰ্শক আধাৰ কৰি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'চন্দ্ৰতাপ' উন্মোচন কৰে মৰঙি প্ৰেছ ক্লাবৰ সভাপতি হেমন্ত শইকীয়াই। সভাৰ সাংস্কৃতিক কাৰ্যসূচীত মৰঙি আৰু সৰুপথাৰৰ শংকৰী সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাপুৰুষজনাই সৃষ্টি কৰি থৈ যোৱা বিভিন্ন সাংস্কৃতিক উপাদান পৰিৱেশন কৰি উপস্থিত দৰ্শক-শ্ৰোতাক আপ্লুত কৰে। পানীকৰা গাঁও নামঘৰৰ সৌন্দৰ্যবৰ্ধনৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা স্থানীয় উদীয়মান চিত্ৰশিল্পীসকলকো অনুষ্ঠানত বিশেষভাৱে সন্মান জনোৱা হয়। নামঘৰৰ দেৱালত গুৰুজনাৰ সৃষ্ট পুথি-চিত্ৰ আৰু চতুৰ্বিংশতি অৱতাৰৰ তৈলচিত্ৰ অংকনেৰে নামঘৰৰ পৰিৱেশ অধিক আকৰ্ষণীয় কৰি তোলা মৃগাংক বৰদলৈ, ভাস্কৰ বৰুৱা, অনিমেষ অংগন হাজৰিকা আৰু চিন্ময় বৰদলৈক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি পানীকৰা গাঁও নামঘৰ পৰিচালনা সমিতি আৰু উদযাপন সমিতিৰ উদ্যোগত অঞ্চলটোৰ ৭০ গৰাকী বয়োজ্যেষ্ঠ ব্যক্তিকো সম্বৰ্ধনা জনোৱা হয়। এই কাৰ্যসূচীৰ জৰিয়তে গাঁওখনৰ সামাজিক-সাংস্কৃতিক জীৱনলৈ দীৰ্ঘদিন ধৰি অৱদান আগবঢ়াই অহা জ্যেষ্ঠসকলক সন্মান জনোৱাৰ লগতে নতুন প্ৰজন্মৰ সৈতে তেওঁলোকৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰয়াস কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ জয়ন্তী আৰু পানীকৰা গাঁও নামঘৰৰ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা স্থানীয় ৰাইজ, বিভিন্ন দল-সংগঠন, প্ৰতিযোগী, শিল্পী, শুভাকাংক্ষী আৰু অতিথিসকলৰ প্ৰতি উদযাপন সমিতিৰ সম্পাদক দ্বীপেন বড়া আৰু পানীকৰা গাঁও সাংস্কৃতিক বিকাশ মঞ্চৰ সম্পাদক দৰ্শন জ্যোতি তামোলীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে। দুয়োটা দিনৰ সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰে পানীকৰা গাঁও নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক পুণ্য প্ৰকাশ বৰদলৈয়ে। ১২৫ বছৰীয়া ঐতিহ্যৰ সাক্ষী পানীকৰা গাঁও নামঘৰৰ এই সামৰণি অনুষ্ঠানত ধৰ্মীয় পৰম্পৰা, শংকৰী সংস্কৃতি, লোককলা, দিহানাম আৰু নৱপ্ৰজন্মৰ অংশগ্ৰহণৰ এক সুন্দৰ সমন্বয় পৰিলক্ষিত হয়। অনুষ্ঠানটোৱে বৃহত্তৰ মৰঙি অঞ্চলত মহাপুৰুষীয়া বৈষ্ণৱ সংস্কৃতিৰ চৰ্চা আৰু সংৰক্ষণৰ ক্ষেত্ৰত এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনে।

'অলকানন্দা, অসম ঃ হৃদয়ৰ পৰা হৃদয়লৈ'ৰ প্ৰথম বাৰ্ষিক সভা-সতীৰ্থ সন্মিলন

# অসমৰ সাহিত্য-সংস্কৃতি বিশ্ব দৰবাৰলৈ নিয়াৰ সংকল্প

**অসম বাৰ্তা, মঙলদৈ, ৭ অক্টোবৰ** ঃ অসমৰ সাহিত্য, সংস্কৃতি আৰু কলা কৃষ্টিৰ বৈচিত্ৰ্যময় ধাৰাক এক ব্যতিক্ৰমী ৰূপত বিশ্বদৰবাৰলৈ লৈ যোৱাৰ লক্ষ্যৰে গঢ় লৈ উঠা 'অলকানন্দা, অসমঃ হৃদয়ৰ পৰা হৃদয়লৈ' প্ৰথম বাৰ্ষিক সভা আৰু সতীৰ্থ সন্মিলন দেওবাৰে গুৱাহাটীত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে মুম্বাই আদিৰ পৰা অহা ৬১গৰাকী প্ৰতিভাবান আৰু বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত জন্ম লাভ কৰা অনুষ্ঠানটোৰ বাৰ্ষিক সভাখন অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ৰাধাগোবিন্দ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে অলকানন্দাৰ জ্যেষ্ঠ সতীৰ্থ নিৰূপমা গোস্বামী, উদয় কুমাৰ নাথ, মঞ্জু গৌতম, শংকৰ কাকতি আৰু ড° কবিতা চৌধুৰীয়ে ভাৰতৰত্ন, সংগীতসূৰ্য ড° ভূপেন হাজৰিকা আৰু অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পিছতে উপস্থিত সতীৰ্থসকলে দুয়োগৰাকী শিল্পীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। যুটীয়া সম্পাদক জ্যোতি মালাকৰ কাকতিয়ে গীতাৰ শ্লোক আৰু গণেশ বন্দনা পাঠ কৰে। মুখ্য সম্পাদক ববিতা শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে বিশিষ্ট সাহিত্যিক তথা চিকিৎসক ডাঃ মৃণ্ময় কুমাৰ নাথে। অনাতাঁৰ শিল্পী অৰুণিমা দেৱীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ৰচিত বৰগীত পৰিৱেশন কৰি অনুষ্ঠানটি সুৰীয়া কৰি তোলে। সভাত 'অলকানন্দা'ৰ ভৱিষ্যত কাৰ্যসূচী আৰু পৰিকল্পনাৰ বিষয়ে যুটীয়া। যুটীয়া সম্পাদক জ্যোতি মালাকৰ কাকতিয়ে বিস্তৃতভাৱে অৱগত কৰে। ইয়াৰ পিছতে উপদেষ্টা ফটিক দত্ত গোস্বামী, ড° শ্যামল প্ৰসাদ শইকীয়া, শংকৰ কাকতি, নিৰূপমা গোস্বামী, ড° কবিতা চৌধুৰী, ববিতা শৰ্মা, জ্যোতি মালাকৰ কাকতি, গীতিমালিকা গগৈ ৰাভা, জয়শ্ৰী শৰ্মা, দীক্ষা খাটনিয়াৰ পাঠক, কন্যা কুমাৰী শইকীয়া, মুকুট শৰ্মাকে ধৰি কেইবাগৰাকীও সতীৰ্থই গুৰুত্বপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰে। সতীৰ্থ সন্মিলনত ছায়াৰাণী দত্ত শইকীয়া, বনদীপা হাজৰিকা, পলাশ শিৱম আৰু উপদেষ্টা ড° শ্যামল প্ৰসাদ শইকীয়াই সুৰীয়া গীত পৰিৱেশন কৰে। আনহাতে মালা ঠাকুৰে সুললিত কণ্ঠেৰে কবিতা পাঠ কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকৰ দায়িত্বত থকা দিছপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মূৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মা। তেওঁ 'অলকানন্দা'ৰ ভৱিষ্যৎ পৰিকল্পনাৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে অসমৰ হেৰাই যাব ধৰা কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ বাবে প্ৰশিক্ষণ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাত আগন্তুক সময়ত এখন আড়ম্বৰপূৰ্ণ সাংস্কৃতিক সমাৰহ আয়োজন কৰাৰ লগতে অসমৰ সাহিত্য, সংস্কৃতি, শিক্ষা, নৃত্য, ভ্ৰাম্যমাণ নাট আদি বিভিন্ন ক্ষেত্ৰত বিশিষ্ট অবদান আগবঢ়াইও অখ্যাত হৈ থকা ব্যক্তিসকলক 'অলকানন্দা বঁটাৰে সন্মানিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে সাহিত্য, সংগীত আৰু নৃত্যৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা আয়োজন কৰাৰ উপৰি নতুন প্ৰজন্মৰ বাবে সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। বিভিন্ন বঁটাৰ বাবে নিৰ্বাচন সমিতিও গঠন কৰা হয়। অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্ত আৰু বিদেশত বসবাস কৰা প্ৰবাসী অসমীয়াক একত্ৰিত কৰি নবীন-প্ৰবীণ সকলোৰে প্ৰতিভা বিকাশৰ বাবে এখন উমৈহতীয়া মঞ্চ গঢ়ি তোলাৰ 'অলকানন্দা'ৰ প্ৰচেষ্টাক সভাত উপস্থিত সকলোৱে প্ৰশংসা কৰে। সভাত আগন্তুক তিনি বছৰৰ বাবে সৰ্বসম্মতিক্ৰমে এখন নতুন ও শক্তিশালী কাৰ্যনিৰ্বাহক সমিতিও গঠন কৰা হয়। নতুন সমিতিৰ উপদেষ্টা হিচাপে অসমৰ বিশিষ্ট সাহিত্যিক মণিকুন্তলা ভট্টাচাৰ্য, অবসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান তথা বিশিষ্ট সাহিত্যিক ফটিক দত্ত গোস্বামী, লেখক-গীতিকাৰ-সুৰকাৰ তথা অৱসৰপ্ৰাপ্ত উপ আৰক্ষী সঞ্চালক প্ৰধান ড° শ্যামল প্ৰসাদ শইকীয়া, এছ কে হাজৰিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইভা হাজৰিকা, লেখিকা-পৰিচালক-প্ৰযোজক স্বপ্নালী বৰগোহাঁই আৰু বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া উদয় কুমাৰ নাথক দায়িত্ব অৰ্পণ কৰা হয়। সভাপতি হিচাপে ডাঃ মৃণ্ময় কুমাৰ নাথ (মঙলদৈ), কাৰ্যকৰী সভাপতি হিচাপে নিৰূপমা গোস্বামী (ডিগবৈ) আৰু ড° কবিতা চৌধুৰী (নলবাৰী), মুখ্য সম্পাদক হিচাপে ববিতা শৰ্মা (গুৱাহাটী), উপ-সভাপতি হিচাপে প্ৰহেলিকা শৰ্মা (ডিব্ৰুগড়), কাৰ্যবাহী সদস্য হিচাপে ভবেন বৰ্মন (বঙাইগাঁও) আৰু মঞ্জু গৌতম (গুৱাহাটী)ক দায়িত্ব দিয়া হয়। ইয়াৰ উপৰি কোষাধ্যক্ষ হিচাপে বসন্ত শইকীয়া, যুটীয়া সম্পাদক হিচাপে জ্যোতি মালাকৰ কাকতি আৰু চৈয়দ আবু মতলিব, সহকাৰী সম্পাদক হিচাপে হেঙুল জ্যোতি শালৈ আৰু ৰঞ্জনা পাঠকক দায়িত্ব অৰ্পণ কৰা হয়। সভাত সাহিত্য, সাংস্কৃতিক, সাংগঠনিক, ব্যৱস্থাপনা, আইন তথা পৰামৰ্শ, প্ৰকাশন আৰু সংবিধান প্ৰণয়নকে ধৰি কেইবাখনো উপ-সমিতি গঠন কৰা হয়। পৰৱৰ্তী কাৰ্যনিৰ্বাহক সভাখন ডিগবৈত অনুষ্ঠিত কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। সামৰণিত শলাগৰ শৰাই আগবঢ়ায় বসন্ত শইকীয়াই। জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# আমগুৰিত বানপীড়িতৰ ক্ষতিপূৰণৰ দাবীত ৰে'ল অৱৰোধৰ চেষ্টা কৃষক মুক্তিৰ

১৫ হাজাৰ টকাৰ সাহায্য নোপোৱাৰ অভিযোগ; ৭ দিনৰ আল্টিমেটাম

**অসম বাৰ্তা, চেলেংহাট, ৭ অক্টোবৰ** ঃ বানপীড়িত পৰিয়ালক ক্ষতিপূৰণ প্ৰদানৰ দাবীত আজি শিৱসাগৰ জিলাৰ আমগুৰি ৰেলৰে জংচনত নামনিমুৱা অৱধ আসাম এক্সপ্ৰেছ অৱৰোধৰ চেষ্টা চলায় কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সমিতিৰ নেতৃত্বত প্ৰায় দুই শতাধিক বানপীড়িত লোকে ১৯ জুলাইৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদানৰ দাবীত এই কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকল ৰেল অৱৰোধৰ বাবে আগবাঢ়ি যোৱাৰ পথত আৰক্ষী আৰু ৰেলৰে আৰক্ষীৰ এটা ডাঙৰ দলে তেওঁলোকক বাধা প্ৰদান কৰে। এই কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত নামনিমুৱা অৱধ আসাম এক্সপ্ৰেছখন শিমলুগুৰি জংচনতে বহু সময় ৰখাই থোৱা হয় বুলি জানিব পৰা যায়। চৰকাৰে ঘোষণা কৰা ১৫ হাজাৰ টকাৰ ক্ষতিপূৰণ আজিলৈকে বানক্ষতিগ্ৰস্ত ৰাইজক প্ৰদান কৰা হোৱা নাই বুলি অভিযোগ তুলি প্ৰতিবাদকাৰীসকলে তীব্ৰ প্ৰতিবাদ জনায়। তেওঁলোকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি পৰিৱেশ উত্তপ্ত কৰি তোলে। প্ৰতিবাদ স্থলীত উপস্থিত থকা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ



কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমনি হাজৰিকাই অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰে। তেওঁ প্ৰতিটো বানপীড়িত পৰিয়ালক ১০ লাখ টকা আৰু বানত বিধ্বস্ত হোৱা প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠানকো ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ দাবী জনায়। ইফালে, আজিৰ কাৰ্যসূচীত এগৰাকী আৰক্ষী বিষয়াই প্ৰতিবাদকাৰীৰ সৈতে দুৰ্ব্যৱহাৰ কৰা বুলি অভিযোগ উঠে। আৰক্ষীৰ এনে আচৰণৰ নিন্দা কৰি ৰিতুমণি হাজৰিকাই ভৱিষ্যতে এনে দুৰ্ব্যৱহাৰ নকৰিবলৈ আৰক্ষীক সকীয়াই দিয়ে। প্ৰতিবাদস্থলীত কৃষক মুক্তিৰ সম্পাদক বিদ্যুৎ শইকীয়া, মুখ্য সাংগঠনিক সম্পাদক আকাশ দলে, যোৰহাট জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি অৰিন্দম গগৈ, সম্পাদক বৰণ লাহন, সাংগঠনিক সম্পাদক অম্লান গগৈ, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপসভাপতি ৰবীন হাজৰিকা, জিলা ছাত্ৰ মুক্তিৰ যুটীয়া সভাপতি পল্লৱ শইকীয়া ও অভিজিত চেতিয়া, সম্পাদক ভাস্কৰ বৈৰাগী আৰু আমগুৰি আঞ্চলিকৰ সভাপতি ৰণ্টো শইকীয়াই উপস্থিত থাকি অহা ৭ দিনৰ ভিতৰত যোৰহাট, শিৱসাগৰ আৰু চৰাই দেউ জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়ালক ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবী জনায়। অন্যথা যিকোনো সময়তে পুনৰ ৰেল অৱৰোধ কৰা হ'ব বুলি সংগঠনটোৱে সকীয়াই দিয়ে।

# গোসাঁইগাঁৱৰ শৰাইবিলত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপন

**অসম বাৰ্তা, গোসাঁইগাঁও, ৭ অক্টোবৰ** ঃ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ উদ্যোগত আজি শৰাইবিল কমিউনিটি হলত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন কৰা হয়। 'হমাৰী অংগনবাড়ী, হমাৰী জিম্মেদাৰী' শীৰ্ষক কাৰ্য্যসূচীৰ জৰিয়তে পুষ্টি আৰু মাতৃ-শিশুৰ স্বাস্থ্য সম্পৰ্কে সজাগতা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ভাৰত চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত ৯ চেপ্তেম্বৰৰ পৰা ৮ অক্টোবৰলৈ দেশজুৰি পালন কৰা নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে কচুগাঁৱৰ শৰাইবিল কমিউনিটি হলত এই সজাগতা সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত খাদ্যৰ বৈচিত্ৰ্য, পৰ্যাপ্ত প্ৰ'টিন গ্ৰহণ, অংগনবাড়ী কেন্দ্ৰত প্ৰদান কৰা গৰম ৰন্ধা খাদ্য, সমাজৰ সক্ৰিয় অংশগ্ৰহণ, শিশুৰ প্ৰাৰম্ভিক যত্ন আৰু বিকাশ, তথা প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ জৰিয়তে মাতৃৰ স্বাস্থ্য সুৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। ইয়াৰ উপৰিও পোষণ অভিযানৰ জৰিয়তে শিশুৰ সুস্বাস্থ্য, সঠিক পুষ্টি আৰু সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ ক্ষেত্ৰত পৰিয়াল তথা সমাজৰ ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়। কাৰ্য্যসূচীত গোসাঁইগাঁৱৰ বিধায়ক শোভাৰাম বসুমতাৰী, কচুগাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া অনুপমা ব্ৰহ্ম, অংগনবাড়ী কৰ্মী আৰু সহায়িকা, আশা কৰ্মী লগতে স্থানীয় মাতৃসকল উপস্থিত থাকে। পোষণ মাহ উদযাপনৰ জৰিয়তে মাতৃ আৰু শিশুৰ পুষ্টি, স্বাস্থ্য আৰু কল্যাণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত অধিক সজাগতা সৃষ্টি হ'ব বুলি আশা প্ৰকাশ কৰা হয়।

প্ৰতিষ্ঠা দিৱসৰ কেক কাটে অধিনায়ক হিৰণ্য বৰ্মনে; বাহিনীটোৰ শ্বহীদসকলক স্মৰণ

# দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, দৌলাশাল, ৭ অক্টোবৰ** ঃ নলবাৰী জিলাৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বাহিনীৰ মুখ্য কাৰ্যালয়ত উদযাপন কৰা হয়। পুৱা ৮: ৩০ বজাত জোৱানসকলৰ অভিবাদন গ্ৰহণ কৰি পতাকা উত্তোলন কৰে বাহিনীটোৰ অধিনায়ক এপিএচ হিৰণ্য বৰ্মনে। জোৱানসকলৰ দৃষ্টিনন্দন পেৰেডে উপস্থিত ৰাইজক আপ্লুত কৰে। পতাকা উত্তোলন কৰি অধিনায়ক হিৰণ্য বৰ্মনে উপস্থিত ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ভাষণত বাহিনীটোৰ শ্বহীদসকলকো স্মৰণ কৰে অধিনায়ক হিৰণ্য বৰ্মনে। ভাষণ প্ৰসংগত অধিনায়ক হিৰণ্য বৰ্মনে কয় যে- "১৯৮৭ চনৰ ৭ অক্টোবৰত চতুৰ্দশ অসম আৰক্ষী বাহিনী গঠন হৈছিল। কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বাহিনীত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ কাম-কাজ আৰম্ভ কৰা হৈছিল। ১৯৮৮ চনৰ ৮ ফেব্ৰুৱাৰীত নলবাৰী জিলাৰ দৌলাশালত ৩৫০ বিঘা ভূমিত তদানীন্তন গৃহমন্ত্ৰী ভৃগু কুমাৰ ফুকনে চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ সদৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল। ১৯৮৮ চনত কাহিলীপাৰাৰ পৰা দৌলাশাললৈ স্থানান্তৰ কৰা হৈছিল চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়টো। বাহিনীটোত ১০৫২ গৰাকী বিষয়া-কৰ্মচাৰী আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে। সৰ্বমুঠ ২১টা গুল্ম আছে বাহিনীটো। ইয়াৰে ১৮টা গুল্ম গুৱাহাটীত আৰু ৩টা গুল্ম মুখ্য চাউনীৰ লগতে বিভিন্ন ঠাইত আইন শৃংখলাজনিত কাৰণত নিয়োজিত হৈ আছে। বাহিনীটোত বৰ্তমান ১৫১ গৰাকী নৱ নিযুক্ত আৰক্ষীয়ে প্ৰশিক্ষণ লৈ আছে। দেশৰ অখণ্ডতা, সাৰ্বভৌমত্ব ৰক্ষাৰ লগতে অপৰাধ নিয়ন্ত্ৰণ, আইন- শৃংখলাজনিত সেৱাত নিয়োজিত হৈ নিজৰ প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলক আজিৰ এই পবিত্ৰ মুহূৰ্তত স্মৰণ কৰি তেওঁলোকলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ ত্যাগ আৰু আত্মবলিদানৰ বীৰত্বৰ গাঁথাই আমাক গৰ্বিত কৰি তোলে। আমাৰ জোৱানে



হাঁহিমুখে প্ৰাণ আহুতি দিছে। সেই একে আদৰ্শৰে চতুৰ্দশ অসম আৰক্ষী বাহিনীয়ে এই সুনাম সদায় আগবঢ়াই লৈ গৈ থাকিব।" শান্তি শৃংখলাৰ মাজেৰে অসমখনক আগুৱাই নিবলৈ ৰাইজলৈ আহ্বান জনাইছে অধিনায়ক হিৰণ্য বৰ্মনে। বাহিনীৰ বিষয়া-জোৱান, পৰিয়ালবৰ্গ আৰু ৰাইজৰ উপস্থিতিত বাহিনীটোৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কেক কাটে অধিনায়ক হিৰণ্য বৰ্মনে। পুৱা ৮:৪০ বজাত শ্বহীদ বেদীত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# মাজুলীত মাতৃ ভাষা দিৱস পালন

## "ৰাজ্য চৰকাৰে অসমীয়া ভাষা প্ৰয়োগৰ নিৰ্দেশনা জাৰি কৰিছে যদিও বৰ্তমানলৈকে চৰকাৰী কাৰ্যালয়ত সফল ৰূপায়ণ হোৱা নাই"

**অসম বাৰ্তা, মাজুলী, ৭ অক্টোবৰ** ঃ মাজুলী জিলা সাহিত্য সভা আৰু ৰামধনু শতদল শাখা সাহিত্য সভাৰ সহযোগত মাজুলী জিলা সাংবাদিক সন্থাৰ সভাকক্ষত মাতৃ ভাষা দিবস পালন কৰা হয়। সেই উদ্দেশ্যে শ্বহীদ মোজাম্মিল হকৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বুঢ়াভকতে অসমীয়া ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যালয়ত অনিহা প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসনলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট সাহিত্যিক গুণমনি নাথে ভাষা আন্দোলনৰ ইতিহাস সামৰি বক্তব্য প্ৰদান কৰি মাজুলী জিলা সাহিত্য সভাই এক জাগৰণ সৃষ্টি কৰাৰ পোষকতা কৰে। বিশিষ্ট শিল্পী কৰুণা বৰাই অসমীয়া ভাষাৰ উত্তৰণৰ ক্ষেত্ৰত সাহিত্য সভাইনৱপ্ৰজন্মৰ মাজত এক জাগৰণ আনিবলৈ চেষ্টা কৰিবলৈ আহ্বান জনায়। সভাত কবিতা পাঠ কৰে ৰামধনু শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি অমিয়া বৰঠাকুৰে। ৰাম সাগৰ নাথ, ৰূপজ্যোতি নাথ, ভোলানাথ দাস, জয়ন্ত হাজৰিকা, কুমুদ বৰা আৰু ৰামধনু শতদল শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্তই বিভিন্ন দিশত পৰামৰ্শ আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়ায় ৰামধনু শতদল শাখা সাহিত্য সভাৰ সম্পাদক সমীৰণ গোস্বামীয়ে অনুষ্ঠানটোৰ আঁত ধৰে জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন